www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আমাৰ ভিতৰত অৰ্জিত বস্তু-বোৰে আমাৰ বাহিৰৰ বাস্তৱতাৰ পৰিবৰ্তন কৰিব। — প্লুটাৰ্ক

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ ▢ সংখ্যা- ২৬২ ▢ শনিবাৰ ▢ ০১ আগষ্ট, ২০২৬ চন ▢ Volume/Year- I ▢ Issue- 262 ▢ Saturday ▢ 01st August, 2026 ▢ Asom Barta, Majuli ▢ PRGI Reg. No.- ASASS/25/A2361 ▢ Price- Rs. 10 ▢ Total Page-8

# ৯ আগষ্টৰ পৰাহে বানাক্ৰান্ত অঞ্চলত খোল খাব বিদ্যালয়

## ▢ বানত ক্ষতিগ্ৰস্তসকলক ১৫ হাজাৰ টকাৰ সাহায্য, ৭ আগষ্টৰ পৰা জৰীপ আৰম্ভ
## ▢ বীমা, ঋণ আৰু অৰুণোদয়ৰ ক্ষেত্ৰতো ৰাজ্যিক কেবিনেটত গুৰুত্বপূৰ্ণ সিদ্ধান্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৩১ জুলাই ঃ** ৰাজ্যৰ উজনি অঞ্চলৰ শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাত চলি থকা বানপানীৰ পৰিস্থিতি সন্দৰ্ভত শুকুৰবাৰে দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত কেবিনেট বৈঠকত বিস্তাৰিতভাৱে আলোচনা কৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত সাপ্তাহিক কেবিনেট বৈঠকৰ পাছত সংবাদমেলযোগে সিদ্ধান্তসমূহ সদৰি কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। বানপানীৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে, বানত বহু দুই-চাৰিচকীয়া যান-বাহনৰ যথেষ্ট ক্ষতি হৈছে। ক্ষতিগ্ৰস্ত যান-বাহনৰ সঠিক বীমা নিষ্পত্তি নিশ্চিত কৰাৰ বাবে অহা ৫ আগষ্টত চৰকাৰী আৰু বেচৰকাৰী বীমা কোম্পানীসমূহৰ লগত এখন বিশেষ বৈঠক অনুষ্ঠিত কৰা হ'ব। যাতে ক্ষতিগ্ৰস্ত লোকসকলে বীমা লাভৰ ক্ষেত্ৰত কোনো প্ৰকাৰ অসুবিধা বা গাফিলতিৰ সন্মুখীন নহয়। ইতিমধ্যে বৃহস্পতিবাৰে বেংকসমূহৰ লগত ▢ ৬ পৃষ্ঠাত



## ২ আগষ্টৰ পৰা ৰাজ্যত লোকপিয়লৰ প্ৰথম পৰ্যায়

### বানপীড়িত শিৱসাগৰ-চৰাইদেউত স্থগিত স্ব-গণনা ঃ ৮৫ হাজাৰ গণনাকাৰীৰ প্ৰশিক্ষণ সম্পূৰ্ণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৩১ জুলাই ঃ** ৰাজ্যত অহা ২ আগষ্টৰ পৰা লোকপিয়ল ২০২৭ৰ স্ব-গণনা প্ৰক্ৰিয়া আৰম্ভ হ'ব। কিন্তু বানপানীৰ প্ৰতিকূল পৰিস্থিতিৰ বাবে উজনি অসমৰ শিৱসাগৰ আৰু চৰাইদেউ জিলাত এই পৰ্যায়ৰ কাম সাময়িকভাৱে ৰখি থোৱা হৈছে। লোকপিয়ল সঞ্চালকালয়ে সংহাৰী বানে সৃষ্টি কৰা অভাৱনীয় পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই সিদ্ধান্ত গ্ৰহণ কৰে। জিলা দুখনত বানৰ তাণ্ডৱলীলা এতিয়াও অব্যাহত আছে। বহু পৰিয়ালে নিজ ঘৰ-বাৰী হেৰুৱাই অসহায় অৱস্থাত পৰিছে। সেয়ে জিলা দুখনত স্ব-গণনাৰ কাম এইমাহতে নকৰি পাছলৈ স্থগিত ৰখা হৈছে বুলি লোকপিয়ল ▢ ৬ পৃষ্ঠাত

## আজমলৰ দুই কোটিৰ বিনিময়ত অসমীয়া জাতি সত্তা বিক্ৰী নকৰিব হিন্দু সুৰক্ষা সেনা


হিন্দু সুৰক্ষা সেনা, অসম
HINDU SURAKHYA SENAA, ASSAM
আজমলৰ দুই কোটিত অসমীয়া জাতি সত্তা বিক্ৰী নকৰিব : হিন্দু সুৰক্ষা সেনা

**অসম বাৰ্তা, নুমলীগড়, ৩১ জুলাই ঃ** বিপদ আৰু দুৰ্যোগৰ সময়ত প্ৰকৃততে কোনো শত্ৰু আৰু মিত্ৰ নাথাকে সকলো সমান এক ঈশ্বৰৰ সন্তান কেৱল মাথোঁ জীৱ হৈ পৰে। প্ৰবল বানপানীৰ সময়ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বন্য জীৱৰ বাবে ৰখা ওখ ভেটিত ▢ ৬ পৃষ্ঠাত

### সাহায্য আৰু উদ্ধাৰ কাৰ্যৰ বাবে আশ্বাস গৃহমন্ত্ৰীৰ

## অসমৰ বান পৰিস্থিতিৰ বিষয়ে গৃহমন্ত্ৰীক অৱগত কৰিলে চাৰি বিজেপি সাংসদে



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩১ জুলাই ঃ** অসমৰ বানপানীৰ শেহতীয়া পৰিস্থিতিৰ বিষয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক অৱগত কৰিবলৈ শুকুৰবাৰে এখন বিশেষ বৈঠকত মিলিত হয় অসমৰ চাৰিজন বিজেপি সাংসদৰ এটা প্ৰতিনিধি দল। সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা, দিলীপ শইকীয়া, কামাখ্যা প্ৰসাদ তাছা আৰু প্ৰদান বৰুৱাই গৃহমন্ত্ৰী শ্বাহৰ সৈতে এই বৈঠকত অংশগ্ৰহণ কৰি ৰাজ্যখনত ▢ ৬ পৃষ্ঠাত

## প্ৰধানমন্ত্ৰী আহিলে অসুবিধাহে সৃষ্টি হ'ব !

### প্ৰধানমন্ত্ৰীয়ে সাহস নিদিলে মই একোৱেই কৰিব নোৱাৰিলোহেঁতেন: মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৩১ জুলাই ঃ** অসমৰ বানপীড়িত অঞ্চল পৰিদৰ্শন কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কিয় অহা নাই-ৰাজ্যজুৰি উত্থাপিত এই প্ৰশ্নৰ স্পষ্ট উত্তৰ দিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। শুকুৰবাৰে দিছপুৰত অনুষ্ঠিত কেবিনেট বৈঠকৰ পাছত সংবাদমেলত সাংবাদিকে তোলা প্ৰশ্নৰ ▢ ৬ পৃষ্ঠাত



## ১৫ আগষ্টৰ ভিতৰত নিৰ্মাণ সম্পূৰ্ণ হ'ব যোৰহাটৰ ছিগা মথাউৰি ঃ মন্ত্ৰী কেশৱ মহন্ত

### বানপীড়িত অঞ্চল পৰিদৰ্শন কৰি ক্ষয়ক্ষতিৰ পৰ্যবেক্ষণ ৭ আগষ্টৰ পৰা চাৰ্ভে আৰম্ভ কৰাৰ সিদ্ধান্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ, যোৰহাট, ৩১ জুলাই ঃ** ৰাজ্যৰ মন্ত্ৰী কেশৱ মহন্তই শুকুৰবাৰে পুনৰ যোৰহাটৰ বানাক্ৰান্ত বিভিন্ন অঞ্চল পৰিদৰ্শন কৰি ১৯ জুলাইৰ ভয়ংকৰ বানপানীৰ বিষয়ে স্পষ্ট বিৱৰণী দাঙি ধৰে। পৰিদৰ্শন শেষত তেওঁ সাংবাদিকসকলৰ সৈতে কথা পাতে আৰু দিখৌ নদীৰ উৎপত্তিস্থল নাগিনীজানৰ পৰা কেনেদৰে পানীৰ ধল আহি যোৰহাটৰ বিভিন্ন অঞ্চলত বিধ্বংসী ৰূপ ধাৰণ কৰে-সেয়া বিস্তাৰিতভাৱে ▢ ৬ পৃষ্ঠাত



## কুলশী বহুমুখী প্ৰকল্পৰ ডিপিআৰ অসম চৰকাৰলৈ হস্তান্তৰ

### ৫৫ মেগাৱাট প্ৰকল্পৰ বাবে ১, ৪৫৪ কোটি টকা ব্যয়ৰ অনুমান

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৩১ জুলাই ঃ** অসম-মেঘালয় সীমান্তৰ কুলশী নদীৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া বহুমুখী প্ৰকল্পৰ বিশদ প্ৰকল্প প্ৰতিবেদন (ডিপিআৰ) বৃহস্পতিবাৰে আনুষ্ঠানিকভাৱে অসম চৰকাৰলৈ হস্তান্তৰ কৰা হয়। ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ অধ্যক্ষ ড° ৰণবীৰ সিঙে মহানগৰীৰ ▢ ৬ পৃষ্ঠাত

## লোকসভাত বিতৰ্কবিহীনভাৱে গৃহীত জন্ম-মৃত্যু পঞ্জীয়ন বিধেয়ক ২০২৬

### বিৰোধীৰ প্ৰতিবাদৰ মাজতে ধ্বনি ভোটত বিধেয়ক গৃহীত



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩১ জুলাইঃ** সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ প্ৰথম দিনা ২০ জুলাইত 'সংসদ চলো' সমদলৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ ওপৰত আৰক্ষীয়ে গ্ৰহণ কৰা ব্যৱস্থাৰ বিৰুদ্ধে বিৰোধী দলসমূহে প্ৰতিবাদ চলাই থকাৰ মাজতে শুকুৰবাৰে লোকসভাই গুৰুত্বপূৰ্ণ ▢ ৬ পৃষ্ঠাত

## GEN Zৰ কণ্ঠ দমনৰ অভিযোগত মোদী-শ্বাহক ৰাহুল গান্ধীৰ প্ৰত্যাহ্বান

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩১ জুলাই ঃ** NEET পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ ঘটনা আৰু তাৰ পিছত হোৱা ছাত্ৰ প্ৰতিবাদক লৈ কেন্দ্ৰীয় চৰকাৰক ধাৰাবাহিকভাৱে সমালোচনা কৰি অহা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে শুকুৰবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহক লক্ষ্য কৰি এক তীক্ষ্ণ ▢ ৬ পৃষ্ঠাত



### NEET প্ৰশ্নকাকত ফাদিলৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ৰ তত্ত্বাৱধানত স্বতন্ত্ৰ তদন্তৰ দাবী

## যন্তৰ-মন্তৰৰ ছাত্ৰ প্ৰতিবাদ গণতান্ত্ৰিক আন্দোলন আছিল ঃ মুখপাত্ৰ সৌৰভ দাস

### প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে মন্তব্যৰ জিৰ' এফআইআৰ ভিত্তিহীন-অগ্ৰহণযোগ্য

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩১ জুলাই ঃ** ক'কৰোচ্ছ জনতা পাৰ্টি শ্চচিজেপিগ্নৰ নেতৃত্বত যন্তৰ মন্তৰত অনুষ্ঠিত ছাত্ৰ প্ৰতিবাদ আৰু 'সংসদ চলো' পদযাত্ৰাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক লক্ষ্য কৰি সামাজিক মাধ্যমত কৰা পোষ্ট আৰু ভিডিঅ'ৰ বাবে দিল্লী আৰক্ষীয়ে সৰব হৈ উঠাৰ প্ৰসংগত আজি চিজেপিয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি প্ৰতিবাদকাৰী ৰুচিকা শৰ্মাৰ বিৰুদ্ধে পঞ্জীয়ন হোৱা 'জিৰ' এফআইআৰক ▢ ৬ পৃষ্ঠাত

## পাঁচ বছৰলৈ অব্যাহত পিএম-কিষাণ আঁচনি

### কেন্দ্ৰীয় কেবিনেটৰ অনুমোদন; কৃষকৰ ঋণ হ্ৰাসত আঁচনিৰ ভূমিকা গুৰুত্বপূৰ্ণ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩১ জুলাই ঃ** প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি (পিএম-কিষাণ) আঁচনি পৰৱৰ্তী পাঁচ বছৰলৈ একে ৰূপতে চলি থাকিব। শুকুৰবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেটে এই আঁচনি ২০২৬-২৭ বৰ্ষৰ পৰা




২০৩০-৩১ বৰ্ষলৈ অব্যাহত ৰখাৰ সিদ্ধান্ত অনুমোদন জনায়। এই সময়ছোৱাত আঁচনিখনৰ ▢ ৬ পৃষ্ঠাত

## ২ আগষ্টৰ পৰা ডিমা হাছাও জিলাত আৰম্ভ হ'ব লোকপিয়লৰ প্ৰথম পৰ্যায়

### ১৬ আগষ্টলৈ গৃহ তালিকাভুক্তকৰণ, ফেব্ৰুৱাৰীত জনসংখ্যা গণনা





**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩১ জুলাই ঃ** ভাৰতৰ ১৬ সংখ্যক ৰাষ্ট্ৰীয় জনগণনা আৰু স্বাধীনতাৰ পিছৰ অষ্টম জনগণনা ২০২৭ চনত অনুষ্ঠিত হ'ব। এই জনগণনাই দেশৰ ইতিহাসত এক নতুন অধ্যায়ৰ সূচনা কৰিছে, কাৰণ প্ৰথমবাৰৰ বাবে বৃহৎ পৰিসৰত ডিজিটেল পদ্ধতি ব্যৱহাৰ কৰি সমগ্ৰ প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব। উন্নত প্ৰযুক্তিৰ সহায়ত তথ্য সংগ্ৰহ আৰু সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ ▢ ৬ পৃষ্ঠাত

## ক্ৰীড়া ক্ষেত্ৰলৈ ৫ বছৰত ৩৬, ৪৪১ কোটি টকাৰ ব্যয় অনুমোদন কেন্দ্ৰীয় কেবিনেটৰ

### খেলো ইণ্ডিয়া আৰু ৰাষ্ট্ৰীয় ক্ৰীড়া সন্থাৰ বাবে বাজেট আঠগুণ বৃদ্ধি

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩১ জুলাই ঃ** স্বাধীনতাৰ পিছত দেশৰ আটাইতকৈ বৃহৎ আৰু অভিলাষী ক্ৰীড়া উন্নয়ন কাৰ্যসূচী বুলি অভিহিত কৰি কেন্দ্ৰীয় কেবিনেটে শুকুৰবাৰে খেলো ইণ্ডিয়া আঁচনি আৰু ৰাষ্ট্ৰীয় ক্ৰীড়া সন্থাসমূহলৈ বিশেষ সাহায্য প্ৰদানৰ বাবে অহা পাঁচ বছৰৰ বাবে মুঠ ৩৬, ৪৪১ কোটি টকাৰ ব্যয় অনুমোদন জনায়। এই সিদ্ধান্তই ভাৰতক বিশ্ব ক্ৰীড়া মহলত শক্তিশালী স্থান দিয়াৰ প্ৰতি চৰকাৰৰ দীৰ্ঘম্যাদী পৰিকল্পনা স্পষ্ট কৰি তুলিছে। চৰকাৰে অহা ৫ বছৰত 'খেলো ইণ্ডিয়া' আঁচনিৰ বাবে



২৯, ০৫৪ কোটি টকা ব্যয় কৰাৰ সিদ্ধান্ত লৈছে। এই আঁচনিৰ মুখ্য লক্ষ্য হৈছে দেশৰ তৃণমূল পৰ্যায়ৰ প্ৰতিভাৱান ▢ ৬ পৃষ্ঠাত

### জাকজমকীয়া নহয় উদ্বোধনী অনুষ্ঠান ঃ এচিএৰ ৫০ লাখ টকাৰ বান সাহায্যৰ প্ৰশংসা

## বান বিভীষিকাৰ মাজতেই আজিৰে পৰা এপিএল




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৩১ জুলাই ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা অসম প্ৰিমিয়াৰ লীগ (এপিএল) কাইলৈ অৰ্থাৎ ৰ আগষ্টৰ পৰা নিৰ্ধাৰিত সূচী অনুসৰি আৰম্ভ হ'ব। পোনপটীয়া সম্প্ৰচাৰৰ বাণিজ্যিক চুক্তি উলংঘন কৰিব নোৱাৰাৰ বাবেই অসম ক্ৰিকেট সন্থাই বানৰ এই সংকটময় পৰিস্থিতিতো এপিএল আয়োজন কৰিবলৈ বাধ্য হৈছে। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ড (বিচিচিআই)ৰ যুটীয়া সম্পাদক দেৱজিৎ লন শইকীয়াই এপিএলৰ প্ৰস্তুতি সম্পূৰ্ণ কৰাৰ বাবে অসম ক্ৰিকেট সন্থাক অভিনন্দন জ্ঞাপন কৰে। কিন্তু তেওঁ ৰাজ্যখনৰ বৰ্তমানৰ বানপীড়িত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আয়োজকসকলক কোনো জাকজমকীয়া উদ্বোধনী অনুষ্ঠান বা মনোৰঞ্জনধৰ্মী কাৰ্যসূচী আয়োজন নকৰিবলৈ স্পষ্টভাৱে অনুৰোধ জনায়। শইকীয়াই কয় যে এপিএল আৰম্ভ কৰাৰ বাবে অসম ক্ৰিকেট সন্থাই সুন্দৰ ব্যৱস্থা ▢ ৬ পৃষ্ঠাত

## ডিমৌৰ কঠীয়াতলিত কঠীয়া সিঁচিলে পীযুষ-সুশান্তই

### নাজিৰাত বৈঠক
### গৃহ, স্বাস্থ্য, কৃষি পুনৰুজ্জীৱনৰ ওপৰত গুৰুত্ব



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩১ জুলাই ঃ** ৰাজ্যৰ কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযুষ হাজৰিকাই আজি শিৱসাগৰ জিলাৰ বানপীড়িত ডিমৌ আৰু নাজিৰা বিধানসভা সমষ্টি পৰিদৰ্শন কৰি জিলা প্ৰশাসনে হাতত লোৱা সাহায্য আৰু পুনৰ সংস্থাপন ব্যৱস্থাৰ অগ্ৰগতি সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰে। বিশেষকৈ বানত বিধ্বস্ত কৃষকসকলক সহায় আগবঢ়োৱাৰ ক্ষেত্ৰত কৃষি বিভাগে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বুজ লয়। পুৱাৰ ভাগত মন্ত্ৰীগৰাকীয়ে কেবিনেট মন্ত্ৰী সুশান্ত বৰগোহাঁইৰ সৈতে ডিমৌ সমষ্টিৰ চনং ভাটগাজ গাঁও পৰিদৰ্শন কৰি বানপীড়িত কৃষকসকলৰ বাবে স্থাপন কৰা এক সমূহীয়া কঠীয়াতলিত আনুষ্ঠানিকভাৱে কঠীয়া সিঁচা কাৰ্য আৰম্ভ কৰে। বানৰ ফলত পথাৰ নষ্ট হোৱা কৃষকসকলে যাতে সময়মতে উন্নত মানৰ ধানৰ কঠীয়া লাভ কৰিব পাৰে, তাৰ বাবেই এই নাৰ্চাৰী স্থাপন কৰা হৈছে। কৃষকসকল আৰু বিভাগীয় বিষয়াসকলৰ সৈতে মত বিনিময় কৰি মন্ত্ৰী হাজৰীকাই কয় যে, ৰাজ্য চৰকাৰে অতি সোনকালে কৃষিকাৰ্য স্বাভাৱিক অৱস্থালৈ ▢ ৬ পৃষ্ঠাত

### ছত্তীশগড়ৰ দীপক কুমাৰৰ মৃত্যু, আহত ভূপিন্দৰৰ অৱস্থা সংকটজনক

## কুলগামত সন্ত্ৰাসবাদীৰ গুলীচালনা ঃ এজন শ্ৰমিক নিহত

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩১ জুলাই ঃ** জম্মু-কাশ্মীৰৰ কুলগাম জিলাত শুকুৰবাৰে সংঘটিত হৈছে সন্ত্ৰাসবাদীৰ এক নৃশংস আক্ৰমণ। ইটাভাটা নামৰ অঞ্চলটোত শ্ৰমিক হিচাপে কৰ্মৰত দুজন শ্ৰমিকক অচিনাক্ত সন্ত্ৰাসবাদীয়ে লক্ষ্য কৰি গুলীচালনা কৰে। এই গুলীচালনাত এজন শ্ৰমিকে ঘটনাস্থলীতে প্ৰাণ হেৰুৱায়, আনজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। ঘটনাটোৱে সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ইটাভাটাত কৰ্মৰত আন শ্ৰমিকসকল আতংকিত হৈ পৰে। ঘটনাৰ খবৰ পোৱামাত্ৰেই নিৰাপত্তা বাহিনীৰ জোৱানসকল ঘটনাস্থলীত উপস্থিত হয় আৰু সন্ত্ৰাসবাদীৰ সন্ধানত তীব্ৰ অভিযান আৰম্ভ কৰে। আৰক্ষী সূত্ৰে জনোৱা মতে, মৃত শ্ৰমিকজনৰ নাম দীপক কুমাৰ আৰু তেওঁ ছত্তীশগড় ৰাজ্যৰ বাসিন্দা। আনজন আহত শ্ৰমিক ভূপিন্দৰৰ ঘৰও ছত্তীশগড়ত। গুৰুতৰভাৱে আহত অৱস্থাত তেওঁক অনন্তনাগৰ চৰকাৰী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হয়। চিকিৎসকসকলে জনোৱা মতে, ভূপিন্দৰৰ স্বাস্থ্যৰ অৱস্থা সন্তোষজনক নহয় আৰু তেওঁ সংকটময় ▢ ৬ পৃষ্ঠাত



# ডুমডুমাত শ্ৰীশ্ৰী ৰুদ্ৰ যজ্ঞৰ আয়োজন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৩০ জুলাই ঃ** অসম ব্ৰাহ্মণ সমাজ ডুমডুমা আঞ্চলিক সমিতিৰ উদ্যোগত আৰু ডুমডুমা অসমীয়া পূজা আৰু নাট্য মন্দিৰ সমিতিৰ সহযোগত অহা ১ আৰু ২ আগষ্ট (১৫ আৰু ১৬ শাওন)ত ডুমডুমা অসমীয়া পূজা আৰু নাট্য মন্দিৰ প্ৰাংগণত শ্ৰীশ্ৰী ৰুদ্ৰ যজ্ঞৰ আয়োজন কৰা হৈছে। ১ আগষ্টৰ বিয়লি ৪ বজাত অসম ব্ৰাহ্মণ সমাজৰ ডুমডুমা আঞ্চলিক সমিতিৰ সাধাৰণ সভা অনুষ্ঠিত হ'ব। অসম ব্ৰাহ্মণ সমাজৰ ৰাজ্যিক সমিতিৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকিবলগীয়া এই সভাখনতে ২০২৬বৰ্ষৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ডুমডুমা অঞ্চলৰ কৃতী শিক্ষাৰ্থীসকলক অভিনন্দন জনোৱা হ'ব। সন্ধিয়া সাত বজাত যজ্ঞৰ অধিবাস অনুষ্ঠিত হ'ব। ২ আগষ্টৰ পুৱা সাত বজাত পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। পতাকা উত্তোলন কৰিব অসম ব্ৰাহ্মণ সমাজৰ ডুমডুমা আঞ্চলিক সমিতিৰ সভাপতি প্ৰশান্ত শৰ্মা কটকীয়ে। পুৱা আঠ বজাত আয়তীসকলৰদ্বাৰা জল আৰোহণৰ পাছতেই পুৱা ৯ বজাৰ পৰা শ্ৰীশ্ৰী ৰুদ্ৰ যজ্ঞ আৰম্ভ হ'ব। দিনৰ দুই বজাত যজ্ঞৰ পূৰ্ণাহুতি প্ৰদান কৰাৰ পাছত দিনৰ ২-৩০ বজাত আশীৰ্বাদ তথা নিৰ্মালি প্ৰদান কৰা হ'ব। বিয়লি তিনি বজাত প্ৰসাদ বিতৰণ কৰা হ'ব। ভক্তসকলে পূজাত শৰাই, চাকি আৰু হোম-যজ্ঞত ঘিঁউ আৰু নাৰিকল নিজৰ নাম আৰু গোত্ৰ দি উছৰ্গা কৰিব পাৰিব। এই যজ্ঞ ভাগিত সকলোৰে উপস্থিতি আৰু সহযোগিতা অসম ব্ৰাহ্মণ সমাজ, ডুমডুমা আঞ্চলিক সমিতিৰ সভাপতি প্ৰশান্ত শৰ্মা কটকী আৰু সম্পাদক অৰুণ বৰুৱাই আন্তৰিকতাৰে কামনা কৰিছে।

### দীৰ্ঘদিনীয়া টিপি-চালান বন্ধত জীৱিকাৰ সংকট

# ডাম্পাৰ-ট্ৰাক মালিক সংস্থাৰ জৰুৰী সভা

## কুৰেৰী আৰু টিপি-চালান স্বাভাৱিক কৰাৰ আহ্বান

**অসম বাৰ্তা, নুমলীগড়, ৩০ জুলাই ঃ** গোলাঘাট জিলাত দীৰ্ঘদিন ধৰি কুৰেৰীৰ পৰা শিল-বালি পৰিবহণৰ বাবে টিপি (TP) চালান বন্ধ হৈ থকাৰ ফলত ডাম্পাৰ আৰু ট্ৰাক ব্যৱসায় গভীৰ সংকটৰ সন্মুখীন হোৱাৰ অভিযোগ উত্থাপন কৰিছে গোলাঘাট জিলা ডাম্পাৰ আৰুট্ৰাক মালিক সন্থাই। এই সমস্যাৰ স্থায়ী সমাধানৰ দাবীত বৃহস্পতিবাৰে মৰঙিৰ দৈগ্ৰোং পুথি ভঁৰালত সন্থাৰ উদ্যোগত এখন জৰুৰী আলোচনা সভা অনুষ্ঠিত হয়। সভাত জিলাখনৰ বিভিন্ন প্ৰান্তৰ ডাম্পাৰ আৰু ট্ৰাকৰ মালিকসকল উপস্থিত থাকি বৰ্তমানৰ পৰিস্থিতি সন্দৰ্ভত বিস্তৃত আলোচনা কৰে। তেওঁলোকৰ মতে, কুৰেৰীসমূহত শিল-বালিৰ ব্যৱসায় বন্ধ হৈ থকাৰ লগতে টিপি-চালান পুনৰ প্ৰচলন নোহোৱাৰ ফলত বহু শতাধিক গাড়ী দীৰ্ঘদিন ধৰি অচল অৱস্থাত পৰি আছে। ইয়াৰ ফলত কেৱল গাড়ীৰ মালিকেই নহয়, চালক, সহকাৰী, মিস্ত্ৰী তথা এই ব্যৱসায়ৰ সৈতে জড়িত বহু লোকৰ জীৱন জীৱিকাত গভীৰভাৱে প্ৰভাৱ পৰিছে। আলোচনা সভাত বক্তাসকলে কয় যে গাড়ী চলাচল সম্পূৰ্ণৰূপে বন্ধ হৈ থকাৰ পিছতো বেংকৰ ঋণৰ মাহেকীয়া কিস্তি, গাড়ীৰ বীমা, পথৰ কৰ, ফিটনেছ, পাৰ্মিট আদি নিয়মীয়াকৈ পৰিশোধ কৰি চৰকাৰী নীতি নিয়ম সম্পুৰ্ন ৰূপে মানি চলা হৈছে। ইতিমধ্যে আয়ৰ উৎস সম্পুৰ্ন বন্ধ হৈ পৰাত বহু মালিকে ঋণৰ বোজা বহন কৰিব নোৱাৰা অৱস্থাত পৰিছে। একে সময়তে পৰিয়ালৰ দৈনন্দিন খৰচ চলোৱাটোও অত্যন্ত কঠিন হৈ পৰিছে বুলি তেওঁলোকে ক্ষোভ প্ৰকাশ কৰে। সভাত উপস্থিত সদস্যসকলে স্পষ্টভাৱে কয় যে বৈধভাৱে শিল-বালিৰ ব্যৱসায় চলাৰ সুযোগ সৃষ্টি কৰা আৰু চৰকাৰী নীতি-নিয়ম অনুসৰি টিপি-চালান ব্যৱস্থা পুনৰ আৰম্ভ কৰাটো সময়ৰ দাবী। ইয়াৰ জৰিয়তে চৰকাৰৰ ৰাজহ বৃদ্ধি হোৱাৰ লগতে বহু লোকৰ জীৱিকাও পুনৰ স্বাভাৱিক হ'ব বুলি তেওঁলোকে মত প্ৰকাশ কৰে। সভাৰ অন্তত গৃহীত এক প্ৰস্তাৱৰ জৰিয়তে গোলাঘাটৰ জিলা আয়ুক্ত আৰু বিভাগীয় বন বিষয়া (DFO)-ক অতি শীঘ্ৰে বিষয়টোত হস্তক্ষেপ কৰি কুৰেৰীসমূহৰ কাৰ্যকলাপ আৰু টিপি-চালান ব্যৱস্থা পুনৰ স্বাভাৱিক কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হয়। লগতে সমস্যাৰ স্থায়ী সমাধানৰ বাবে সংশ্লিষ্ট সকলো বিভাগে সমন্বয়মূলকভাৱে পদক্ষেপ গ্ৰহণ কৰাৰো অনুৰোধ জনোৱা হয়। ডাম্পাৰ আৰুট্ৰাক মালিকসকলে কয় যে তেওঁলোক চৰকাৰৰ সকলো আইন আৰু নিয়ম মানি ব্যৱসায় চলাবলৈ প্ৰতিশ্ৰুতিবদ্ধ। কিন্তু দীৰ্ঘদিন ধৰি ব্যৱসায় বন্ধ থকাৰ ফলত সৃষ্টি হোৱা আৰ্থিক সংকটে এতিয়া বহু পৰিয়ালক জীৱন নিৰ্বাহৰ অনিশ্চয়তাৰ মাজলৈ ঠেলি দিছে। সেয়েহে শীঘ্ৰে ইতিবাচক সিদ্ধান্ত গ্ৰহণ কৰি বৈধভাৱে শিল-বালিৰ ব্যৱসায় পুনৰ আৰম্ভ কৰাৰ ব্যৱস্থা কৰিবলৈ তেওঁলোকে চৰকাৰ আৰু প্ৰশাসনৰ ওচৰত দাবী উত্থাপন কৰে।

### চোতালত একাঁঠু পলস; আজি ১২ দিনে বন্ধ স্বাস্থ্য কেন্দ্ৰ

# জাঁজী নদীৰ বানত বিধস্ত জাঁজী সহায়কাৰী স্বাস্থ্য কেন্দ্ৰ

**অসম বাৰ্তা, জাঁজী, ৩০ জুলাই ঃ** ১৯ জুলাইৰ জাঁজী নদীৰ প্ৰলয়ংকাৰী বানে শিৱসাগৰ আৰু যোৰহাট জিলাৰ বিস্তৃত অঞ্চল বিধস্ত কৰি পেলোৱাৰ লগতে বৃহত্তৰ জাঁজী অঞ্চলৰ পুৰণি চিকিৎসালয় জাঁজী সহায়কাৰী স্বাস্থ্য কেন্দ্ৰটো সম্পূৰ্ণ বিধস্ত কৰি পেলায়। ফলত আজি ১১ দিনৰ পাছতো সম্পূৰ্ণৰূপে বন্ধ হৈ আছে স্বাস্থ্য কেন্দ্ৰটো। উল্লেখযোগ্য যে, ১৯ জুলাইৰ বলিয়া বানে স্বাস্থ্য কেন্দ্ৰটোৰ সুৰক্ষাৰ বাবে কেইবাদশকৰ পূৰ্বে নিৰ্মাণ কৰা জাঁজী নদীৰ ৰিংবান্ধটো ভাঙি পেলোৱাত পানীয়ে চিকিৎসালয়খন সম্পূৰ্ণ প্লাৱিত কৰে। বানে চিকিৎসালয়খনৰ চৌহদত একাঁঠু পলস পেলোৱাৰ লগতে লেৱৰটৰীৰ যন্ত্ৰপাতি, ঔষধালয়ৰ ঔষধ, শীতলীকৰণ ব্যৱস্থা, অন্যান্য যন্ত্ৰপাতি, আচবাব সম্পূৰ্ণ ৰূপে ধংস হয়। সমান্তৰালভাৱে স্বাস্থ্য কেন্দ্ৰটোৰ চিকিৎসা কৰ্মী সকলৰ আৱাসগৃহৰ সা-সম্পত্তিও সম্পূৰ্ণৰূপে ধংসপ্ৰাপ্ত হয়। বানপানীত বিধস্ত হোৱা চিকিৎসালয়খন যোৱা ১১ দিনে বন্ধ কৰি থোৱা হৈছে। ইফালে জিলা স্বাস্থ্য বিভাগে বান বিধস্ত স্বাস্থ্য কেন্দ্ৰটো পৰিষ্কাৰ কৰণ, মেৰামতিৰ বাবে কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। ইফালে স্বাস্থ্য কেন্দ্ৰটোৰ চিকিৎসাকৰ্মী সকলে পথৰ ওপৰতে বহি থাকিব লগীয়া হৈছে। উল্লেখযোগ্য যে, বৃটিছৰ আমোলতে জাঁজী নদীৰ পাৰত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত নিৰ্মাণ কৰা স্বাস্থ্য কেন্দ্ৰটো স্বাস্থ্য বিভাগে পূৰ্ণাংগ চিকিৎসা কেন্দ্ৰলৈ উন্নীত কৰণৰ থল আছিল যদিও আজি পৰ্যন্ত স্বাস্থ্য কেন্দ্ৰটো অৱহেলিত হৈ থাকিল।

### ৮ গৰাকী আশাকৰ্মীৰ সাঁচতীয়া ধন সৰকালে চতুৰ প্ৰৱঞ্চকে

# মাৰ্ঘেৰিটাত চাইবাৰ অপৰাধীৰ জাল

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ৩০ জুলাই ঃ** মাৰ্ঘেৰিটা অঞ্চলত দিনক-দিনে বৃদ্ধি পোৱা চাইবাৰ অপৰাধীৰ উপদ্ৰৱে এতিয়া সাধাৰণ ৰাইজৰ নিশাৰ টোপনি হৰণ কৰিছে, য'ত এইবাৰ চতুৰ প্ৰৱঞ্চকৰ দলটোৰ ৰঙা চকুৰ চিকাৰ হৈ পৰিছে সমাজৰ অতিকে পৰিশ্ৰমী তথা সহজ-সৰল আশাকৰ্মীসকল। প্ৰাপ্ত তথ্য অনুসৰি, অঞ্চলটোৰ এক সংগঠিত চাইবাৰ অপৰাধী চক্ৰই বিভিন্ন ধৰণৰ চলোৱা চালাহি কথা, চৰকাৰী আঁচনিৰ নামত ভুৱা প্ৰলোভন আৰু বিবিধ ভয়-ভাবুকি প্ৰদৰ্শন কৰি এক ভয়ংকৰ তাণ্ডৱৰ সৃষ্টি কৰিছে। এই দুষ্ট চক্ৰটোৱে নিজৰ জালত পেলাই অঞ্চলটোৰ প্ৰায় ৮ গৰাকী আশাকৰ্মীৰ দিন-ৰাতি একাকাৰ কৰি কষ্টৰে উপাৰ্জন কৰা সাঁচতীয়া হাজাৰ হাজাৰ টকা একোটা ক্ষণতে সৰকাই লৈ যায়, যাৰ ফলত ভুক্তভোগী পৰিয়ালসমূহৰ মুৰত এতিয়া গাজ পৰিছে। ইফালে, এনে অতৰ্কিত আৰু চালবাজ প্ৰৱঞ্চনাৰ সমগ্ৰ ঘটনা সন্দৰ্ভত ভুক্তভোগী আশাকৰ্মীসকলে একগোট হৈ ইতিমধ্যে মাৰ্ঘেৰিটা আৰক্ষী থানাত এক লিখিত এজাহাৰ দাখিল কৰিছে, যাৰ ভিত্তিত আৰক্ষী প্ৰশাসনেও বিষয়টো অত্যন্ত গুৰুত্বসহকাৰে গ্ৰহণ কৰি সমগ্ৰ প্ৰৱঞ্চনা চক্ৰটোৰ উৎখাতৰ বাবে এক ব্যাপক আৰু সঘন তদন্ত আৰম্ভ কৰিছে। ইপিনে নিৰীহ আশাকৰ্মীসকলক এনেদৰে টাৰ্গেট কৰি চাইবাৰ অপৰাধীয়ে চলোৱা এই ভয়াৱহ অপকৰ্ম আৰু আৰ্থিক লুণ্ঠনৰ ঘটনাই সমগ্ৰ মাৰ্ঘেৰিটা অঞ্চলজুৰি এক তীব্ৰ চাঞ্চল্য, ক্ষোভ তথা শংকাৰ পৰিৱেশৰ সৃষ্টি কৰিছে আৰু ৰাইজে এই চাইবাৰ ক্ৰাইমৰ বিৰুদ্ধে অতি সোনকালে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী-প্ৰশাসনক দাবী জনাইছে।

# মেৰাপানীৰ যুৱতীৰ কেৰেলাত মৃত্যু

অসম বাৰ্তা, মেৰাপানী, মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত সৰুপানী গাঁৱৰ পখিলা বাৰ্লা (১৭) নামৰ এগৰাকী যুৱতীৰ কেৰেলাৰ ত্ৰিশূৰ জিলাত মৃত্যু হোৱা ঘটনাই পৰিয়াল আৰু অঞ্চলবাসীৰ মাজত শোকৰ ছাঁ পেলাইছে। জানিব পৰা মতে, ঘৰৰ আৰ্থিক অনাটনৰ বাবে প্ৰায় ১০ মাহ পূৰ্বে পখিলা বাৰ্লা কেৰেলাৰ এটা ব্যক্তিগত কোম্পানীত কৰ্মসংস্থাপনৰ উদ্দেশ্যে গৈছিল। কোম্পানীটোত কৰ্মৰত অৱস্থাত তেওঁ ভাড়াঘৰত বাস কৰি আছিল। বুধবাৰে ভাড়াঘৰৰ ভিতৰত তেওঁক মৃত অৱস্থাত উদ্ধাৰ কৰা হয়। ঘটনাৰ খবৰ লাভ কৰাৰ পাছতে পিতৃ বুধু বাৰ্লা কেৰেলালৈ ৰাওনা হৈছে বুলি পৰিয়ালৰ সূত্ৰে জানিবলৈ দিছে। মৃত্যুৰ সঠিক কাৰণ সন্দৰ্ভত এতিয়াও আনুষ্ঠানিকভাৱে কোনো তথ্য প্ৰকাশ হোৱা নাই। সংশ্লিষ্ট কৰ্তৃপক্ষই ঘটনাটোৰ প্ৰয়োজনীয় আইনী প্ৰক্ৰিয়া আৰু তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

# যোৰহাট অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত নাজিৰাৰ দুৰ্গম বানপীড়িত এলেকাত ব্যাপক সাহায্য বিতৰণ

**অসম বাৰ্তা, যোৰহাট, ৩০ জুলাই ঃ** যোৰহাট জিলাৰ লগতে কাষৰীয়া অঞ্চলসমূহত শেহতীয়াকৈ দেখা দিয়া ভয়াবহ বানে এক জটিল পৰিস্থিতিৰ সৃষ্টি কৰিছে। এনে দুৰ্যোগপূৰ্ণ সময়তে বানপীড়িত ৰাইজৰ কাষত থিয় দি আজি 'যোৰহাট অসামৰিক প্ৰতিৰক্ষা বিভাগ' (Civil Defence) ৰ উদ্যোগত আৰু যোৰহাট জিলা প্ৰশাসনৰ সহযোগত এক বিশেষ বান সাহায্য বিতৰণ কাৰ্যসূচী সফলভাৱে ৰূপায়ণ কৰা হয়। এই জৰুৰী সাহায্য অভিযানৰ অধীনত নাজিৰা অঞ্চলৰ অত্যন্ত দুৰ্গম আৰু বানৰ ফলত ব্যাহত হৈ পৰা কেইবাখনো গাঁও- ক্ৰমে তিপমীয়া, লেথাৰি, দনহা গাঁও আৰু মাজে পথাৰ চেতিয়া সন্দিকৈ গাঁও সামৰি লোৱা হয়। অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উপ-নিয়ন্ত্ৰক সীমান্ত শৰ্মা দেৱৰ প্ৰত্যক্ষ নেতৃত্বত অহা সমগ্ৰ স্বেচ্ছাসেৱক দলটোৱে নিষ্ঠা, সাহসিকতা আৰু তৎপৰতাৰে সকলো প্ৰতিবন্ধকতা নেওচি জলমগ্ন অঞ্চলসমূহলৈ ৰাওনা হয়। প্ৰতিকূল বতৰ আৰু যাতায়াত ব্যৱস্থা সম্পূৰ্ণৰূপে বিচ্ছিন্ন হৈ পৰা সত্বেও, দলটোৱে বিপদসংকুল পৰিস্থিতি অতিক্ৰম কৰি এই দুৰ্গম এলেকাবোৰত উপস্থিত হ'বলৈ সক্ষম হয়। এই অভিযানত অসামৰিক প্ৰতিৰক্ষাৰ দলটোৱে অঞ্চলসমূহৰ প্ৰায় ৩০০টা বানাক্ৰান্ত পৰিয়ালৰ ওচৰত উপস্থিত হৈ জৰুৰী সাহায্য সামগ্ৰী বিতৰণ কৰে। সামগ্ৰী বিতৰণৰ উপৰিও, কাৰ্যসূচীৰ সময়ত উপ-নিয়ন্ত্ৰক সীমান্ত শৰ্মা দেৱৰ লগতে অসামৰিক প্ৰতিৰক্ষা বিভাগৰ মুখ্য ৱাৰ্ডেন পাৰ্থ সাৰথি বৰুৱা আৰু সমগ্ৰ অসামৰিক প্ৰতিৰক্ষা দলটো উপস্থিত থাকি বানপীড়িত ৰাইজৰ সৈতে পোনপটীয়াভাৱে ভাব-বিনিময় কৰে। দলটোৱে এই কঠিন সময়ছোৱাত ভুক্তভোগীসকলক মানসিক সাহস আৰু সমবেদনা জনায়। জিলা প্ৰশাসন আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগৰ এনে নিঃস্বাৰ্থ মানৱীয় পদক্ষেপে দুৰ্দশাগ্ৰস্ত পৰিয়ালসমূহৰ মাজত এক নতুন আশা আৰু আশ্বাসৰ সঞ্চাৰ কৰিছে।

# বানাক্ৰান্তৰ সহায়ত দেৰগাঁৱৰ নাৰিকলগুৰি প্ৰভাত হাজৰিকা গ্ৰন্থ সংগ্ৰহালয়ৰ শিশুসকল

**অসম বাৰ্তা, দেৰগাঁও, ৩০ জুলাই ঃ** আজিৰ শিশোৱেই কাইলৈৰ দেশৰ ভৱিষ্যত'— এই কথাষাৰক সাৰোগত কৰি মানৱীয়তাৰ এক উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিলে দেৰগাঁৱৰ নাৰিকলগুৰিস্থিত প্ৰভাত হাজৰিকা গ্ৰন্থ সংগ্ৰহালয়ৰ শিশুসকলে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বানাক্ৰান্ত ৰাইজৰ আৰ্তনাদ দেখি গ্ৰন্থ সংগ্ৰহালয় শিশুসকলে নিজৰ গ্ৰীষ্মকালীন গ্ৰন্থ অধ্যয়নৰ পৰা বিৰত থাকি হাতত ল'লে সেৱাৰ ব্ৰত। বানাক্ৰান্ত ৰাইজক সহায় কৰাৰ মানসেৰে শিশুসকলে দানপাত্ৰ লৈ ওলাই আহে ৰাইজৰ কাষলৈ। তেওঁলোকৰ এই আহ্বানত সঁহাৰি জনাই শুভাকাংক্ষী ৰাইজে আগবঢ়োৱা ৫০টা ব্ৰেড তৎক্ষণাত বানাক্ৰান্তসকলক প্ৰদান কৰে। ইয়াৰ উপৰিও, ৰাইজৰ পৰা সংগ্ৰহ কৰা অৰ্থৰ দ্বাৰা বানপীড়িত অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ বাবে উপযোগী বহুকেইবিধ শৈক্ষিক সামগ্ৰী ক্ৰয় কৰে। শিশুসকলে এই সামগ্ৰীসমূহ শিৱসাগৰ জিলাৰ বানপীড়িত সকলৰ বাবে প্ৰেৰণ কৰিবলৈ জ্যেষ্ঠসকলৰ হাতত গতাই দিয়ে। শিশুসকলৰ এনে মহানুভৱতা আৰু সমাজ সচেতনতাক অঞ্চলবাসীয়ে ভূয়সী প্ৰশংসা কৰিছে। বিপৰ্যয়ৰ সময়ত শিশুসকলৰ এই প্ৰচেষ্টাই সকলোৰে মাজত এক আশাৰ সঞ্চাৰ কৰিছে।

### শিৱসাগৰ, চৰাইদেউ, গোলাঘাট আৰু যোৰহাট জিলাৰ বানপীড়িত ৰাইজক উপযুক্ত ক্ষতিপূৰণ প্ৰদানৰ আঠদফীয়া দাবী

# অসমৰ মুখ্যমন্ত্ৰীলৈ আঠ দফীয়া দাবী সম্বলিত স্মাৰক পত্ৰ প্ৰেৰণ মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ

**অসম বাৰ্তা, গহপুৰ, ৩১ জুলাই ঃ** বিধ্বংসী বানে তেনেই জুৰুলা কৰি পেলোৱা শিৱসাগৰ, গোলাঘাট, চৰাইদেউ আৰু যোৰহাট জিলাৰ হাজাৰ হাজাৰ পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ আৰু পুন: সংস্থাপনৰ দাবীত আজি অসমৰ মুখ্যমন্ত্ৰীলৈ এখন আঠ দফীয়া দাবী সম্বলিত স্মাৰক পত্ৰ প্ৰেৰণ কৰে মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিয়ে। মাছৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য উপদেষ্টা আদিত্য লহকৰ, অধ্যক্ষ বুবুমণি গোস্বামী, কাৰ্য্যকৰী অধ্যক্ষ লক্ষিপ্ৰসাদ ডেকা আৰু সচিব প্ৰধান ৰিতুল বৰুৱাৰ স্বাক্ষৰ সম্বলিত স্মাৰকপত্ৰখন গহপুৰ সমজিলাৰ ভাৰপ্ৰাপ্ত সম জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা হয়। স্মাৰক পত্ৰ খনত উল্লেখ কৰা দাবী সমূহ হৈছে-১/বানত ঘৰবাৰী, সা-সম্পতি উচন হোৱা সকলো পৰিয়ালক ন্যূনতম দহ লাখ টকাৰ আৰ্থিক ক্ষতিপূৰণ প্ৰদান কৰিব লাগিব। বাসগৃহ, কৃষিভূমি, গৃহ-পালিত পশুধন আৰু বানত ধ্বংস হোৱা সা-সম্পতি ক্ষতিৰ সঠিক মূল্যায়ন কৰি নাৰ্য সাহায্য প্ৰদান কৰিব লাগিব। ২/প্ৰতিজন মৃত ব্যক্তি বিপৰীতে মৃতকৰ নিকত আত্মীয়ক বিশ লাখ টকাকৈ ক্ষতি পূৰণ প্ৰদান কৰিব লাগিব। ৩/বানত ক্ষতিগ্ৰস্ত ছাত্ৰ-ছাত্ৰীসকলৰ পঢ়া-শুনা যাতে বাধাগ্ৰস্ত নহয় তাৰ বাবে বিনামূলীয়া পাঠ্য পুথি, বহী, স্কুলৰ পোছাক আদি সকলো প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰাৰ লগতে সকলো প্ৰকাৰ পৰীক্ষাৰ মাছুল ৰেহাই কৰাৰ ব্যৱস্থা কৰিব লাগিব। ক্ষতিগ্ৰস্ত বিদ্যালয়সমূহ অতি সোনকালে মেৰামতি কৰাৰ লগতে বৰ্তমান অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰী আৰু শিক্ষা সমাপ্ত কৰা ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক প্ৰমাণ পত্ৰ সমূহ শিক্ষা বিভাগৰ জৰিয়তে বিনামুলীয়াকৈ সহজে পোৱাৰ ব্যৱস্থা কৰিব লাগিব। ৪/এইবাৰ বানপানী কেৱল বৃষ্টিপাত বা প্ৰাকৃতিক ডাৱৰ বিস্ফোৰণৰ ফলত হোৱা নাই বুলি ইতিমধ্যেই বিভিন্ন বিশেষজ্ঞই মত প্ৰকাশ কৰিছে। নগালেণ্ডত অৱস্থিত জলবিদ্যুৎ প্ৰকল্পৰ ডেমত জমা কৰি ৰখা পানী হঠাৎ এৰি দিয়াৰ ফলত আৰু অবাধ কয়লা খননৰ ফলত সৃষ্টি হোৱা বৃহৎ বৃহৎ জলাশয়ত আবদ্ধ বিশাল জলভাণ্ডাৰৰ জলৰাশি প্ৰবল বৰষুণৰ বাবে হোৱা ভূমি স্খলনত জলাশয়ৰ পাৰ ভাগি বানৰ সৃষ্টি হৈছে বুলি যি অভিযোগ উঠিছে সেই বিষয়ত উচ্চ-পৰ্যায়ৰ তদন্ত কমিটি গঠন কৰি প্ৰকৃত সত্য উদ্‌ঘাটন কৰাৰ ব্যৱস্থা কৰিব লাগে। লগতে ভবিষ্যতে এনে দুৰ্যোগ যাতে নহয় তাৰ বাবে প্ৰতিকাৰমূলক ব্যৱস্থা গ্ৰহণ কৰা হওক। প্ৰয়োজনত নাগালেণ্ড চৰকাৰ সৈতে আলোচনা কৰিব লাগে। ৫/ অসমৰ সম্পদ যেনেকৈ ৰাষ্ট্ৰীয় সম্পদৰূপে গণ্য কৰা হয়, তেনেকৈ অসমৰ বানপানী সমস্যাকো ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ ব্যৱস্থা কৰা আৰু শেহতীয়াকৈ হৈ যোৱা বানৰ তাণ্ডৱলীলাক 'অতি দুৰ্যোগ' হিচাবে ঘোষণা কৰাৰ ব্যৱস্থা কৰা। ৬/ ক্ষতিগ্ৰস্ত অঞ্চলসমূহত নৈৰ পাৰ সুদৃঢ় কৰা, নিষ্কাশন ব্যৱস্থা উন্নত কৰা আৰু আগতীয়া সতৰ্কবাণী জাৰীকৰণৰ ব্যবস্থা শক্তিশালী কৰাৰ ব্যৱস্থা কৰা। ৭/ ভবিষ্যতে হ'ব পৰা এনে প্ৰাকৃতিক দুৰ্যোগৰ মোকাবিলা কৰিব পৰাকৈ প্ৰতিখন জিলাৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগক অধিক শক্তিশালী ৰূপত গঢ়ি তোলা হওক আৰু প্ৰতিখন জিলাত পৰ্যাপ্ত সংখ্যক উদ্ধাৰ কাৰী নাও জমা ৰখাৰ ব্যৱস্থা কৰা। ৮/ বানে কঢ়িয়াই আনা শিল বালি আৰু অত্যধিক পলস পৰি ক্ষতি হোৱা শষ্য পথাৰসমূহ কৃষি উপযোগী কৰি তোলাৰ বাবে শীঘ্ৰেই কাৰ্যকৰী আঁচনি গ্ৰহণ কৰাৰ লগতে নতুনকৈ খেতি কৰাৰ বাবে বানাক্ৰান্ত কৃষকক বিনামুলীয়াকৈ কঠীয়া আৰু বীজ যোগান ধৰাৰ ব্যৱস্থা কৰা। বানাক্ৰান্ত ৰাইজৰ সীমাহীন দুৰ্দশাৰ প্ৰতি লক্ষ্য ৰাখি ওপৰোক্ত দাবীসমূহ অতি সোনকালে পূৰণ কৰি বানপীড়িত মানুহক সকাহ প্ৰদান নকৰিলে মানৱ অধিকাৰ সংগ্ৰাম সমিতিয়ে ৰাইজক লগত লৈ গণতান্ত্ৰিক আন্দোলনৰ পথ গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি স্মাৰক পত্ৰখনৰ জৰিয়তে স্পষ্ট কৰি দিয়া হৈছে। মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সচিব ৰিতুল বৰুৱাৰ নেতৃত্বত স্মাৰক পত্ৰ প্ৰেৰণ কাৰ্য্যসূচীত মাছৰ বিশ্বনাথ জিলাৰ অধ্যক্ষ লক্ষ্মী ভূঞা, জিলা সহ: সচিব ভোলাৰাম দাস আৰু গহপুৰ সদৰ আঞ্চলিকৰ সচিব তুৱাকান্ত দুৱৰা উপস্থিত থাকে।

### খানৰ 'বিশ্বাসৰ শিলালিপি' কাব্যগ্ৰন্থ গুৱাহাটীত উন্মোচন

# হাউলীৰ খন্দকাৰপাৰাৰ সু-সন্তান ইকবাল হুছেইন

**অসম বাৰ্তা, কুমুল্লী পৰা, ৩০ জুলাই ঃ** বৰপেটা জিলাৰ হাউলীৰ খন্দকাৰপাৰা গাঁৱৰ সু-সন্তান তথা বিশিষ্ট সাহিত্যপ্ৰেমী ইকবাল হুছেইন খানৰ নৱতম কাব্যগ্ৰন্থ 'বিশ্বাসৰ শিলালিপি' আজি গুৱাহাটীত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ মাজেৰে আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। অনুষ্ঠানটোত সাহিত্য-সংস্কৃতি জগতৰ বহু বিশিষ্ট ব্যক্তি, কবি, সাহিত্যিক, গৱেষক, পাঠক আৰু শুভানুধ্যায়ী উপস্থিত থাকে। উপস্থিত বক্তাসকলে গ্ৰন্থখনৰ বিষয়বস্তু, ভাষাশৈলী, কাব্যিক সৌন্দৰ্য আৰু মানৱীয় মূল্যবোধৰ প্ৰকাশৰ প্ৰশংসা কৰি এই গ্ৰন্থই সমকালীন অসমীয়া সাহিত্যলৈ এক উল্লেখযোগ্য সংযোজন হিচাপে স্থান লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। 'বিশ্বাসৰ শিলালিপি' শীৰ্ষক কাব্যগ্ৰন্থখনত জীৱনবোধ, বিশ্বাস, মানৱতা, সমাজ-বাস্তৱতা আৰু অন্তৰ্জগতৰ অনুভৱৰ সৃষ্টিশীল প্ৰকাশ ঘটিছে বুলি সাহিত্যপ্ৰেমীসকলে মত প্ৰকাশ কৰে। নিজ গাঁৱৰ এজন সাহিত্যসাধকৰ এনে উল্লেখযোগ্য সফলতাত খন্দকাৰপাৰা তথা সমগ্ৰ হাউলী অঞ্চলত আনন্দৰ বতৰা বিৰাজ কৰিছে। বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু সাহিত্য-অনুৰাগী সংগঠনে ইকবাল হুছেইন খানলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰাৰ লগতে তেওঁৰ সাহিত্যসাধনাৰ উত্তৰোত্তৰ সফলতা কামনা কৰিছে।

# মাৰ্ঘেৰিটাত সমষ্টিভিত্তিক পোন্ধৰ দিনীয়া গ্ৰীষ্মকালীন লোকনৃত্য কৰ্মশালাৰ সফল সামৰণি

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ৩০ জুলাই ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা দপ্তৰ বিভাগৰ উদ্যোগত আৰু তিনিচুকীয়া জিলা প্ৰশাসনৰ সহযোগত মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ ভিত্তিত আয়োজিত গ্ৰীষ্মকালীন লোকনৃত্য কৰ্মশালাৰ আজি সফল সামৰণি পৰে। মাৰ্ঘেৰিটাত সোতৰ জুলাইৰ পৰা আৰম্ভ হোৱা অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা দপ্তৰ বিভাগৰ বিধানসভা সমষ্টি ভিত্তিক মাৰ্ঘেৰিটা টাউন হাইস্কুল প্ৰাংগণত গ্ৰীষ্মকালীন লোকনৃত্য কৰ্মশালাৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। নৃত্যাংগন কলা কেন্দ্ৰ তিনিচুকীয়াৰ উদ্যোগত আৰু অসম নাট্য সন্মিলনৰ মাৰ্ঘেৰিটা শাখাৰ সহযোগত মাৰ্ঘেৰিটা টাউন হাইস্কুলত আয়োজিত কৰ্মশালাৰ সামৰণি অনুষ্ঠানত আত ধৰে মধুমিতা পাটোৱাৰীয়ে। সামৰণি অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মাৰ্ঘেৰিটা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া কাশ্মিৰী বেগম, মাৰ্ঘেৰিটা সমজিলাৰ সহকাৰী আয়ুক্ত প্ৰীতি ৰেখা গগৈ, সাংবাদিক সমীৰণ বৰঠাকুৰ, আৰু নৃত্যাংগণ কলা কেন্দ্ৰৰ সঞ্চালিকা মধুমিতা পাটোৱাৰী আদি কেইবা গৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানত প্ৰশিক্ষক সকলৰ লগতে কৰ্মশালাৰ সমন্বয়ক ডাইমণ্ড পাটোৱাৰী উপস্থিত থাকে। উল্লেখযোগ্য যে লোকনৃত্য শিল্পী ৰুবুল বৰুৱা, অংকিতা গগৈ শৰ্মিষ্ঠা পুনম দাস, অনুপল দাস আৰু হিমাশ্ৰী মৰাণ প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰে। প্ৰশিক্ষাৰ্থী সকলে সামৰণি অনুষ্ঠানত নৃত্যানুষ্ঠান পৰিৱেশন কৰে। কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থী সকলৰ মাজত অংশগ্ৰহণৰ প্ৰমাণপত্ৰ বিতৰণ কৰা হয়।

# জিঅ' আৰু এয়াৰটেলৰ ৫জি সেৱাত অসন্তুষ্ট সৰুপথাৰবাসী

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ৩১ জুলাই ঃ** আধুনিক যুগত ইণ্টাৰনেট অবিহনে দৈনন্দিন জীৱন কল্পনা কৰাটো প্ৰায় অসম্ভৱ হৈ পৰিছে। শিক্ষা, ব্যৱসায়-বাণিজ্য, বেংকিং, চৰকাৰী সেৱা, অনলাইন লেনদেন, সামাজিক যোগাযোগৰ পৰা আৰম্ভ কৰি দৈনিক অসংখ্য কাম এতিয়া ইণ্টাৰনেটৰ ওপৰতে নিৰ্ভৰশীল। এনে পৰিস্থিতিত ৫জি সেৱাৰ নামত উন্নত গতিৰ প্ৰতিশ্ৰুতি দিয়াৰ পিছতো সৰুপথাৰ অঞ্চলত জিঅ' আৰু এয়াৰটেলৰ ইণ্টাৰনেট সেৱা অত্যন্ত দুৰ্বল হৈ থকাত তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে হাজাৰ হাজাৰ গ্ৰাহকে। অভিযোগ অনুসৰি, বিগত ছয়-সাত মাহ ধৰি সৰুপথাৰ নগৰ আৰু ইয়াৰ আশে-পাশে বিস্তীৰ্ণ অঞ্চলত জিঅ' আৰু এয়াৰটেলৰ ৫জি সেৱা নামমাত্ৰহে উপলব্ধ। ৫জি সেৱাৰ পৰিৱৰ্তে বহু সময়ত ২জিৰ সমান গতিৰ ইণ্টাৰনেট ব্যৱহাৰ কৰিবলৈ বাধ্য হৈছে গ্ৰাহকসকল। ফলস্বৰূপে সাধাৰণ অনলাইন কাম-কাজ সম্পন্ন কৰাও অত্যন্ত কষ্টসাধ্য হৈ পৰিছে। গ্ৰাহকসকলে জনোৱা মতে, সামাজিক মাধ্যম ফেচবুক, হোৱাটচএপ অথবা ইনষ্টাগ্ৰামত এখন ফটো আপলোড বা ডাউনলোড কৰিবলৈও পাঁচৰ পৰা দহ মিনিট বা তাতোকৈ অধিক সময় ব্যয় কৰিবলগীয়া হয়। আনহাতে অনলাইন ক্লাছ, ভিডিঅ' কল, ডিজিটেল পেমেণ্ট, চৰকাৰী প'ৰ্টেলত আবেদন দাখিল, ই-মেইল প্ৰেৰণ আদি অত্যাৱশ্যকীয় কামৰ সময়তো ইণ্টাৰনেট সংযোগ বাৰে বাৰে বিচ্ছিন্ন হোৱাৰ অভিযোগ উত্থাপন কৰিছে বহু গ্ৰাহকে। বিশেষকৈ মাহিলী ৩৯৯টকা আৰু তিনি মাহৰ বাবে ৮৯৯টকা বা তাতোকৈ অধিক মূল্যৰ ৰিচাৰ্জ কৰাৰ পিছতো উপযুক্ত মানদণ্ডৰ সেৱা লাভ নকৰাত গ্ৰাহকসকলৰ মাজত অসন্তুষ্টি দিনে দিনে বৃদ্ধি পাইছে। ৫জি সেৱাৰ নামত কোম্পানীদ্বয়ে গ্ৰাহকৰ পৰা নিৰ্ধাৰিত মাচুল সংগ্ৰহ কৰিলেও বাস্তৱ ক্ষেত্ৰত সেই অনুসৰি সেৱা প্ৰদানত ব্যৰ্থ হোৱা বুলি অভিযোগ কৰিছে একাংশ সচেতন নাগৰিকে। ইফালে, অঞ্চলটোৰ ব্যৱসায়ী, ছাত্ৰ-ছাত্ৰী, চাকৰিয়াল আৰু অনলাইন ভিত্তিক কামৰ সৈতে জড়িত বহু লোকে দুৰ্বল ইণ্টাৰনেট সেৱাৰ ফলত বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। উন্নত ডিজিটেল সংযোগৰ অভাৱত দৈনন্দিন কাম-কাজ ব্যাহত হোৱাৰ লগতে সময় আৰু ধনৰ অপচয় ঘটিছে বুলিও তেওঁলোকে উল্লেখ কৰে। সেয়েহে সৰুপথাৰৰ জিঅ' আৰু এয়াৰটেলৰ গ্ৰাহকসকলে অতি শীঘ্ৰে অঞ্চলটোৰ নেটৱৰ্ক ব্যৱস্থা উন্নত কৰি ৫জি সেৱা বাস্তৱিকভাৱে কাৰ্যকৰী কৰাৰ দাবী জনাইছে।

# মাছখোৱাত 'উই কেন'ৰ নাট কৰ্মশালা

**অসম বাৰ্তা, ধেমাজি, ৩১ জুলাই ঃ** মাছখোৱা অঞ্চলৰ আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলক অভিনয়ৰ প্ৰাৰম্ভিক প্ৰশিক্ষণ দিবৰ বাবে যোৱা ১৫ জুলাইৰ পৰা মাছখোৱা স্নাতক মহাবিদ্যালয়ত অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ধেমাজি জিলা প্ৰশাসনৰ সহযোগত স্থানীয় স্বেচ্ছাসেৱী সংগঠন 'উই কেন, মাছখোৱা'ৰ দ্বাৰা চলোৱা পোন্ধৰদিনীয়া নাট কৰ্মশালাৰ আজি আবেলি এখন নাট মঞ্চায়নেৰে সফলতাৰে সামৰণি পৰে। অনুষ্ঠান উপলক্ষে আবেলি চাৰে তিনি বজাত মাছখোৱাৰ এগৰাকী আশীৰোৰ্দ্ধৰ অৱসৰপ্ৰাপ্ত শিক্ষক টেপুৰাম কোচে বন্তি প্ৰজ্বলন কৰে। তেওঁৰ লগত সহযোগ কৰে উই কেন, মাছখোৱাৰ উপদেষ্টা চন্দ্ৰকান্ত শইকীয়া আৰু মাছখোৱা সাহিত্য সভাৰ সম্পাদক ৰবীন কোচে। ইয়াৰ পিচত ধেমাজি জিলাৰ সাংস্কৃতিক উন্নয়ন বিষয়া শতাব্দী বৰাই মঞ্চ। উদ্বোধন কৰে। উদ্বোধনী ভাষণত সাংস্কৃতিক উন্নয়ন বিষয়াগৰাকীয়ে সাম্প্ৰতিক সময়ত নাটক আৰু অভিনয়ৰ প্ৰসংগ দাঙি ধৰি মাছখোৱাত অনুষ্ঠিত এই নাট কৰ্মশালাৰ যোগেদি প্ৰশিক্ষাৰ্থীসকল যথেষ্ট উপকৃত হোৱা বুলি মন্তব্য কৰে। ইয়াৰ পিচত নাট কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা প্ৰশিক্ষক উদ্দীপ্ত বৰপাত্ৰ গোহাঁইৰ ৰচনা আৰু পৰিচালনাৰে 'সোণতলী গাঁৱৰ সাধু' নামকৰণেৰে এখন নাটক মঞ্চস্থ কৰা হয়। নাট মঞ্চস্থ কৰাৰ অন্তত ধেমাজিৰ মেকবেথ ড্ৰামাৰ সভাপতি, বিশিষ্ট নাট্যকাৰ, পৰিচালক পংকজ চেতিয়া আৰু জ্যেষ্ঠ সাংবাদিক বীৰেন কুমাৰ কোঁৱৰে আমন্ত্ৰিত অতিথিৰূপে বক্তব্য আগবঢ়াই উই কেন, মাছখোৱাৰ প্ৰচেষ্টাৰ শলাগ লোৱাৰ লগতে নাট কৰ্মশালাত প্ৰশিক্ষণ গ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণত লাভ কৰা নাট্যাভিনয়ৰ কলাত্মক জ্ঞানক মূল আধাৰৰূপে গ্ৰহণ কৰি নিজৰ নাট্য প্ৰতিভাৰ বিকাশ সাধন কৰিবলৈ অনুপ্ৰাণিতকৰে। সমগ্ৰ অনুষ্ঠানৰ কাৰ্যসূচীৰ আঁত ধৰে উই কেন, মাছখোৱাৰ সভাপতি ৰঞ্জিত শৰ্মাই। উল্লেখযোগ্য যে বিভিন্ন বয়সৰ মুঠ ডেৰ কুৰি ছাত্ৰ-ছাত্ৰীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰা পোন্ধৰদিনীয়া নাট কৰ্মশালাখনত উদ্দীপ্ত বৰপাত্ৰগোহাঁই, মনোজ বৰুৱা আৰু ৰঞ্জিত শৰ্মাই প্ৰশিক্ষাৰ্থীসকলক অভিনয়ৰ প্ৰশিক্ষণ দিয়ে। প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। উই কেন, মাছখোৱাৰ সম্পাদক ধৰণী শইকীয়াই শলাগৰ শৰাই আগবঢ়ায়।

# গোলাঘাট জিলাত বিপদ সীমাৰ ওপৰেৰে বৈছে ধনশিৰিকে ধৰি কেইবাখনো নদীৰ জলপৃষ্ঠ

**অসম বাৰ্তা, নুমলীগড়, ৩১ জুলাই** ঃ অসমত পুনৰ বৃদ্ধি হৈছে বৰষুণৰ প্ৰকোপ। ভাৰতীয় বতৰ বিজ্ঞান বিভাগ (IMD)-ৰ গুৱাহাটীৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই জাৰি কৰা শেহতীয়া বুলেটিন অনুসৰি, আগন্তুক ২৪ ঘণ্টাত ৰাজ্যৰ বহু অংশত ধাৰাসাৰ বৰষুণৰ লগতে বিজুলী, ঢেৰেকণি সহ প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা আছে। এই পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি উজনি আৰু নামনি অসমৰ মুঠ ৪খন জিলাত অৰেঞ্জ এলাৰ্ট আৰু আন কেইবাখনো জিলাত ইয়েলো এলাৰ্ট জাৰি কৰা হৈছে। বতৰ বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি, বংগোপসাগৰৰ ওপৰত সৃষ্টি হোৱা নিম্নচাপজনিত পৰিস্থিতি আৰু সক্ৰিয় মৌচুমী বায়ুৰ প্ৰভাৱত অসমকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত বৰষুণৰ তীব্ৰতা বৃদ্ধি পাব পাৰে। বিশেষকৈ ধাৰাসাৰ বৰষুণ, বজ্ৰপাত আৰু ঘণ্টাত ৩০—৪০ কিলোমিটাৰ বেগত জোৰ বতাহ বলাৰ সম্ভাৱনা আছে। এই পৰিস্থিতিত পাহাৰীয়া অঞ্চলত ভূমিস্খলন আৰু সমতল অঞ্চলত আকস্মিক বানৰ আশংকাও উলাই কৰিব নোৱাৰি। বতৰ বিজ্ঞান কেন্দ্ৰই ৪খন জিলাত অৰেঞ্জ এলাৰ্ট জাৰি কৰি অতি প্ৰবল বৰষুণৰ সম্ভাৱনাৰ কথা উল্লেখ কৰিছে। আনহাতে, বহু জিলাত ইয়েলো এলাৰ্ট জাৰি কৰি প্ৰশাসন আৰু সাধাৰণ নাগৰিকক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনোৱা হৈছে। বিশেষকৈ নদী-উপনদীৰ পাৰত বাস কৰা লোকসকলক সতৰ্কতা অৱলম্বন কৰিবলৈ, অতি প্ৰয়োজন নোহোৱালৈকে নদীত নামি কাম নকৰিবলৈ আৰু বজ্ৰপাতৰ সময়ত মুকলি ঠাইত অৱস্থান নকৰিবলৈ পৰামৰ্শ দিয়া হৈছে। ইফালে, অব্যাহত বৰষুণৰ ফলত ৰাজ্যৰ কেইবাখনো নদীৰ জলপৃষ্ঠ দ্ৰুতগতিত বৃদ্ধি পাইছে। কেন্দ্ৰীয় জল আয়োগ (CWC)-ৰ তথ্য অনুসৰি, নুমলীগড়ত ধনশিৰী নদীৰ জলপৃষ্ঠ বিপদসীমাৰ ০.৩২ মিটাৰ ওপৰত প্ৰবাহিত হৈছে। শুকুৰবাৰে পুৱা ১১ বজালৈকে পোৱা তথ্য অনুসৰি, নদীখনৰ জলপৃষ্ঠ বিপদসীমা অতিক্ৰম কৰি উৰ্ধ্বমুখী ধাৰা অব্যাহত ৰাখিছে। ফলত গোলাঘাট, নুমলীগড়, মৰঙি, বোকাখাত আৰু নদীৰ নিম্নাঞ্চলসমূহত বান পৰিস্থিতি অধিক জটিল হোৱাৰ আশংকা বৃদ্ধি পাইছে। বিশেষকৈ ধনশিৰী নদীৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত নদী কাষৰ গাঁওসমূহত আতংকৰ সৃষ্টি হৈছে। বিগত কেইবাদিনো ধৰি হোৱা নেৰানেপেৰা বৰষুণে কৃষিভূমি, পথ-ঘাট আৰু নিম্নাঞ্চলসমূহ পানীত ডুবাই পেলোৱাৰ আশংকা বৃদ্ধি কৰিছে। নদী সংলগ্ন অঞ্চলৰ বাসিন্দাসকলে পৰিস্থিতিৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখিবলৈ এই বতৰৰ আগজাননী মৰ্মে সতৰ্ক কৰা হৈছে। বতৰ বিজ্ঞান কেন্দ্ৰই স্পষ্টকৈ উল্লেখ কৰিছে যে আগন্তুক ২৪ ঘণ্টাত ৰাজ্যৰ বহু ঠাইত ৬৪.৫ মিলিমিটাৰৰ অধিক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। কিছুমান অঞ্চলত অতি প্ৰবল বৰষুণৰ ফলত নগৰাঞ্চলত জলাবদ্ধতা, গ্ৰাম্যাঞ্চলত পথ-যোগাযোগ ব্যাহত হোৱা, বিদ্যুৎ যোগানত বিঘিনি আৰু পাহাৰীয়া জিলাসমূহত ভূমিস্খলনৰ ঘটনাও সংঘটিত হ'ব পাৰে। দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, জিলা প্ৰশাসন আৰু সংশ্লিষ্ট বিভাগসমূহক সজাগ অৱস্থাত থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। বানপ্ৰৱণ অঞ্চলসমূহত উদ্ধাৰকাৰী দল, SDRF আৰু অন্যান্য জৰুৰী সেৱাসমূহ প্ৰস্তুত ৰখা হৈছে। নদীৰ পাৰৰ বাসিন্দাসকলক প্ৰশাসনৰ পৰামৰ্শ মানি চলিবলৈ, শিশু আৰু বৃদ্ধসকলক সুৰক্ষিত স্থানত ৰাখিবলৈ আৰু যিকোনো জৰুৰী পৰিস্থিতিত স্থানীয় প্ৰশাসনৰ সৈতে তৎক্ষণাত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে। বতৰ বিজ্ঞান কেন্দ্ৰই লগতে জনাইছে যে পৰিস্থিতি সলনি হ'লে নতুনকৈ সতৰ্কবাণী জাৰি কৰা হ'ব। সেয়ে নাগৰিকসকলক চৰকাৰী বতৰ বুলেটিন, কেন্দ্ৰীয় জল আয়োগৰ নদীৰ জলস্তৰৰ তথ্য আৰু জিলা প্ৰশাসনৰ নিৰ্দেশনাৰ ওপৰত নিয়মীয়াকৈ নজৰ ৰাখিবলৈ আহ্বান জনোৱা হৈছে।

অৱসৰৰ দিনটোক গ্ৰন্থ প্ৰকাশৰ ব্যতিক্ৰমী পৰম্পৰালৈ ৰূপ দিয়া চেষ্টা ড° ভাগৱতীৰ

# ড° দীনমণি ভাগৱতীৰ নৱম বৰ্ষত নৱমখন গ্ৰন্থ; 'জীৱন দৰ্শন' উন্মোচন



**অসম বাৰ্তা, নলবাৰী, ৩১ জুলাই** ঃ অৱসৰ গ্ৰহণৰ দিনটো গ্ৰন্থ প্ৰকাশৰ জৰিয়তে স্মৰণীয় কৰি ৰখাৰ এক ব্যতিক্ৰমী পৰম্পৰা গঢ়ি তোলা বিশিষ্ট শিক্ষাবিদ ড° দীনমণি ভাগৱতীয়ে আজি তেওঁৰ অৱসৰৰ নৱম বৰ্ষত নৱমখন গ্ৰন্থ প্ৰকাশ কৰি উন্মোচন কৰে। ড° দীনমণি ভাগৱতীৰ নৱম বাৰ্ষিক অৱসৰকালীন দিন উপলক্ষে আজি নলবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ একাডেমীত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ গ্ৰন্থ উন্মোচনী সভাত তেওঁৰ নৱতম গ্ৰন্থ 'জীৱন দৰ্শন' আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। শ্ৰীমন্ত শংকৰদেৱ একাডেমী, নলবাৰী আৰু নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানটোত শ্ৰীমন্ত শংকৰদেৱ একাডেমীৰ পৰিচালন সঞ্চালক ড° শৈলেন্দ্ৰ প্ৰসাদ শৰ্মাৰ সভাপতিত্বত গ্ৰন্থ উন্মোচনী সভা আৰু বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত নলবাৰী মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহঃ অধ্যাপক ড° ৰূপক কুমাৰ শৰ্মাই 'প্ৰকৃতি আৰু মানুহ' বিষয়ত এক মননশীল বক্তৃতা প্ৰদান কৰে। নিজৰ বক্তৃতাত ড° ৰূপক কুমাৰ শৰ্মাই প্ৰকৃতি আৰু মানুহৰ মাজত থকা নিবিড় সম্পৰ্কৰ বিষয়ে আলোচনা কৰাৰ লগতে বৰ্তমান সময়ত প্ৰকৃতিৰ ওপৰত মানুহৰ ক্ৰমবৰ্ধমান হস্তক্ষেপৰ ফলত সৃষ্টি হোৱা বিভিন্ন সমস্যা, পৰিৱেশৰ ভাৰসাম্য ৰক্ষা আৰু প্ৰকৃতি সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানৰ অন্যতম গুৰুত্বপূৰ্ণ কাৰ্যসূচী হিচাপে ড° দীনমণি ভাগৱতীৰ 'জীৱন দৰ্শন' গ্ৰন্থখন উন্মোচন কৰে নলবাৰী জিলাৰ আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে। অনুষ্ঠানত নলবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমল নয়ন পাটোৱাৰী, সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি ভৰজিৎ বেজবৰুৱা আৰু শ্ৰীমন্ত শংকৰদেৱ একাডেমীৰ প্ৰধান শিক্ষক ৰাতুল শৰ্মা উপস্থিত থাকে। অনুষ্ঠানৰ শেষত সংবাদ মাধ্যমক উদ্দেশ্যি ড° দীনমণি ভাগৱতীয়ে কয় যে তেওঁৰ কৰ্মজীৱনৰ আৰম্ভণি বেংকৰ বিষয়া হিচাপে হৈছিল যদিও ১৯৮৪ চনত নলবাৰী কলেজত ভূগোল বিষয়ৰ শিক্ষক হিচাপে যোগদান কৰাৰ পাছত তেওঁৰ জীৱনে এক নতুন দিশ লাভ কৰে। নলবাৰী কলেজৰ সৈতে ৩৩ বছৰ ধৰি ওতপ্ৰোতভাৱে জড়িত হৈ থকাৰ পাছত ২০১৮ চনৰ ৩১ জুলাইত তেওঁ অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ পাছতো শিক্ষকতাৰ প্ৰতি থকা আকৰ্ষণ অটুট থকাৰ কথা উল্লেখ কৰি তেওঁ সুযোগ-সুবিধা অনুসৰি নলবাৰী কলেজত ভূগোল বিষয়ত শিক্ষকতা কৰি অহাৰ লগতে বৰ্তমান শ্ৰীমন্ত শংকৰদেৱ একাডেমীৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে বুলি জানিবলৈ দিয়ে। ড° ভাগৱতীয়ে কয় যে ২০১৮ চনৰ ৩১ জুলাইত অৱসৰ গ্ৰহণৰ দিনটোতেই 'নলবাৰী দৰ্পণ' শীৰ্ষক গ্ৰন্থ প্ৰকাশৰ জৰিয়তে এই ব্যতিক্ৰমী ধাৰাৰ আৰম্ভণি কৰিছিল। শুভাকাংক্ষীসকলৰ উৎসাহ আৰু পৰামৰ্শত পৰৱৰ্তী সময়তো অৱসৰৰ দিনটোত গ্ৰন্থ প্ৰকাশৰ ধাৰা অব্যাহত ৰাখে। এইদৰে অৱসৰৰ নৱম বৰ্ষত নৱমখন গ্ৰন্থ হিচাপে 'জীৱন দৰ্শন' প্ৰকাশ কৰি উন্মোচন কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। আজিৰ অনুষ্ঠানত কেইবাশ লোকৰ উপস্থিতিয়ে তেওঁক আনন্দিত কৰা বুলি উল্লেখ কৰি ড° ভাগৱতীয়ে গ্ৰন্থখন উন্মোচন কৰা নলবাৰী জিলাৰ আয়ুক্ত নিবেদন দাস পাটোৱাৰী, 'প্ৰকৃতি আৰু মানুহ' বিষয়ত বক্তৃতা প্ৰদান কৰা ড° ৰূপক কুমাৰ শৰ্মা, নলবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমল নয়ন পাটোৱাৰী, সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি ভৰজিৎ বেজবৰুৱা, শ্ৰীমন্ত শংকৰদেৱ একাডেমীৰ পৰিচালন সঞ্চালক ড° শৈলেন্দ্ৰ প্ৰসাদ শৰ্মা, প্ৰবক্তা বিপুল শৰ্মাকে ধৰি অনুষ্ঠানত উপস্থিত সকলো অতিথি, বিদ্যানুৰাগী, সমাজসেৱী, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, পৰিয়ালবৰ্গ আৰু সংবাদ মাধ্যমৰ প্ৰতিনিধিসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। ড° দীনমণি ভাগৱতীৰ অৱসৰৰ নৱম বৰ্ষত নৱমখন গ্ৰন্থ প্ৰকাশৰ এই ব্যতিক্ৰমী প্ৰয়াসে নলবাৰীৰ সাহিত্য আৰু বৌদ্ধিক ক্ষেত্ৰত এক বিশেষ চৰ্চাৰ সৃষ্টি কৰিছে। অৱসৰোত্তৰ জীৱনতো জ্ঞানচৰ্চা, শিক্ষকতা আৰু সাহিত্য সাধনাৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ থকা ড° ভাগৱতীৰ এই প্ৰয়াসে সাহিত্য আৰু জ্ঞানচৰ্চাৰ প্ৰতি তেওঁৰ গভীৰ অনুৰাগৰ এক অনন্য নিদৰ্শন দাঙি ধৰিছে।

গহপুৰৰ নগৰৰ চাহু পৰিয়ালৰ ৬০ বিঘা ম্যাদী মাটিৰ নাম-জাৰি কৰ্তন কৰি গগৈ পৰিয়ালৰ নামত নথিভুক্ত কৰাৰ প্ৰসংগঃ

# বিবদমান ভূমিত বৰ্তমানৰ অৱস্থা অবিকল বজাই ৰখাৰ নিৰ্দেশ অসম ৰাজহ ব'ৰ্ড আদালতৰ

**অসম বাৰ্তা, গহপুৰ, ৩১ জুলাই ঃ** বিশ্বনাথ জিলাৰ তদানীন্তন জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেই গহপুৰ নগৰৰ গহপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কুকুৰজান গাঁৱৰ ৰাধেশ্যাম চাহুৰ পৰিয়ালৰ ৬০ বিঘা ১১ লোচা মাটি নিশাৰ ভিতৰতে মালিকী স্বত্ত সলনি কৰি স্থানীয় এটা গগৈ পৰিয়ালৰ নামত গভীৰ ষড়যন্ত্ৰমূলকভাৱে নামজাৰি কৰি দিয়া বিষয়টোক কেন্দ্ৰ কৰি সৃষ্টি হোৱা প্ৰতিক্ৰিয়াৰ পিছত ন্যায়ৰ অপেক্ষাত থকা "চাহু" পৰিয়ালে অসম ৰাজহ ব'ৰ্ডৰ আদালত(গুৱাহাটী)ৰ পৰা অৱশেষত কিছু আইনী সকাহ লাভ কৰিছে। ৰাধেশ্যাম চাহু আৰু তেওঁলোকৰ পৰিয়ালৰ অজ্ঞাতে কুকুৰজান গাঁৱৰ ১০২ নং ম্যাদী পট্টাৰ ৩০৩, ৩০৬, ৩১০, ৩৪৯, ৩৫৩ আৰু ৩৬৫ নং দাগৰ ৬০ বিঘা ১১ লোচা মাটিৰ পট্টাদাৰ ক্ৰমে শিৱচন তেলী, গোপালচন তেলী, গোলাপ চন্দ্ৰ চাহু, কিচন প্ৰসাদ চাহু, বিজয় চাহু, ৰাধেশ্যাম চাহু, ৰবীন চাহু, প্ৰবীণ চাহু, কেচেৰী চাহু আৰু নন্দ চাহুৰ নামজাৰি বাতিল কৰি তাৰ ঠাইত বলিন গগৈ, মিণ্টু গগৈ, দিলীপ গগৈ আৰু বাবুল গগৈৰ নাম নথিভুক্ত কৰাৰ আঁৰৰ কাহিনী ইতিমধ্যে সংবাদ মাধ্যমৰ জৰিয়তে "চাহু" পৰিয়ালে পৰিষ্কাৰ কৰি তুলিছে। উল্লেখযোগ্য যে বিশ্বনাথ জিলাৰ তদানীন্তন আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেই যোৱা ১৪/০৭/২০২৫ তাৰিখে লিপিবদ্ধ কৰি থৈ যোৱা বিএল এছ ১৯/২০২৩/৬০ নম্বৰৰ হুকুমটোৰ জৰিয়তে চাহু পৰিয়ালৰ উক্ত পট্টাদাৰ সকলৰ উক্ত তপশীলৰ নামজাৰি বাতিল কৰি কনধৰ আহোমৰ পুত্ৰ বাবুল গগৈ আৰু কনধৰ আহোমৰ মৃত পুত্ৰ গোপাল গগৈৰ পুত্ৰ বলিন গগৈ, মিণ্টু গগৈ আৰু দিলীপ গগৈৰ নামত নামজাৰি কৰিবলৈ হুকুম জাৰি কৰিছিল। সেই অনুসৰি যোৱা ০৫/০৯/২০২৫ তাৰিখে গহপুৰ ৰাজহ চক্ৰৰ সেই সময়ৰ চক্ৰ বিষয়া মনীষ ভড়ালীয়ে কোনো বাচ বিচাৰ নকৰাকৈ আয়ুক্তগৰাকীৰ হুকুমটো কাৰ্য্যকৰী কৰি চাহু পৰিয়ালক ভূমিহীন কৰি তোলাৰ দৰে অৱস্থাৰ সৃষ্টি কৰে। তদানীন্তন জিলা আয়ুক্ত ঙাটেই চাহু পৰিয়ালক সম্পূৰ্ণৰূপে অন্ধকাৰত ৰাখি উক্ত হুকুম জাৰি কৰাত স্বাভাৱিকতেই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় গহপুৰত। উল্লেখযোগ্য যে-উক্ত হুকুমটো কাৰ্য্যকৰী হোৱাৰ পিছতে গগৈ পৰিয়ালে উক্ত তপশীলৰ ১০২নং পট্টাৰ মুকলি হৈ থকা বিভিন্ন দাগৰ মাটিত যুদ্ধকালীন তৎপৰতাৰে ঘৰ সাজিবলৈ আৰম্ভ কৰাৰ লগতে বহুকেইখন ট্ৰে"ৰ ব্যৱহাৰ কৰি আৰ্থ ফিলিং কৰিবলৈ আৰম্ভ কৰে। উক্ত দাগৰ মাটিত এতিয়ালৈকে কেইবাটাও ঘৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিছে গগৈ পৰিয়ালে। ইপিনে এই অন্যায়ৰ বিৰুদ্ধে ন্যায় বিচাৰি ৰাধেশ্যাম চাহুৰ পৰিয়ালে অসম ৰাজহ ব'ৰ্ডত যোৱা জুন মাহত 22RA(BIS)/2026নম্বৰত এটা গোচৰ ৰুজু কৰিছিল। জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেৰ হুকুমটোৰ বিৰুদ্ধে গোচৰটো ৰুজু কৰে জগদীশ চাহু, ৰাধেশ্যাম চাহু আৰু তেওঁলোকৰ পৰিয়ালৰ পট্টাদাৰ সকলে। অসম ৰাজহ ব'ৰ্ডৰ আদালতত চলা গোচৰটোৰ অন্তত উক্ত তপশীলৰ বিবদমান ভূমিৰ ক্ষেত্ৰত যোৱা ২৩ জুলাইত অসম ৰাজহ ব'ৰ্ডৰ চেয়াৰমেন কে.চি চামৰিয়া(আই এ এছ)ই এক হুকুম জাৰি কৰিছে। কালি চাহু পৰিয়ালে উক্ত হুকুমৰ সত্য প্ৰতিলিপি লাভ কৰাৰ পিছত ভুক্তভোগী পৰিয়ালটোৱে যথেষ্ট সকাহ লাভ কৰিছে। অসম ৰাজহ ব'ৰ্ডৰ আদালত, গুৱাহাটী(গোচৰ নং:-22RA(BIS)/2026)ৰ উক্ত হুকুমটোত কোৱা হয় যে অসম ভূমি আৰু ৰাজহ নিয়মাৱলী আইন(১৮৮৬)ৰ অধীনত ধাৰা ১৪৭ আৰু আৰ ডব্লিউ ধাৰা ১৫১ অনুসৰি জগদীশ চাহুৱে ১৪/০৭/২০২৫ তাৰিখে বিশ্বনাথ জিলাৰ জিলা আয়ুক্তই বিএলএছ নং ১৯/২০২৩/৬০ অনুসৰি জাৰি কৰা হুকুমটোৰ বিৰুদ্ধে ন্যায় বিচাৰি আপিল কৰিছিল। উক্ত আপিলৰ শুনানি গ্ৰহণ কৰাৰ পিছত অসম ৰাজহ ব'ৰ্ডৰ আদালতে দিয়া হুকুমটোত কোৱা হয় যে আপীলখন গ্ৰহণ কৰি ইয়াৰ সময়সীমা সম্পৰ্কীয় বিষয়টো পৰৱৰ্তী সিদ্ধান্তৰ বাবে খোলা ৰখা হ'ল। মূল নথিপত্ৰ তলব কৰিবলৈ আৰু সংশ্লিষ্ট পক্ষক জাননী জাৰি কৰিবলৈ নিৰ্দেশ দিয়া হ'ল। বিবাদাধীন ভূমিৰ ক্ষেত্ৰত আজিৰ তাৰিখত যি অৱস্থা আছে, সেয়া দুয়োপক্ষই পৰৱৰ্তী আদেশ নোহোৱালৈকে অবিকল বজাই ৰাখিব লাগিব বুলি হুকুমটোত স্পষ্ট কৰি দিয়া হয়। অৰ্থাৎ উক্ত তপশীলৰ বিবদমান ভূমিত পৰৱৰ্তী হুকুম নোলোৱা পৰ্যন্ত কোনো এটা পক্ষই এতিয়াৰে পৰা কোনো কাৰ্য্য সম্পাদন কৰিব নোৱাৰিব। গোচৰটোৰ পৰৱৰ্তী শুনানি অহা ২৫ আগষ্ট ধাৰ্য্য কৰা হৈছে। ইপিনে এইক্ষেত্ৰত ৰাধেশ্যাম চাহু আৰু তেওঁলোকৰ পৰিয়ালে জানিবলৈ দি কয় যে-তেওঁৰ বৰদেউতাৰ পুত্ৰ জগদীশ চাহু আৰু অমৃত চাহু, চন্দ্ৰ চাহু আৰু দুৰ্গা চাহুৰ কুকুৰজান গাঁৱৰ ৫১ নং ম্যাদী পট্টাৰ ৩৪৮ নং দাগ(পুৰণি পট্টা নং ৫০, দাগ নং ১৮৮)ৰ ৮ বিঘা শালিতলি মাটিৰ এটা বিবাদ চলি আছিল বিশ্বনাথ জিলা আয়ুক্তৰ কাৰ্য্যালয়ত। সেই অনুসৰি উক্ত বিবাদৰ ২১/০৩/২০২৫ তাৰিখে প্ৰথমটো শুনানী আৰু ২৭/০৬/২০২৫ তাৰিখে দ্বিতীয়টো শুনানী গ্ৰহণ কৰে সেই সময়ৰ তদানীন্তন জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেই। তদুপৰি উক্ত বিবাদৰ তৃতীয়টো শুনানীৰ তাৰিখ আছিল ১৯/০৭/২০২৫। ইয়াৰ মাজতে হেলেম মৌজাৰ বালিগাঁৱৰ এটা খিলঞ্জীয়া গোৰ্খা পৰিয়ালক উচ্ছেদৰ ভাবুকি দি তুমুল বিতৰ্কৰ মাজত সোমাই পৰিবলগীয়া হোৱাৰ বাবে ১৩/০৭/২০২৫ তাৰিখে খৰতকীয়াকৈ ডিমা হাছাওলৈ এক বদলিৰ নিৰ্দেশ আহে মুনীন্দ্ৰ নাথ ঙাটেলৈ। সেই অনুসৰি ১৪/০৭/২০২৫ তাৰিখে বিশ্বনাথ এৰাৰ সময়ত বিবাদ চলি থকা উক্ত গোচৰটোৰ বিষয়ে গোচৰৰ শুনানীৰ অগ্ৰগতিৰ প্ৰতিবেদন প্ৰস্তুত কৰি থৈ যোৱাৰ পৰিবৰ্তে অতি পৰিকল্পিতভাৱে লিখি থৈ যায় কোনোধৰণৰ বিবাদ নথকা উক্ত তপশীল(১০২ নং পট্টা)ৰ বহু বিতৰ্কিত উক্ত হুকুম(বিএল এচ ১৯/২০২৩/৬০)টো। ৰাধেশ্যাম চাহুৱে অতি দৃঢ়তাৰে কয় যে কুকুৰজান গাঁৱৰ ১০২নং ম্যাদী পট্টাৰ ৩০৩, ৩০৬, ৩১০, ৩৪৯, ৩৫৩, ৩৬৫ নং দাগৰ তপশীলৰ মাটিৰ বিবাদৰ সম্পৰ্কে কোনোধৰণৰ শুনানী কিম্বা গোচৰ চলা নাছিল বিশ্বনাথ জিলা আয়ুক্তৰ কাৰ্য্যালয়ত। তেনেক্ষেত্ৰত নিশাৰ ভিতৰতে উক্ত তপশীলৰ নামজাৰি কৰ্তনৰ হুকুম প্ৰস্তুত কৰি ইয়াক কাৰ্য্যকৰী কৰাৰ আঁৰত গভীৰ ষড়যন্ত্ৰ নিহিত থকাৰ কথা স্পষ্ট কৰি তুলিছে। গহপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, বৰপুখুৰী প্ৰাথমিক বিদ্যালয়, গহপুৰ শিৱ মন্দিৰলৈ বিঘাই বিঘাই মাটি দান দি থোৱা ৰাধেশ্যাম চাহুৰ পৰিয়ালটোৰ মাটি নামজাৰি বাতিলৰ উক্ত কাৰ্য্যক সহজভাৱে ল'ব পৰা নাই কোনেও। উল্লেখযোগ্য যে-১৯৭৬ চনত অসম চৰকাৰৰ ৰাজহ বিভাগে দিয়া ভূমি বন্দোবস্তিৰ সময়ত তেতিয়াৰ অবিভক্ত শোণিতপুৰ জিলাৰ জিলা প্ৰাধিকাৰী ও চেটেলমেণ্ট অফিচাৰে উক্ত তপশীলৰ মাটিৰ খেৰাজ ম্যাদী পট্টা(১০২নং) প্ৰদান কৰিছিল চাহু পৰিয়ালক। তদুপৰি ১৯৭৬ চনৰ আগৰ সময়ছোৱাৰ পৰাই উক্ত তপশীলৰ মাটি যে চাহু পৰিয়ালৰ নামত নথিভুক্ত হৈ আছে সেই কথা গহপুৰ সমজিলা কাৰ্য্যালয়ৰ ড্ৰাফ্ট চিঠা জমাবন্দীত লিপিবদ্ধ হৈ আছে। উক্ত তপশীলৰ সবিশেষ তথ্য সদৰ ড্ৰাফ্ট চিটা জমাবন্দীৰ পৰা আৰম্ভ কৰি জৰীপ হোৱা গাঁৱৰ জমাবন্দীলৈকে বংশানুক্ৰম অনুসৰি তেওঁলোকৰ নাম বাহাল থকাৰ উপযুক্ত প্ৰমাণ চৰকাৰী নথিত জলজল পটপট হৈ থকাৰ যাবতীয় নথি পত্ৰ সংবাদ মাধ্যমৰ আগত প্ৰদৰ্শন কৰিছে চাহু পৰিয়ালে। মাটিৰ নামজাৰি কৰ্তনৰ এটা পৰিকল্পিত হুকুমৰ পিছত অযথা হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া হোৱা ভুক্তভোগী পৰিয়ালটোৱে অতি সোনকালে উপযুক্ত ন্যায় আৰু স্থায়ী সমাধান পোৱাৰ কামনা কৰিছে গহপুৰৰ সচেতন ৰাইজে।

সাহিত্য কেৱল ভাষা-চৰ্চা নহয়; সমাজৰ সংকটত জনসাধাৰণৰ কাষত থিয় দিয়াটোও সাহিত্য সভাৰ নৈতিক দায়িত্ব

# তিনিচুকীয়া জিলা সাহিত্য সভাৰ উদ্যোগত শিৱসাগৰ-চৰাইদেউ জিলাৰ বানাক্ৰান্ত লোকলৈ সাহায্য প্ৰদান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৩১ জুলাই ঃ** সমাজৰ প্ৰতি নিজৰ দায়বদ্ধতা পালন কৰাৰ মানসেৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ উদ্যোগত আৰু শাখা সভাসমূহৰ সহযোগত যোৱা ৩০ জুলাইত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ মৰাণ গাঁও, চুমনি গাঁও, অভয়াপুৰী, নাজিৰা, শিমলুগুৰিকে ধৰি বহুকেইটা বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰি দুৰ্যোগত ক্ষতিগ্ৰস্ত লোকসকলৰ মাজত অত্যাৱশ্যকীয় সাহায্য সামগ্ৰী বিতৰণ কৰা হয়। জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়া আৰু জিলা সম্পাদক অৰূপ কুমাৰ চাংমাইৰ উদ্যোগত জিলা সমিতিৰ বিষয়ববীয়া, বিভিন্ন শাখা সাহিত্য সভা আৰু শুভাকাংক্ষীসকলৰ সহযোগিতাত সংগৃহীত চাউল, দাইল, আলু, বিস্কুট, খোৱাপানী, নেপকিন, ফিনাইল, ব্লিচিং পাউদাৰ, কাপোৰ-কানি, ঔষধপাতিকে ধৰি বিভিন্ন অত্যাৱশ্যকীয় সামগ্ৰী ৩০০ৰো অধিক বানপীড়িত পৰিয়ালৰ হাতত অৰ্পণ কৰা হয়। এই উপলক্ষে শিৱসাগৰৰ অভয়াপুৰীত বানৰ সময়ত একেটা পৰিয়ালৰ চাৰি সদস্যৰ মৃত্যুত শোকস্তব্ধ পৰিয়ালৰ জীৱিত সদস্য ৰোহিনী দুৱৰাক সাক্ষাৎ কৰি প্ৰতিনিধি দলটোৱে গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে বানত মৃত্যুবৰণ কৰা লোকসকলৰ আত্মাৰ সদ্‌গতি কামনা কৰে। সভাপতি লম্বেশ্বৰ চেতিয়াই কয়, "সাহিত্য কেৱল ভাষা-চৰ্চাতে সীমাবদ্ধ নহয়; সমাজৰ দুখ-দুৰ্দশাৰ সময়ত জনসাধাৰণৰ কাষত থিয় দিয়াটোও সাহিত্য সভাৰ নৈতিক দায়িত্ব।" তেওঁ আগন্তুক দিনতো এনে সমাজমুখী আৰু জনকল্যাণমূলক কাৰ্যসূচী অব্যাহত ৰখাৰ কথা উল্লেখ কৰে। সাহায্য বিতৰণ কাৰ্যসূচীত অসম সাহিত্য সভাৰ প্ৰচাৰ বিভাগৰ উপ-সভাপতি পুলক কুমাৰ গগৈ, তিনিচুকীয়া জিলা সাহিত্য সভাৰ সহ-সম্পাদক মনজিত ৰাজখোৱা, অনন্ত চেতিয়া, জিলা কাৰ্যনিৰ্বাহক সদস্য মদন দত্ত, ৰাজেশ সিং, প্ৰচাৰ বিভাগৰ আহ্বায়ক বিপুল দত্ত, মাকুম শতদল শাখা সাহিত্য সভাৰ সভাপতি সৌমিত্ৰ গগৈ, সম্পাদক দিগন্ত দাস, পানীতোলা স্বৰ্ণ শাখা সাহিত্য সভাৰ সম্পাদক দুৰ্জয় লোচন চেতিয়াৰ লগতে বহু সংখ্যক সাহিত্যপ্ৰেমী আৰু স্বেচ্ছাসেৱকে অংশগ্ৰহণ কৰি কাৰ্যসূচী সফল কৰি তোলে।

আন ছাত্ৰৰ বাবে আদৰ্শৰ প্ৰতীক মন্তব্য অধ্যক্ষ অৰ্জুন বৰ্মনৰ

# ৰাষ্ট্ৰীয় পৰ্যায়ত চিদলী-চিৰাং আদৰ্শ বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিলে ছাত্ৰ আশিস চেত্ৰীয়ে

**অসম বাৰ্তা, বাসুগাঁও, ৩১ জুলাই** ঃ ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ PRERNA — Batch 14 নামৰ ৰাষ্ট্ৰীয় অভিজ্ঞতামূলক শিক্ষা কাৰ্যসূচীত চিৰাং জিলাক প্ৰতিনিধিত্ব কৰি নিৰ্বাচিত হয় জিলা খনৰ চিদলী-চিৰাং আদৰ্শ বিদ্যালয়ৰ ছাত্ৰ আশিস চেত্ৰী। ৫ৰ পৰা ১১ জুলাই তাৰিখলৈ গুজৰাটৰ ভাডনগৰত অনুষ্ঠিত কাৰ্যসূচীত সফলতাৰে সম্পূৰ্ণ কৰি বিদ্যালয় খনৰ লগতে অঞ্চলটিলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয় ছাত্ৰ গৰাকী। কমিউনিটি ফেষ্টিভেল প্ৰতিযোগিতাৰ তাৎক্ষণিক বক্তৃতা (Extempore Speech) প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে ছাত্ৰ গৰাকী। - CBSE Reading Challenge 2025—26 (English)-ত উৎকৃষ্ট প্ৰদৰ্শনৰ বাবে প্ৰমাণপত্ৰ লাভ কৰে। উল্লেখযোগ্য যে বিষ্ণু ৰাভা দিৱস ২০২৫—২৬ উপলক্ষে অনুষ্ঠিত জিলা পৰ্যায়ৰ কুইজ প্ৰতিযোগিতাত দলীয় সদস্য হিচাপে দ্বিতীয় পুৰস্কাৰ লাভ কৰে। উল্লেখযোগ্য যে ২০১১ চনৰ ১ চেপ্তেম্বৰত জন্ম গ্ৰহণ কৰা আশিস চেত্ৰীৰ ঘৰ দোলোগাঁও বিদ্যালয়ৰ পৰা পাঁচ কিলোমিটাৰ আঁতৰৰ গৰুভাষা অঞ্চলৰ জুইলাগা নামৰ গাঁৱৰ এক দুখীয়া পৰিয়ালত জন্মগ্ৰহণ কৰে। পিতৃ গোপাল চেত্ৰী আৰু মাতৃ ঝুমা দেৱী চেত্ৰী। আশিস চেত্ৰীয়ে শিক্ষাগত ক্ষেত্ৰ, নেতৃত্ব, যোগাযোগ দক্ষতা আৰু সহ-পাঠ্যক্ৰমীয় কাৰ্যকলাপত ধাৰাবাহিকভাৱে উৎকৃষ্টতা প্ৰদৰ্শন কৰি আহিছে। সন্মানীয় PRERNA কাৰ্যসূচীৰ বাবে তেওঁৰ নিৰ্বাচন আৰু জিলা তথা ৰাষ্ট্ৰীয় পৰ্যায়ত লাভ কৰা সাফল্যসমূহে তেওঁৰ নিষ্ঠা আৰু যোগ্যতাৰ পৰিচয় বহন কৰে। তেওঁ আন ছাত্ৰ-ছাত্ৰীৰ বাবে এক আদৰ্শ। এইবুলি মতব্যক্ত কৰে বিদ্যালয় খনৰ অধ্যক্ষ অৰ্জুন বৰ্মনে। উল্লেখযোগ্য যে ২০২৫ বৰ্ষৰ ১৪ নভেম্বৰত FDDI আৰু CBSE ৰ যৌথ উদ্যোগত অনুষ্ঠিত FDDI National Design Competition-2025 Regional Level ত বিদ্যালয়ৰ শিক্ষাৰ্থী সকল উৎকৃষ্ট সাফল্য অৰ্জন কৰিছে। Local craft ও Materials ত নৱম শ্ৰেণীৰ ছাত্ৰী স্বৰ্জি গয়াৰী আৰু সুপ্ৰিয়া নাৰ্জাৰী প্ৰথম স্থান লাভ কৰাৰ লগতে Sustainability & circularity ত সুমি বসুমতাৰী, সঙ্গীতা বসুমতাৰী, মৌচুমী নাৰ্জাৰী আৰু আজমিনা পাৰবীন প্ৰথম স্থান লাভ কৰি বিদ্যালয় খনলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয়। Essay ও Article writing ত শ্ৰীজানা গৌতমে খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়।

## ক্ৰীড়া ক্ষেত্ৰলৈ ৫ বছৰত ৩৬, ৪৪১

খেলুৱৈসকলক চিনাক্ত কৰি পদ্ধতিগত প্ৰশিক্ষণৰ জৰিয়তে তেওঁলোকক আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ খেলুৱৈ হিচাপে গঢ়ি তোলা। ভাৰতে ২০৩০ চনৰ কমনৱেলথ গেমছ আৰু ২০৩৬ চনৰ অলিম্পিক গেমছ আয়োজন কৰাৰ লক্ষ্য আগত ৰাখিয়েই এই বৃহৎ বিনিয়োগৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ লগতে অহা ৫ বছৰৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়া সন্থাসমূহলৈ ৭, ৩৮৭ কোটি টকা সাহায্য বাবদ বাজেট নিৰ্ধাৰণ কৰা হৈছে। ২০২৬-২৭ বৰ্ষৰ বাবে সন্থাসমূহলৈ পূৰ্বতে দিয়া সাহায্য আছিল মাত্ৰ ৪২৫ কোটি টকা। নতুনকৈ অনুমোদিত এই ব্যয় পূৰ্বৰ তুলনাত বহুগুণে বৃদ্ধি পোৱা বুলি চৰকাৰী বিবৃতিত উল্লেখ কৰা হৈছে। চৰকাৰৰ বিবৃতি অনুসৰি, "অনুমোদিত ব্যয় পূৰ্বৰ খেলো ইণ্ডিয়া আঁচনিৰ তুলনাত প্ৰায় আঠগুণ। এই বিনিয়োগে ক্ৰীড়াক যুৱ বিকাশ, ৰাষ্ট্ৰ নিৰ্মাণ আৰু ভাৰতক বিশ্বব্যাপী ক্ৰীড়া শক্তি হিচাপে উত্থানৰ এক গুৰুত্বপূৰ্ণ আহিলা হিচাপে গঢ়ি তোলাৰ লক্ষ্য আগত ৰাখিছে।" বিদ্যালয় পৰ্যায়ত ক্ৰীড়া পৰিৱেশ অধিক শক্তিশালী কৰিবলৈ চৰকাৰে দুটা নতুন পদক্ষেপ আৰম্ভ কৰিছে- খেলো ইণ্ডিয়া ফিডাৰ স্কুল (কে আই এফ এছ) আৰু খেলো ইণ্ডিয়া উৎকৃষ্ট বিদ্যালয় (কে আই ইউ ভিগ্ন। এই পদক্ষেপসমূহে "ক্ৰীড়াক মূলসুঁতিৰ শিক্ষাৰ সৈতে একত্ৰিত কৰিব আৰু প্ৰতিভাৱান শিশুসকলক প্ৰাথমিক অৱস্থাতে চিনাক্ত কৰি পদ্ধতিগতভাৱে গঢ়ি তোলাত সহায় কৰিব।" ২০২৬-৩১ বৰ্ষৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়া সন্থা (এএনএছএফ) আঁচনিখনে ভাৰতীয় খেলুৱৈ আৰু দলসমূহক প্ৰশিক্ষক, ক্ৰীড়া বিজ্ঞান, আধুনিক সঁজুলি, প্ৰশিক্ষণ শিবিৰ, বিদেশী বিশেষজ্ঞ নিয়োগ আৰু বৃহৎ আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে পুঁজিৰ যোগান ধৰিব। লগতে এই আঁচনিয়ে গ্ল'বেল চাউথৰ দেশসমূহৰ সৈতে ক্ৰীড়া সহযোগিতা বৃদ্ধি আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতৰ থলুৱা ক্ৰীড় প্ৰচাৰত সহায় কৰিব। চৰকাৰী বিবৃতিত উল্লেখ কৰা মতে, "শান্তি, অন্তৰ্ভুক্তি আৰু সম্প্ৰদায় উন্নয়নৰ আহিলা হিচাপে মহিলা খেলুৱৈ, পেৰা-এথলীট, থলুৱা ক্ৰীড়া আৰু ক্ৰীড়াৰ সুযোগ সম্প্ৰসাৰণৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে।" লগতে এই আঁচনিখনে ৰাষ্ট্ৰীয় খেল আয়োজন আৰু ভাৰতত বৃহৎ আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া অনুষ্ঠানসমূহ সফলভাৱে আয়োজন কৰাতো সহায় আগবঢ়াব। আঁচনিখনে এক ঐক্যবদ্ধ ডিজিটেল ক্ৰীড়া মঞ্চৰ কল্পনাও আগবঢ়াইছে, য'ত খেলুৱৈৰ ডাটাবেছ, আন্তঃগাঁথনি, প্ৰতিযোগিতা, প্ৰশিক্ষক সম্পদ, প্ৰতিভাৰ মূল্যায়ন, পুঁজি আৰু ফিট ইণ্ডিয়াৰ অংশগ্ৰহণ একত্ৰিত কৰা হ'ব। এই ডিজিটেল উদ্যোগে ক্ৰীড়া পৰিচালনাত স্বচ্ছতা আৰু দক্ষতা বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। চৰকাৰৰ এই বৃহৎ ঘোষণাই ক্ৰীড়া মহলত ইতিবাচক সঁহাৰি লাভ কৰিছে আৰু অহা কেইবছৰমানত ভাৰতীয় ক্ৰীড়াৰ মুখাৱয়ব সম্পূৰ্ণৰূপে সলনি হোৱাৰ সম্ভাৱনা প্ৰবল হৈ পৰিছে।

## ২ আগষ্টৰ পৰা ডিমা-

সম্ভাৱনা প্ৰবল হৈ পৰিছে। শুকুৰবাৰে জিলা আয়ুক্ত গায়ত্ৰী দেৱীদাস হাইলিঙে হাফলংস্থিত জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন সংবাদমেল সম্বোধন কৰি ডিমা হাছাও জিলাৰ লোকপিয়ল সম্পৰ্কীয় গুৰুত্বপূৰ্ণ তথ্য সদৰি কৰে। তেওঁ জনায় যে, চ আগষ্টৰ পৰা ডিমা হাছাও জিলাতো লোকপিয়ল ২০২৭ৰ প্ৰথম পৰ্যায়ৰ গৃহ তালিকাভুক্তিকৰণ আৰু গৃহ-সম্পৰ্কীয় তথ্য সংগ্ৰহৰ কাম আৰম্ভ হ'ব। এই কাৰ্য ১৬ আগষ্টলৈ চলি থাকিব। প্ৰথম পৰ্যায়ত প্ৰতিটো গৃহ, বাসগৃহৰ অৱস্থা, উপলব্ধ সুবিধা আৰু অন্যান্য মৌলিক তথ্য সংগ্ৰহ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত ২০২৭ চনৰ ফেব্ৰুৱাৰী মাহত জনসংখ্যা গণনাৰ কাম সম্পন্ন কৰা হ'ব। জিলা আয়ুক্তগৰাকীয়ে কয় যে, এই পৰ্যায়ত প্ৰতিজন ব্যক্তিৰ সামাজিক, শৈক্ষিক, অৰ্থনৈতিক আৰু জনভিত্তিক তথ্য সংগ্ৰহ কৰা হ'ব, যিয়ে ভৱিষ্যতৰ উন্নয়নমূলক পৰিকল্পনা আৰু নীতি নিৰ্ধাৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এইবাৰ জনগণনাৰ এক বিশেষ বৈশিষ্ট্য হৈছে স্ব-গণনা ব্যৱস্থা। নাগৰিকসকলে চ আগষ্টৰ পৰা ১৬ আগষ্ট, ২০২৬লৈ অনলাইন প্লেটফৰ্মৰ জৰিয়তে নিজেই নিজৰ পৰিয়ালৰ তথ্য পূৰণ কৰিব পাৰিব। জিলা আয়ুক্তগৰাকীয়ে আশা প্ৰকাশ কৰে যে, এই ব্যৱস্থাৰ ফলত নাগৰিকৰ অংশগ্ৰহণ বৃদ্ধি পোৱাৰ লগতে তথ্য সংগ্ৰহৰ প্ৰক্ৰিয়া অধিক সহজ আৰু সময়সাপেক্ষ হ'ব। জিলা প্ৰশাসনে সকলো নাগৰিকক জনগণনাৰ কামত সম্পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে। লগতে তথ্য প্ৰদানৰ সময়ত সঠিক আৰু সম্পূৰ্ণ তথ্য দাখিল কৰিবলৈ অনুৰোধ জনোৱা হৈছে, যাতে জনগণনাৰ ফলাফল বাস্তৱসন্মত আৰু নিৰ্ভুল হয়। উল্লেখযোগ্য যে, জনগণনাৰ তথ্য দেশৰ জনসংখ্যাগত পৰিৱৰ্তন বিশ্লেষণ, উন্নয়নমূলক আঁচনি প্ৰস্তুত কৰা, সম্পদ বণ্টন, শিক্ষা, স্বাস্থ্য, পৰিবহণ, গৃহ নিৰ্মাণ আদি বিভিন্ন ক্ষেত্ৰত চৰকাৰৰ নীতি নিৰ্ধাৰণৰ এক অন্যতম ভিত্তি হিচাপে ব্যৱহৃত হয়। গতিকে এই গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় কাৰ্যসূচীত ৰাইজৰ সক্ৰিয় অংশগ্ৰহণ অত্যন্ত জৰুৰী বুলি জিলা প্ৰশাসনে সদৰি কৰিছে।

## সম্পাদকীয়

# বিতৰ্কৰ মাজত গৃহীত জন্ম-মৃত্যু পঞ্জীয়ন বিধেয়ক ২০২৬

লোকসভাত বিতৰ্কবিহীনভাৱে জন্ম-মৃত্যু পঞ্জীয়ন বিধেয়ক ২০২৬ গৃহীত হোৱা বুলি শুনিলে এনে লাগিব পাৰে যে দেশৰ সংসদত সৰ্বসন্মতিক্ৰমে এখন গুৰুত্বপূৰ্ণ আইন উত্থাপন হৈছে। কিন্তু বাস্তৱতা সম্পূৰ্ণ বিপৰীত। বিৰোধী দলসমূহৰ তীব্ৰ প্ৰতিবাদ আৰু সদনত শ্লোগানৰ মাজতে ধ্বনি ভোটৰ জৰিয়তে এই বিধেয়ক গৃহীত কৰা হৈছে। বিধেয়কখনৰ ওপৰত কোনো ধৰণৰ আলোচনা নহ'ল। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে এই পৰিস্থিতিক 'দুৰ্ভাগ্যজনক' বুলি অভিহিত কৰিলেও, চৰকাৰে বিধেয়কখন গৃহীত কৰোৱাত কোনো কুণ্ঠা প্ৰকাশ নকৰে। এনে পৰিস্থিতিয়ে সংসদীয় গণতান্ত্ৰিক পদ্ধতিৰ ওপৰত গুৰুতৰ প্ৰশ্ন তুলিছে।

১৯৬৯ চনৰ জন্ম-মৃত্যু পঞ্জীয়ন আইন সংশোধন কৰি অনা এই বিধেয়কখনৰ মূল লক্ষ্য হৈছে জন্ম আৰু মৃত্যুৰ পঞ্জীয়ন পদ্ধতিত অধিক কঠোৰতা অনা। চৰকাৰৰ মতে, এই সংশোধনীৰ জৰিয়তে নাগৰিকসকলক ২১ দিনৰ নিৰ্ধাৰিত সময়সীমাৰ ভিতৰতে জন্ম-মৃত্যুৰ পঞ্জীয়ন কৰিবলৈ উৎসাহিত কৰা হ'ব। ইয়াৰ লগতে, বিধেয়কখনে জন্ম-মৃত্যুৰ ৰেকৰ্ডসমূহ কেন্দ্ৰীয় ডিজিটেল ডাটাবেছৰ সৈতে সংযুক্ত কৰাৰ ব্যৱস্থা কৰিছে, যাৰ ফলত দেশৰ যিকোনো প্ৰান্তৰ তথ্য অনলাইনত উপলব্ধ হ'ব। এই ডাটাবেছ ভোটাৰ তালিকা, ৰেচন কাৰ্ড, পাছপৰ্ট আদিৰ সৈতে সংযোগ কৰি এটা সুসংহত পৰিচয় ব্যৱস্থা গঢ়ি তোলাৰ পৰিকল্পনা চৰকাৰৰ।

বিধেয়কখনৰ আটাইতকৈ বিতৰ্কিত দিশটো হৈছে পলমকৈ পঞ্জীয়ন কৰাৰ ক্ষেত্ৰত কঠোৰীকৰণ। বৰ্তমানৰ আইন অনুসৰি, পলম হ'লে জিলা দণ্ডাধীশ বা কাৰ্যবাহী মাজিষ্ট্ৰেটৰ অনুমতি ল'ব লাগে। কিন্তু নতুন বিধেয়ক অনুসৰি, যদি জন্ম বা মৃত্যুৰ পঞ্জীয়ন ঘটনাটো ঘটাৰ দুবছৰৰ পিছত কৰা হয়, তেন্তে প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশৰ আদেশ বাধ্যতামূলক কৰা হৈছে। অৰ্থাৎ, ক্ষমতা কাৰ্যবাহীৰ পৰা ন্যায়পালিকালৈ স্থানান্তৰিত কৰা হৈছে। চৰকাৰৰ মতে, এই পদক্ষেপে ভুৱা পঞ্জীয়ন ৰোধ কৰিব। কিন্তু সমালোচকসকলে কয় যে, এই কঠোৰ নিয়মে গ্ৰাম্য অঞ্চলৰ দৰিদ্ৰ আৰু অশিক্ষিত লোকসকলক অধিক অসুবিধাত পেলাব। তেওঁলোকে ন্যায়িক প্ৰক্ৰিয়া সম্পন্ন কৰাটো অত্যন্ত কষ্টসাধ্য বুলি গণ্য কৰে।

বিৰোধী দলসমূহে বিধেয়কখনৰ বিষয়বস্তুৰ বিৰুদ্ধে নহয়, বৰঞ্চ ইয়াক গৃহীত কৰাৰ পদ্ধতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছে। তেওঁলোকৰ দাবী আছিল যে গৃহমন্ত্ৰী অমিত শ্বাহ সদনত উপস্থিত থকা অৱস্থাতহে বিধেয়কখনৰ ওপৰত আলোচনা হোৱা উচিত। কিন্তু তেওঁ অনুপস্থিত। অসমৰ দৰে ৰাজ্যত, য'ত বানপানী, ভূমিস্খলন আদি প্ৰাকৃতিক দুৰ্যোগে প্ৰায়ে স্বাভাৱিক জীৱন-যাপনত বিঘিনি ঘটায়, তেনে পৰিস্থিতিত সময়মতে জন্ম-মৃত্যু পঞ্জীয়ন কৰাটো সদায় সম্ভৱ নহয়। দুবছৰীয়া সময়সীমা অতিক্ৰম কৰিলে ন্যায়িক দণ্ডাধীশৰ ওচৰলৈ যোৱাটো দূৰৈৰ গ্ৰামাঞ্চলৰ বাসিন্দাৰ বাবে এক প্ৰত্যাহ্বান হ'ব পাৰে। চৰকাৰে এই বিশেষ পৰিস্থিতিসমূহৰ কথা বিবেচনা কৰি কিছু শিথিলীকৰণৰ ব্যৱস্থা ৰাখিব পাৰিলেহেঁতেন। লগতে, অসমত পঞ্জীয়ন ব্যৱস্থা ইতিমধ্যে ডিজিটেল পদ্ধতিলৈ স্থানান্তৰিত হৈ আছে, কিন্তু ইণ্টাৰনেট সুবিধা সীমিত থকা অঞ্চলবোৰত এই ডিজিটেল ডাটাবেছ সুবিধা কিমানদূৰ কামত আহিব, সেয়া চিন্তাৰ বিষয়।

জন্ম-মৃত্যু পঞ্জীয়ন এটা অত্যন্ত গুৰুত্বপূৰ্ণ প্ৰশাসনিক কাৰ্য্য। ইয়াৰ জৰিয়তে নাগৰিকৰ পৰিচয়, ভোটাৰ তালিকা, ৰেচন কাৰ্ড, শিক্ষা, চাকৰি আদি বহুতো মৌলিক সুবিধা নিৰ্ধাৰিত হয়। গতিকে, এই পঞ্জীয়ন পদ্ধতি নিৰ্ভৰযোগ্য আৰু সুসংহত কৰাটো বাঞ্ছনীয়। কিন্তু সেই প্ৰক্ৰিয়াত সাধাৰণ নাগৰিক যাতে অসুবিধাৰ সন্মুখীন নহয়, তাৰ প্ৰতি সজাগ দৃষ্টি ৰখা উচিত। আলোচনা আৰু বিতৰ্কৰ জৰিয়তে বিধেয়কখনক অধিক যুগুত কৰি তোলাৰ সুযোগ চৰকাৰে হেৰুৱাই পেলালে। সংসদীয় গণতান্ত্ৰিক পদ্ধতিৰ মৌলিক নীতি হ'ল মুক্ত আলোচনা। সেই নীতি অক্ষুণ্ণ ৰাখি চৰকাৰ আৰু বিৰোধী উভয়ে দেশ আৰু জনতাৰ হিতত একেলগে কাম কৰাটোৱেই হ'ব প্ৰকৃত গণতান্ত্ৰিক মূল্যবোধ।

# ডাৱৰ বিস্ফোৰণ, বানপানী আৰু সেউজীয়া পৰিৱেশ

**দিগন্ত বাইলুং**



*বানপানীৰ পৰা পৰিত্ৰাণ পাবলৈ শিক্ষানুষ্ঠানৰ পাঠ্যক্ৰমৰ সূচীপত্ৰত এনে সচেতনতামূলক অধ্যায় সংযোজন কৰিব লাগিব। প্লাৱিত এলেকাৰ বানপিড়ীত লোকৰ উদ্ধাৰ ব্যৱস্থা শক্তিশালী কৰি ক্ষয়-ক্ষতি যথেষ্ট পৰিমাণে হ্ৰাস কৰিব লাগিব। নাগালেণ্ডত সংঘটিত ডাৱৰ বিস্ফোৰণৰ প্ৰভাৱ কেৱল সেই ৰাজ্যতে সীমাবদ্ধ নাথাকে, ইয়াৰ প্ৰতিক্ৰিয়া অসমলৈ বিস্তাৰিত হয়। সেয়ে আন্তঃৰাজ্যিক সহযোগিতা, বৈজ্ঞানিক দীৰ্ঘম্যাদী পৰিকল্পনা আৰু পৰিৱেশ সংৰক্ষণৰ জৰিয়তে এনে দুৰ্যোগৰ ক্ষতি হ্ৰাস কৰা সম্ভৱ। বিশ্বায়নৰ যুগত আমি সভ্য সমাজে পাৰিপাৰ্শ্বিক পৰিৱেশ প্ৰদুষিত কৰি সেউজীয়া ধৰণীক ধ্বংসৰ কৰালগ্ৰাহলৈ ঠেলি দিবলৈ গৈ আছো। চৰকাৰী আৰু বেচৰকাৰী উমৈহতীয়া প্ৰচেষ্টাৰে বন উজাৰ বন্ধ কৰিব লাগিব। ক্ষুদ্ৰ স্বাৰ্থ পৰিহাৰ কৰি ব্যাপক বনানীকৰণ, প্ৰাকৃতিক সম্পদ সংৰক্ষণ আৰু পাৰিপাৰ্শ্বিক পৰিৱেশৰ অনুকূল উন্নয়নৰ বাবে দীৰ্ঘম্যাদী পৰিকল্পনা গ্ৰহণ সময়ৰ আহ্বান, একান্তই প্ৰয়োজন আৰু গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে।*

জনসংখ্যা বৃদ্ধি, উদ্যোগীকৰণৰ প্ৰভাৱ আৰু বনাঞ্চল ধ্বংসৰ ফলস্বৰূপে সেউজীয়া ধৰণীত জলবায়ুৰ ব্যাপক পৰিৱৰ্তন হোৱা দেখা গৈছে। বৰ্তমান সময়ত প্ৰাকৃতিক দুৰ্যোগৰ সংখ্যা আৰু তীব্ৰতা ক্ৰমশঃ বৃদ্ধি পাবলৈ ধৰিছে। বিশেষকৈ ডাৱৰ বিস্ফোৰণ (Cloudburst), আকস্মিক বানপানী আৰু ভূমিস্খলনৰ দৰে প্ৰাকৃতিক দুৰ্যোগে মানৱ সমাজ, জীৱবৈচিত্ৰ্য আৰু কৃষি ব্যৱস্থাত গুৰুত্বৰ প্ৰভাৱ পেলোৱা পৰিলক্ষিত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ অৰ্থনৈতিক দিশত অকল্পনীয় প্ৰভাৱ বাৰুকৈয়ে পৰিছে। উত্তৰ পূৰ্বাঞ্চলৰ পাহাৰীয়া অঞ্চলৰ পৰা সমতল অঞ্চললৈকে এনে প্ৰাকৃতিক দুৰ্যোগে জনসাধাৰণৰ জীৱন, জীৱিকা আৰু সম্পত্তি নিমিষতে আলৈ আথানি কৰি তোলে। বাস্তৱ ক্ষেত্ৰত বনানীকৰণ কেৱল শ্লোগান হিচাপে পৰিণত হৈ থাকিলে অনাকাংক্ষিত পৰিস্থিতি উদ্ভৱ হৈ থকাটো স্বাভাৱিক। বনানীকৰণ প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণৰ এক কাৰ্যসূচী যেন লাগিলেও ই হৈছে প্ৰাকৃতিক দুৰ্যোগৰ ক্ষতি হ্ৰাস কৰাৰ এক শক্তিশালী আৰু দীৰ্ঘম্যাদী উপায়।

ডাৱৰ বিস্ফোৰণ হৈছে অতি কম সময়ৰ ভিতৰত কোনো এক ভৌগোলিক এলেকাত অস্বাভাৱিক ভাৱে প্ৰচুৰ পৰিমাণৰ বৰষুণ হোৱা এক প্ৰাকৃতিক ঘটনা। সাধাৰণতে গাঢ় ডাৱৰত সঞ্চিত জলীয় বাষ্প হঠাত তীব্ৰ ৰূপ ধাৰণ কৰি বৰষুণ হৈ পৃথিৱী পৃষ্ঠলৈ নামি আহে, ইয়াৰ ফলস্বৰূপে কেইমিনিট বা কেইঘণ্টামানৰ ভিতৰতেই বিশেষ অঞ্চলটোত ভয়ংকৰ বানপানীৰ সৃষ্টি হয় আৰু ইয়াৰ প্ৰভাৱ নিকটৱৰ্তী সমতললৈ বিস্তাৰিত হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত নৈ-জান, খাল-বিল ফেনে ফুটুকাৰে উপচি পৰে। ডাৱৰ বিস্ফোৰণৰ ফলশ্ৰুতিত পাহাৰিয়া অঞ্চলত ভূমিস্খলন হোৱাৰ পৰিপ্ৰেক্ষিতত জনজীৱন ব্যাহত হৈ পৰে। গত কেইটামান বছৰ আমাৰ দেশৰ হিমালয় অঞ্চলৰ লগতে উত্তৰ-পূৰ্বাঞ্চলত এনে ঘটনা বৃদ্ধি পাবলৈ উপক্ৰম কৰিছে। বানপানী অসমৰ দৰে নদীমাতৃক ৰাজ্যৰ এক চিৰপৰিচিত সমস্যা। প্ৰচুৰ বৰষুণে নদ-নদী উফন্দি উঠে। পাহাৰৰ পৰা নামি অহা পানীৰ সোঁতত জনসাধাৰণৰ কুলাই পাচিৰে নধৰা হয়। ৰাজ্যত জলনিকাশ ব্যৱস্থাৰ দুৰ্বলতাৰ ফলস্বৰূপে বানপানীৰ সৃষ্টি হয়। এনে বানপানীয়ে কৃষিভূমি, ঘৰ-বাৰী, পথ-দলং, শিক্ষানুষ্ঠান, চিকিৎসালয় আদি ধ্বংস কৰাৰ উপৰি বিশুদ্ধ খোৱাপানীৰ অভাৱ, খাদ্য সংকট আৰু বিভিন্ন ৰোগৰ বিস্তাৰ ঘটায়। বহু পৰিয়ালে নিজৰ বাসস্থান এৰি আশ্ৰয় শিবিৰত দিন কটাবলগীয়া হয়। মানুহৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনত সুদূৰপ্ৰসাৰী নেতিবাচক প্ৰভাৱ পৰে। ডাৱৰ বিস্ফোৰণ আৰু বানপানীৰ তীব্ৰতা বৃদ্ধি পোৱাৰ অন্যতম কাৰণ হৈছে বন উজাৰ। যেতিয়া বৃহৎ পৰিমাণে গছ কাটি বনাঞ্চল ধ্বংস কৰা হয়, তেতিয়া মাটিৰ পানী শোষণ ক্ষমতা হ্ৰাস পায়। গছৰ শিপাই সাধাৰণতে মাটিক দৃঢ় কৰি ৰাখে আৰু বৰষুণৰ পানী ধীৰে ধীৰে মাটিৰ ভিতৰলৈ সোমাবলৈ সহায় কৰে। কিন্তু বন ধ্বংস হ'লে বৰষুণৰ পানী দ্ৰুতগতিত নৈ-জানলৈ নামি আহে। এনে কাৰণতেই আকস্মিক বানপানী আৰু ভূমিস্খলন বহুগুণে বৃদ্ধি পাইছে। ইয়াৰ উপৰিও বন উজাৰে বায়ুমণ্ডলত কাৰ্বন ডাইঅ'ইডৰ পৰিমাণ বৃদ্ধি কৰি বিশ্ব উষ্ণায়নকো ত্বৰান্বিত কৰে। এই সমস্যা আশুসমাধানৰ বাবে বনানীকৰণৰ বাদে গত্যন্তৰ নাই। বৃক্ষৰোপণ কৰি বনাঞ্চল সৃষ্টি কৰা বা ধ্বংসপ্ৰাপ্ত বনাঞ্চল পুনৰুদ্ধাৰ কৰাটো সময়ৰ আহ্বান হিচাপে বিবেচিত হৈছে। গছ-গছনীয়ে বৰষুণৰ পানী শোষণ কৰে, মাটিৰ ক্ষয় ৰোধ কৰে, ভূগৰ্ভস্থ পানীৰ পৰিমাণ বৃদ্ধি কৰে আৰু নৈ-জানত হঠাতে অধিক পানী প্ৰৱাহিত হোৱাত কিছু পৰিমাণে নিয়ন্ত্ৰণ কৰাত সহায় কৰে। তদুপৰি বনাঞ্চলে বায়ুমণ্ডলৰ কাৰ্বন ডাই অ'ইড শোষণ কৰি অক্সিজেন যোগান ধৰে। জলবায়ুৰ ভাৰসাম্য ৰক্ষা কৰে আৰু জীৱবৈচিত্ৰ্য সংৰক্ষণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

অসমৰ দৰে ৰাজ্যত বনানীকৰণৰ বিশেষ প্ৰয়োজন আছে। ব্ৰহ্মপুত্ৰ আৰু বৰাক অৱবাহিকাৰ বহু অঞ্চল বছৰি বানপানীৰ কবলত পৰে। পাহাৰীয়া অঞ্চলত বন সংৰক্ষণ আৰু বৃহৎ পৰিসৰত গছপুলি ৰোপণ কৰা হ'লে মাটিৰ ক্ষয় কমিব, নদীত পলস জমা হ্ৰাস পাব আৰু বানপানীৰ তীব্ৰতাও কিছু পৰিমাণে নিয়ন্ত্ৰণ কৰিব পৰা যাব। চৰকাৰৰ লগতে স্থানীয় জনসাধাৰণ, স্বেচ্ছাসেৱী সংগঠন আৰু অন্যান্য সামাজিক অনুষ্ঠান সমূহে উমৈহতীয়াভাৱে বনাঞ্চল সংৰক্ষণ আৰু বনানীকৰণৰ কাৰ্যসূচী ৰূপায়ণ কৰাটো সাম্প্ৰতিক সময়ৰ গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। ইয়াৰ আশু সমাধানৰ বাবে অৱশ্যে কেৱল বনানীকৰণেই যথেষ্ট নহয়। চহৰে-নগৰে, গাঁৱে-ভূঞে জলনিকাশ ব্যৱস্থাৰ ব্যাপক উন্নয়ন, নদী সংৰক্ষণ, পাহাৰ কটা নিয়ন্ত্ৰণ, জলাশয় সংৰক্ষণ, আগতীয়া সতৰ্কীকৰণ ব্যৱস্থাৰে জনসচেতনতা বৃদ্ধি কৰি ডাৱৰ বিস্ফোৰণ আৰু বানপানীৰ ক্ষতি বহু পৰিমাণে হ্ৰাস কৰিব পৰা যায়। জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ মোকাবিলা কৰিবলৈ বিশ্বব্যাপী সেউজ নীতি গ্ৰহণ কৰাৰ লগতে স্থানীয় পৰ্যায়তো পৰিৱেশ সংৰক্ষণমূলক পদক্ষেপ গ্ৰহণৰ পৃষ্ঠপোষকতা কৰি অহা হৈছে।

নাগালেণ্ডৰ পাহাৰীয়া অঞ্চলত আকস্মিক ডাৱৰ বিস্ফোৰণ সংঘটিত হ'লে অতি কম সময়ৰ ভিতৰতে প্ৰচুৰ পৰিমাণৰ বৰষুণ হয়। এই অতিমাত্ৰা বৰষুণৰ পানী পাহাৰীয়া ঢাল বাটে দ্ৰুতগতিত সমতল ভূমিলৈ নামি দিখৌ, দৰিকা, নামদাং, জাঁজী, ধনশিৰি, দৈয়াং, কাকডোঙা-গেলাবিল ইত্যাদি নদী-উপনদীৰ জৰিয়তে অসমৰ বিভিন্ন অঞ্চল প্লাৱিত কৰি তোলে। নদীৰ জলস্তৰ হঠাতে উফন্দি উঠাৰ ফলস্বৰূপে গোলাঘাট, যোৰহাট, শিৱসাগৰ, চৰাইদেউ, নগাঁও আৰু কাৰ্বি আংলঙৰ সমীপৱৰ্তী নিম্নাঞ্চলৰ বিভিন্ন ৰাজহ গাঁও আৰু নগৰাঞ্চলৰ বহু এলেকাত আকস্মিক বানপানীৰ সৃষ্টি হয়। এনে বানপানীয়ে কৃষিভূমি, ঘৰ-বাৰী, পথ-দলং, বিদ্যালয় আৰু অন্যান্য আন্তঃগাঁথনিৰ বিস্তৰ ক্ষতি কৰে। অনাকাংক্ষিত বানপানীয়ে ২০২৬ বৰ্ষত উজনী অসমলৈ বিভীষিকা কঢ়িয়াই আনিলে। বিভিন্ন এলেকাৰ ভুক্তভুগি জনতা আশ্ৰয় শিবিৰত থাকিবলৈ বাধ্য হৈছে। অজস্ৰ বন্য জীৱ জন্তু আৰু পশুধনৰ সহিতে প্ৰায় অৰ্ধ শতাধিক নিৰিহ দেশৰ নাগৰিকে অকালতে প্ৰাণ হেৰুৱাব লগা হৈছে। কৃষকৰ শস্য নষ্ট হোৱাৰ ফলত অৰ্থনৈতিক লোকচান হয়। আন্যহাতে বানপিড়ীত ৰাইজৰ বিশুদ্ধ খোৱাপানীৰ অভাৱ আৰু ৰোগ ব্যাধিয়ে সততে প্ৰভাৱ বিস্তাৰ কৰে। পাহাৰৰ পৰা নামি অহা বোকা, শিল আৰু গছ-গছনি নদীত জমা হোৱাৰ পৰিপ্ৰেক্ষিতত নদীৰ গতিপথ সলনি হোৱা দেখা যায়। এই সমস্যাৰ মোকাবিলাৰ বাবে নাগালেণ্ড আৰু অসমৰ মাজত সমন্বিত নদী অৱবাহিকা ব্যৱস্থাপনা, আগতীয়া সতৰ্কীকৰণ ব্যৱস্থা, বন সংৰক্ষণ, পাহাৰীয়া অঞ্চলত বনানীকৰণ, নদী-খালৰ নিয়মিত পৰিষ্কাৰকৰণ, জলাশয় সংৰক্ষণ কৰাৰ লগতে দুৰ্যোগ ব্যৱস্থাপনা অধিক শক্তিশালী কৰিব লাগিব। বানপানীৰ পৰা পৰিত্ৰাণ পাবলৈ শিক্ষানুষ্ঠানৰ পাঠ্যক্ৰমৰ সূচীপত্ৰত এনে সচেতনতামূলক অধ্যায় সংযোজন কৰিব লাগিব। প্লাৱিত এলেকাৰ বানপিড়ীত লোকৰ উদ্ধাৰ ব্যৱস্থা শক্তিশালী কৰি ক্ষয়-ক্ষতি যথেষ্ট পৰিমাণে হ্ৰাস কৰিব লাগিব। নাগালেণ্ডত সংঘটিত ডাৱৰ বিস্ফোৰণৰ প্ৰভাৱ কেৱল সেই ৰাজ্যতে সীমাবদ্ধ নাথাকে, ইয়াৰ প্ৰতিক্ৰিয়া অসমলৈ বিস্তাৰিত হয়। সেয়ে আন্তঃৰাজ্যিক সহযোগিতা, বৈজ্ঞানিক দীৰ্ঘম্যাদী পৰিকল্পনা আৰু পৰিৱেশ সংৰক্ষণৰ জৰিয়তে এনে দুৰ্যোগৰ ক্ষতি হ্ৰাস কৰা সম্ভৱ। বিশ্বায়নৰ যুগত আমি সভ্য সমাজে পাৰিপাৰ্শ্বিক পৰিৱেশ প্ৰদুষিত কৰি সেউজীয়া ধৰণীক ধবংসৰ কৰালগ্ৰাহলৈ ঠেলি দিবলৈ গৈ আছো। চৰকাৰী আৰু বেচৰকাৰী উমৈহতীয়া প্ৰচেষ্টাৰে বন উজাৰ বন্ধ কৰিব লাগিব। ক্ষুদ্ৰ স্বাৰ্থ পৰিহাৰ কৰি ব্যাপক বনানীকৰণ, প্ৰাকৃতিক সম্পদ সংৰক্ষণ আৰু পাৰিপাৰ্শ্বিক পৰিৱেশৰ অনুকূল উন্নয়নৰ বাবে দীৰ্ঘম্যাদী পৰিকল্পনা গ্ৰহণ সময়ৰ আহ্বান, একান্তই প্ৰয়োজন আৰু গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। সেউজীয়া পৃথিৱীয়ে নিৰাপদ ভৱিষ্যতৰ নিশ্চয়তা প্ৰদান কৰে। বায়ুমণ্ডলত কাৰ্বন ডাই অ'ইড বৃদ্ধিৰ পৰিমাণ ৰোধ কৰি ভাৰসাম্য ৰক্ষাও কৰে। সেয়ে প্ৰতিজন নাগৰিকে বছেৰেকত অতি কমেও এটা গছপুলি ৰোপণ কৰি ইয়াৰ প্ৰতিপালন কৰাৰ মানসিকতা গঢ়ি তুলিব লাগিব। বনাঞ্চল বাচিলেহে পৰিৱেশ সেউজীয়া হ'ব, সেউজীয়া পৰিৱেশে জৈৱবৈচিত্ৰ্য আৰু সভ্যতাৰ ভৱিষ্যতো সুৰক্ষিত কৰিব।

# বানপানীৰ দুৰ্গতি

**ড° আৰ কে বেজবৰুৱা**

১৯৮৪ চনৰ ভাদ মাহৰ ২৯ তাৰিখ আৰু ২০২০ চনৰ ভাদ মাহৰ ২৯ তাৰিখ একেই আছিল ছেপ্টেম্বৰ মাহৰ ১৫ তাৰিখ। তাৰিখ দুটাৰ মিল থকা বাবে হয়তো স্মৃতিত ভাঁহি উঠিছে আকৌ এবাৰ প্ৰলয়ংকাৰী ৰাতিৰ কাহিনী।

আকাশে কান্দিছিল। এদিন দুদিন নহয়, পূৰা এসপ্তাহ। তাতো কম হোৱা নাছিল যেন আকাশৰ দুখ। আকাশৰ চকু পানী এটা পযেক জুৰি বৈছিল। আকাশৰ দুখৰ ভাৰ আৰু চকু পানীবোৰ ব'ব নোৱাৰি নদী বোৰৰ বুকুও শোকত উখহি উঠিছিল। বৰনদী, নৈনৈ, শাকতোলা, বেং নৈ, মংগলদৈ নৈ, বেকী, মানাহ, ধনশিৰি, কুলশী, ভৰলী, বৰলীয়া, লখেতাৰা, পাগলাদিয়া, সোৱণশিৰি- সকলোৱে মিলি যেন আকাশৰ শোকগ্ৰস্ততা দুগুণে বৃদ্ধি কৰিব খুজিছিল। শেষত আৰু ৰব নোৱাৰিলে। সিংহনাদ কৰি আৰাও তুলিলে পাগলাদিয়াই।

১৫ ছেপ্তেম্বৰৰ ৰাতি পুৱাবলৈ তেতিয়াও অলপ বাকী। প্ৰচণ্ড শব্দেৰে ১৫ ফুট ওখ জলস্তম্ভৰ ৰূপ ধাৰণ কৰি পাগলাদিয়াই বুৰাই পেলালে নলবাৰী মহকুমা। মঠাউৰি ঠেলি লৈ সোমাই গ'ল তন্ত্ৰ শংকৰা গাঁৱেৰে। লগত সাত ফুট পৰ্যন্ত বালি। পানী গৈ থাকিল এখনৰ পিছত এখন গাঁও প্লাৱিত কৰি।

আমাৰ গাঁৱকো পানীয়ে চুলে। প্ৰথমে পথাৰত। তাৰ পিছত ৰাস্তাত। ক্ৰমে চোতালত। মিনিটে মিনিটে বাঢ়িছে জলস্তম্ভ। গছ হালিছে। ঘৰ হাউলি গৈ আছে। দেউতাৰ লগত লাগি আমি বাঁহ কাটিছোঁ। ঘৰবোৰত ঢোকা লগাইছোঁ। কলা ফুল স্পৰ্শ কৰি উঠি গৈ পানী একঁকাল হ'ল। চোতাল তল গ'ল। মূল ঘৰটোৰ বাৰাণ্ডাত পানীয় উঠিব খুজিছিল চাগে। কিবা ভাবি বৈ দিলে।

১৫ ছেপ্তেম্বৰৰ পুঁৱতি নিশা পাগলাদিয়াই মঠাউৰি ভাঙে। সন্ধিয়া ৮ বজাত মংগলদৈৰ পুৱে শৰাবাৰীৰ কাষত নৈনৈয়ে মঠাউৰিক পৰাভূত কৰিলে। নলবাৰী, বৰভাগ ৰঙিয়া, ছিপাঝাৰ, বৰপেটা, অভয়াপুৰী, মাণিকপুৰ, শালমাৰা, গোৱালপাৰা, ধুবুৰী, নগাঁৱকে ধৰি সমগ্ৰ অসমত দ্ৰুত গতিত বৃদ্ধি পালে জলস্তম্ভ। সকলো পানীৰ তলত। সকলোৰে মনত শংকা ঘনীভূত হ'বলৈ ধৰিলে। কি হ'ব এতিয়া? সময় খুব কম। তাৰ মাজতে তিৰোতা মানুহ বোৰে কম সময়ৰ ভিতৰতে নিজৰ আৰু ল'ৰা-ছোৱালীৰ কাপোৰ-কানি যি পাৰে বান্ধিলে। ঘৰত ঠাউকতে পোৱা চাউল, দাইল, নিমখ, তেল - যি পাৰে বান্ধি ল'লে। মতা মানুহবোৰে গৰু-ছাগলী আদি ওখ ঠাইলৈ নিয়াৰ ব্যৱস্থা কৰাত লাগিল। পানীৰ গতি দেখি পৰা সকলে ওচৰতে পোৱা কল গছ কাটি ভুৰ তৈয়াৰ কৰিলে। লগতে দুই এডাল বাঁহ-কাঠ গোটাই ভুৰত ৰাখিলে।

পানী আৰু বাঢ়িল। ঠায়ে-ঠায়ে পানীয়ে গছ-গছনি উটুৱাই নিলে। খেৰৰ কেঁচা ঘৰ পানীত বাগৰি উটি গ'ল। আপোন হাতে সঁজা নিজৰ ঘৰখন চকুৰ আগতে পানীত জাহ যোৱা দেখি গৃহস্থৰ কলিজা ক'লা পৰিল। কিন্তু বৈ থকাৰ সাহস কাৰো নাই। ঘৰৰ লাম-লাকটু যি পাৰে তাকে লৈ ওখ ঠাই বিচাৰি পানীৰ মাজে-মাজে পৰিয়ালৰ সকলো আগবাঢ়িল।

নলবাৰীৰ বৰভাগ অঞ্চলত ঘৰৰ মুধচেৰে পানী ব'বলৈ ধৰিলে। তন্ত্ৰশংকৰা, ধনতলা, সৰিয়হতলী আদি গাঁৱৰ ফালে চালে কেৱল দেখা গ'ল যেন অসমৰ ওচৰলৈ আগবাঢ়ি আহিছে এখন সাগৰ। তথাপিও দিনে-নিশাই ঝৰঝৰাই সৰি থাকিল আকাশৰ চকুপানী। আধা চিঙা মঠাউৰি, ৰাষ্ট্ৰীয় ঘাইপথ নুডুবাকৈ ৰোৱা স্কুল ঘৰ নাইবা কোনোবা ওখ ঠাইত দেখা গ'ল আকাশলৈ চাই ৰোৱা মানুহবোৰ। তেওঁলোকে তাকেই তেতিয়া ঘৰ বুলি ভাবি ল'লে।

কিন্তু খাদ্য? শৰাবাৰী অঞ্চলৰ ১০৭ ঘৰ মানুহে চাৰি দিন চাৰি নিশা অনাহাৰে কটালে। খাবলৈ পানী এটুপিও নাই। কুঁৱা, দমকল সকলো পানীৰ তলত। কিন্তু মাছৰ স্ফুৰ্তিৰ যেন অন্ত নাই। য'তে ত'তে মাছ। ৰাস্তাত মাছ, চোতালত মাছ। আনকি, পাগ ঘৰতো মাছ। পানীৰ সোঁতত উটি অহা বস্তুৰ সুবিধা লৈ সাপ-বেঙেও যেন এপাক ফুৰি অহাৰ ইচ্ছা কৰিছিল। কিন্তু মাছ বা কচু সিজাবলৈও শুকান খৰি কাৰো ওচৰত নাছিল!

আমাৰ পেটবোৰে অকোৰা-পকোৰা কৰি আছিল, যেন পেটৰ ভিতৰত কোনোবাই হাল হেবাইছিল। মা-হঁতে আমাৰ মুখলৈ চাব পৰা নাছিল। ছেপ্টেম্বৰৰ ১৯ তাৰিখে কেইজনমানে চিৰা আৰু চাউল লৈ সাহায্য দিবলৈ আহিল। লাইনত থিয় হৈ আমাৰ ডাঙৰবোৰে ৰিলিফ পালে - জনে প্ৰতি ১০০ গ্ৰাম চিৰা আৰু ২৫০ গ্ৰাম চাউল। তাকো কিমান দিনৰ বাবে কোনেও নাজানে। মা-হঁতে মাত্ৰ কান্দিছিল।

সেয়াই বান পানীৰ হাহাকাৰ। চাৰিওফালে কেৱল বানপানী, কিন্তু খাবলৈ নাছিল এটোপা পানী। ৰিলিফৰ নামত অহা চাউল, দাইল, চিৰা কোনোবা পঞ্চায়তৰ সভাপতি, কোনোবা মেম্বাৰ নাইবা কোনোবা গাঁওবুঢ়াৰ ঘৰত জমা হৈছিল। পৰিয়ালে প্ৰতি সপ্তাহত আধা লিটাৰকৈ কেৰাচিন তেল বিলোৱাৰ পিছত বাকীবোৰ পুনৰ আগৰ ঠাইলৈ ঘূৰি গৈছিল।

মানুহৰ চোতালত, ঘৰৰ মজিয়াত ৰৌ- বৰালি ঘূৰি ফুৰিছিল। মাছ মাৰিলে কি হ'ব? ৰান্ধিবলৈ মিঠাতেল আৰু জুই ধৰিবলৈ খৰি নাছিল। সেই বাবেই মানুহে হাতত পায়ো মাছ মৰাৰ উৎসাহ অনুভৱ কৰিব পৰা নাছিল। বহুতে মাছ মাৰিয়ো পেলাই দিছিল-নিমখ, তেল, জলকীয়াৰ অভাৱত। সেইবোৰ মানুহৰ খবৰ ল'বলৈ কোনো নাছিল। সেই ছবি দেখুৱাবলৈ নাছিল কোনো সাংবাদিক, নাছিল কোনো মেডিয়া, যিয়ে সঁচা ছবি এখন ৰাইজৰ মাজত ডাঙি ধৰিব পাৰিলেহেঁতেন।

লাহে-লাহে পানী কমিবলৈ লৈছিল। তন্ত্ৰ শংকৰা গাঁৱলৈ চৰকাৰী সাহায্য গৈছিল ১৯ তাৰিখে। সামৰিক আৰু অৰ্দ্ধসামৰিক বাহিনীয়ো গৈছিল উদ্ধাৰ কাৰ্য্যৰ বাবে। হেলিকপ্টাৰেৰে সাহায্য সামগ্ৰী যোগান ধৰা হৈছিল। কিন্তু সেয়া প্ৰয়োজনৰ তুলনাত একেবাৰে নগণ্য।

বৰপেটাত এক লাখ লোক ক্ষতিগ্ৰস্ত হৈছিল। ছিপাঝাৰত ক্ষতিগ্ৰস্ত লোক ৩০০০০। পানীত ডুবি মৃত্যু হোৱা লোকৰ সংখ্যা ৮২ জন। সেই হিচাপৰ মাজত সামৰিক বাহিনীৰ জোৱানো আছিল। অৱশ্যে চৰকাৰ পিছলৈ সজাগ হৈছিল। চৰকাৰৰ ফালৰ পৰা ডোজাৰেৰে পথাৰৰ বালি আতঁৰোৱাৰ কাম চলিছিল। ঠায়ে ঠায়ে ট্ৰেক্টৰেৰে হাল বাই দিছিল। শষ্যৰ বীজ বিতৰণ কৰিছিল। পশু চিকিৎসকৰ দলে গাঁৱে গাঁৱে গৈ পশুধনৰ চিকিৎসা কৰি দিছিল। কিছুমান ঠাইত পশুৰ খাদ্যৰো যোগান ধৰা হৈছিল।

কিন্তু সেই বানপানী আছিল অভূতপূৰ্ব। বানপানীৰ পিছতেই মুছলপুৰ অঞ্চলত মেলেৰিয়া ৰোগ বিয়পি পৰিছিল। ক্ৰমে ইয়াৰ ভয়াবহতা বৃদ্ধি পাইছিল। চৰকাৰী চিকিৎসালয়ত মেলেৰীয়াৰ ঔষধৰ নাটনি হৈছিল। পি ভি, পি এফ আৰু মি' ইনফেকচনো আছিল। দিনে নিশাই লেব'ৰেটৰী টেকনিচিয়ানে স্লাইডবোৰ পৰীক্ষা কৰি শেষ কৰিব নোৱাৰা হৈছিল। অৱশেষত গুৱাহাটী মেডিকেল কলেজৰ পৰা এটা চিকিৎসকৰ দল মুছলপুৰলৈ চৰকাৰে প্ৰেৰণ কৰিছিল।

ডেকা ডাক্তৰেৰে ভৰপূৰ এই টীমটোৱে চিকিৎসা সেৱা আগবঢ়োৱাত কাৰ্পণ্য কৰা নাছিল। দিন-ৰাতি সেৱা আগবঢ়াই থাকোঁতেই টীমটোৰ ফিফ্‌ট ইয়াৰৰ ছাত্ৰী এজনী মেলেৰীয়াৰ আক্ৰান্ত হৈ পৰিছিল। তেওঁক গুৱাহাটী মেডিকেল কলেজ হস্পিটেললৈ চিফ্‌ট কৰা হৈছিল। কিন্তু চেৰিব্ৰেল মেলেৰীয়াত আক্ৰান্ত ছাত্ৰীজনীয়ে বাসত্তৰ ঘণ্টাৰ ভিতৰত প্ৰকৃত ট্ৰিটমেণ্ট পোৱা নাছিল। সেয়ে অকালতে তেওঁ মৃত্যুক সাৱটি ল'বলগীয়া হৈছিল। ইয়ো এক কৰুণ কাহিনী। মৃত্যুক জিনিব খোজা সকলো হেৰাই যায় মৃত্যুৰ কুহেলিকাত।

এইবাৰ বানপানী আহিল জুলাই মাহতেই। যোৱা ১৯ জুলাইত আৰম্ভ হোৱা বৰষুণে ২১-২৩ তাৰিখৰ ভিতৰত বিকট ৰূপ ধাৰণ কৰে। ফলত শিৱসাগৰ, যোৰহাট, ডিব্ৰুগড়, লখিমপুৰ জিলাত পৰিস্থিতি ভয়ানক হৈ উঠে। চৰকাৰী সূত্ৰ অনুসৰি এতিয়ালৈকে ৬১ জনৰ প্ৰাণহানি হৈছে। কামৰূপ, কামৰূপ মেট্ৰ'), গোৱালপাৰা, কাছাৰ, লখিমপুৰ, ধেমাজি, ডিব্ৰুগড়, যোৰহাট, বিশ্বনাথ, নলবাৰী, বজালী, চিৰাং, কোকৰাঝাৰ, বঙাইগাঁও, বাক্সা, , দৰং, শোণিতপুৰ, ওদালগুৰি, গোলাঘাট, নগাঁও, কাৰ্বি আংলং, হোজাই আদি জিলাও ক্ষতিগ্ৰস্ত হৈছে। আটাইতকৈ ক্ষতিগ্ৰস্ত হৈছে শিৱসাগৰ, যোৰহাট, চৰাইদেউ, তিনিচুকীয়া, ডিব্ৰুগড়। প্ৰায় ১০.৬ লাখতকৈ অধিক লোক বানৰ প্ৰভাৱত বিধস্ত হৈছে বুলি জনা গৈছে।

বৰ্তমান ইণ্টাৰনেটৰ মাধ্যমত সকলোৱে এই দুখজনক পৰিস্থিতি দেখা পাইছে। বিষাদে সকলোকে ম্ৰিয়মাণ কৰিছে। বন্যাৰ্তৰ সহায়ৰ বাবে বহুলোক আগবাঢ়ি আহিছে। ইতিমধ্যে বহু স্থানত সহায়কাৰী সংগঠন সমূহে সাধ্যানুসাৰে সহায়ৰ কাম আৰম্ভ কৰিছে। চৰকাৰ ফালৰ পৰাও সাহায্য অহা বুলি শুনা গৈছে। মুখ্যমন্ত্ৰীয়ে নিহতজনৰ নিকট আত্মীয়লৈ আৰ্থিক অনুদান ঘোষণা কৰাৰ কথাও জানিব পৰা গৈছে। আশা কৰোঁ দুৰ্গত ৰাইজে সোনকালে সকাহ পাওক। লগতে চিকিৎসা সেৱাৰো প্ৰয়োজন আছে। এই সময়ত সকলো সংগঠনে আগবঢ়োৱা সহায়ত দুৰ্গত সকল চলা সম্ভৱ নহয়। বানে যি কাঢ়ি নিলে, তাৰ পিছত জীৱনটো থান থিত লগাবলৈ সময় দি চৰকাৰে দীৰ্ঘম্যাদী আঁচনি গ্ৰহণ কৰিব লাগিব। এটা বছৰৰ সাঁচতীয়া খাদ্য শষ্য আৰু অহা বছৰটোৰ বাবে নষ্ট হোৱা কৃষিৰ পৰিমাণৰ ওপৰত ভিত্তি কৰি এটা ব্যৱস্থা কৰি দিলে মানুহবোৰ ৰক্ষা পৰিব। যিসকলৰ স্থায়ী ইনকাম আছে, তেৰোঁলোকৰ যেন তেন চলি যাব। কিন্তু সৰু-সুৰা ব্যৱসায় কৰি চলা আৰু কৃষি নিৰ্ভৰ পৰিয়ালৰ বাবে বিষয়টো চিন্তনীয়। আশা কৰোঁ, এইখিনি কৰিবলৈ যাওঁতে যাতে কোনো বঞ্চিত নহয়।

# সহায়ৰ এখনি হাত

**নিবেদিতা হাজৰিকা**

বৰ্তমান অসমৰ কেইবাখনো জিলা প্ৰলয়ংকাৰী বানপানীৰ কবলত পৰিছে। যাৰ ফলত লাখ-লাখ লোক ক্ষতিগ্ৰস্ত হৈছে। কিছু কিছু অঞ্চলত পানী শুকালেও বহু অঞ্চল এতিয়াও পানীৰ তলত। অনাকাংক্ষিত যে এইবাৰ বহু বিস্তৃৰ্ণ অঞ্চল প্লাৱিত হৈছে। এনে দুৰ্যোগৰ সময়ত বানপীড়িতৰ কাষত থিয় দিয়াটো, আৰ্তজনলৈ সাহায্য আৰু সহায়ৰ হাত আগবঢ়োৱাটো আমাৰ সকলোৰে নৈতিক আৰু সামাজিক দায়িত্ব। এই সময়ত বানাক্ৰান্তলোক সকলক খাদ্য, বিশুদ্ধ খোৱা পানী আৰু চিকিৎসা সেৱা প্ৰদান কৰাটো মানৱীয়তাৰ পৰিচায়ক।

এই ভয়াবহ দুৰ্যোগৰ সময়ত মানুহে মানুহৰ কাষত থিয় দিয়াটোৱেই আমাৰ আটাইতকৈ ডাঙৰ শক্তি। এই কঠিন সময়ত সকলোৱে একেলগে আগবাঢ়ি আহি বানাক্ৰান্ত লোক সকলক যেনেকৈ হ'লেও সহায়ৰ হাত আগবঢ়োৱাটো বা হাত আগবঢ়াবলৈ পোৱাটো পৰম সৌভাগ্য বুলি ক'ব পাৰি। কিন্তু এনে দুৰ্যোগৰ সময়ত মানুহৰ দুৰ্গতিক লৈ কোনো ধৰণৰ ঠাট্টা-মস্কৰা, ৰাজনীতি বা দায়িত্বহীন খেল খেলা উচিত নহয়। এনে কাৰ্য অমানৱীয় আৰু অক্ষমনীয়। এই ধৰণৰ দুৰ্যোগৰ সময়ত সকলোৱে বানপীড়িত লোক সকলক সাহায্য আৰু পুনৰ্বাসনৰ বাবে আগবাঢ়ি আহিব লাগে। বানপীড়িত লোক সকলক সহায়ৰ নামত বঞ্চনা কৰাৰ অভিযোগ আদিও কেতিয়াবা শুনা যায়। এনে দুৰ্যোগৰ সময়ত আক্ৰান্ত সকলক সহায় কৰাৰ পৰিৱৰ্তে দুৰ্ভোগক লৈ মুনাফা অৰ্জন বা প্ৰচাৰৰ স্বাৰ্থত ব্যৱসায় কৰাটো অত্যন্ত অমানৱীয় আৰু লজ্জাজনক। এই সময়ত বানপীড়িত সকলৰ দুখ-দুৰ্দশা হ্ৰাস কৰিবলৈ সকলোৱে নিষ্ঠাৰে আৰু দায়িত্বশীল ভাৱে কাম কৰা উচিত। বহু মানুহে এনে সময়ত বানাক্ৰান্ত সকলৰ অসুবিধা বা অসহায়তাৰ সুযোগ লৈ মুনাফা লাভৰ চেষ্টা কৰাৰ কথাও পোহৰলৈ আহিছে বা পোহৰলৈ আহে। এনে ধৰণৰ কাৰ্যই মানৱতাৰ মৰ্যাদা উলংঘন কৰে আৰু সমাজৰ নৈতিক বান্ধোন ভাঙি পেলায়। সংকটৰ সময়ত সকলোৰে দায়িত্ব হৈছে বানাক্ৰান্তৰ কাষত থিয় দিয়া, ব্যৱসায় বা শোষণ কৰা নহয়। এনে দুৰ্যোগৰ সময়ত মানুহে মানুহৰ বাবে চিন্তা কৰিবৰ বাবে আগ্ৰহী, সচেতন হোৱা উচিত। বিপৰ্যস্ত মানুহৰ অসহায়তাৰ সুযোগ লৈ মুনাফা আদায় কৰাটো বা ব্যৱসায় কৰিবলৈ বিচৰাটো অমানৱীয়, জঘন্য সামাজিক অপৰাধ। সহায়ৰ নামত কোনো অচিনাকি মানুহক আগতীয়াকৈ ধন বা বেংক একাউণ্ট নম্বৰ দিয়া উচিত নহয়। কেৱল চৰকাৰী বিষয়া বা স্থানীয় প্ৰশাসনৰ জৰিয়তেহে আৰ্থিক সাহায্য আদি আগবঢ়োৱা উচিত। দুৰ্ভগীয়া মানুহখিনিৰ কাষত মানৱতাৰ দৃষ্টিভংগীৰে থিয় দি তেওঁলোকক পাৰ্যমানে সহায়-সহযোগিতা আগবঢ়োৱা উচিত। অসমৰ বিভিন্ন স্থানত বানৰ বিভীষিকাৰ সময়ত বিভিন্ন দল -সংগঠন তথা চৰকাৰী প্ৰশাসনে বানপীড়িত সকলৰ মাজত খাদ্য, খোৱাপানী আৰু জৰুৰী সামগ্ৰী আদি যোগান ধৰিছে। অসমৰ বানাক্ৰান্ত লোকৰ কাষতো সৰ্বসাধাৰণ ৰাইজ, যুৱক আদি সকলোৱে যিয়ে যেনেকৈ পাৰে সহায়ৰ হাত আগবঢ়াই মানৱতাৰ পৰিচয় দিছে। আমি প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে বানাক্ৰান্ত সকলক যদিহে সহায় কৰিব পৰা নাই, তেন্তে তেওঁলোকৰ দুখ-দুৰ্গতি দেখি ভগৱানক প্ৰাৰ্থনা কৰিবও পাৰো। প্ৰকৃতিৰ এই ধ্বংসলীলা কাৰো কাম্য নহয়। বিপৰ্যস্ত মানুহ খিনিৰ সুৰক্ষা, সকলোৰে সহযোগিতাত উদ্ধাৰ পোৱা এই বিপদকালীন সময় খিনিত খুবেই দৰকাৰী। এই ধৰণৰ বিপদকালীন সময়ত মানৱীয়তাৰে সহায়-সহযোগিতা আগবঢ়োৱাটো আমাৰ পৰম দায়িত্ব আৰু কৰ্তব্য। বিভিন্ন দল-সংগঠন তথা সাধাৰণ জনতায়ো বৰ্তমান বানাক্ৰান্ত সকলৰ ওচৰত থিয় দি এক প্ৰশংসনীয় আৰু আদৰ্শ আদি ধৰিছে। সামূহিক শক্তিৰে সকলোৱে ঐক্যবদ্ধ হৈ বানাক্ৰান্ত সকলক আৰ্থিক আৰু মানসিক দুয়ো ভাৱে সহায়-সহযোগিতা আগবঢ়াইছে। এনে সক্ৰিয় সহযোগিতা, মানৱীয়তা আদি এনে বিপৰ্যয়ৰ সময়ত খুবেই আদৰণীয়।

# গোলাঘাটত বিজ্ঞান, গণিত আৰু পৰিৱেশ বিজ্ঞান বিষয়ক তিনিদিনীয়া গ্ৰীষ্মকালীন কৰ্মশালাৰ সফল সামৰণি

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৩১ জুলাই ঃ** অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ (APCB), গুৱাহাটীৰ পৃষ্ঠপোষকতাত আৰু অসম বিজ্ঞান সমিতি, গুৱাহাটীৰ উদ্যোগত, অসম বিজ্ঞান সমিতি, গোলাঘাট শাখাৰ সহযোগত ২৯, ৩০ আৰু ৩১ জুলাইত নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত 'বিজ্ঞান, গণিত আৰু পৰিৱেশ বিজ্ঞান বিষয়ক তিনিদিনীয়া গ্ৰীষ্মকালীন কৰ্মশালা' সফলভাৱে আয়োজন কৰা হয়। কৰ্মশালাৰ মূল উদ্দেশ্য আছিল ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বৈজ্ঞানিক মনোভাৱ গঢ়ি তোলা, বিজ্ঞান আৰু গণিত বিষয়ৰ মৌলিক ধাৰণাসমূহ অধিক সুদৃঢ় কৰা আৰু পৰিৱেশ সংৰক্ষণ সম্পৰ্কে সচেতনতা বৃদ্ধি কৰা। কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠান ২৯ জুলাইত অনুষ্ঠিত হয়। অনুষ্ঠানত সভাপতিত্ব কৰে গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয় (স্বায়ত্তশাসিত) অধ্যক্ষ তথা অসম বিজ্ঞান সমিতিৰ গোলাঘাট শাখাৰ সভাপতি ড° জয়ন্ত বৰুৱাকিয়ালে। সভাপতিৰ ভাষণত তেওঁ নতুন প্ৰজন্মৰ মাজত বৈজ্ঞানিক চিন্তাধাৰা, উদ্ভাৱনী শক্তি আৰু পৰিৱেশৰ প্ৰতি দায়বদ্ধতা গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক কৌতূহলী, যুক্তিবাদী আৰু সমস্যা সমাধানমুখী মনোভাৱ গঢ়ি তোলাৰ আহ্বান জনায়। উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অৱসৰপ্ৰাপ্ত অধ্যাপক ড° নৃপেন কুমাৰ বৰুৱাই নিজৰ অনুপ্ৰেৰণাদায়ক ভাষণত দৈনন্দিন জীৱনত বিজ্ঞান শিক্ষাৰ গুৰুত্ব ব্যাখ্যা কৰি ছাত্ৰ-ছাত্ৰীসকলক একাগ্ৰতা আৰু সৃজনশীলতাৰে বিজ্ঞান অধ্যয়ন কৰিবলৈ উৎসাহিত কৰে। সমগ্ৰ অনুষ্ঠানটো পৰিচালনা কৰে গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ৰসায়ন বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক তথা অসম বিজ্ঞান সমিতিৰ গোলাঘাট শাখাৰ সম্পাদক ড° মৃদুল চেতিয়াই। তেওঁ উপস্থিত সকলোকে আদৰণি জনোৱাৰ লগতে কৰ্মশালাৰ উদ্দেশ্য ব্যাখ্যা কৰে আৰু এই কৰ্মশালাৰ বাবে আৰ্থিক সহায় আগবঢ়োৱাৰ বাবে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। উদ্বোধনী অনুষ্ঠানৰ পিছতে প্ৰথম দিনা পদাৰ্থ বিজ্ঞান বিষয়ত দুটা কাৰিকৰী অধিৱেশন অনুষ্ঠিত হয়। এই অধিৱেশন দুটিত বোকাখাতৰ চি এন বি মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° অচ্যুত শৰ্মা হাজৰিকা আৰু ফৰকাটিং পলিটেকনিকৰ সহকাৰী অধ্যাপক ড° গৌতম বৰটামুলী সম্পদ ব্যক্তি হিচাপে উপস্থিত থাকে। তেওঁলোকে পাৰস্পৰিক আলোচনা, প্ৰদৰ্শন আৰু সমস্যা সমাধান ভিত্তিক শিক্ষণ পদ্ধতিৰ জৰিয়তে বিদ্যালয়ৰ পাঠ্যক্ৰমভুক্ত বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় সহজ-সৰলভাৱে ব্যাখ্যা কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পদাৰ্থ বিজ্ঞানৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰে। কৰ্মশালাৰ দ্বিতীয় দিনটো গণিত বিষয়ৰ বাবে উৎসৰ্গিত আছিল। এইদিনা অনুষ্ঠিত হোৱা দুটা কাৰিকৰী অধিৱেশনত শংকৰদেৱ শিশু বিদ্যা নিকেতন, গোলাঘাটৰ স্নাতক শিক্ষক দেবাশীষ গগৈ আৰু চান্দমাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ স্নাতক শিক্ষয়িত্ৰী ৰিঞ্জুমণি বৰুৱা সম্পদ ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰে। তেওঁলোকে বিভিন্ন গণিতীয় ধাৰণা, সহজ সমাধান পদ্ধতি, যুক্তিভিত্তিক চিন্তাধাৰা আৰু পৰীক্ষামুখী সমস্যা সমাধানৰ কৌশলসমূহ ব্যাখ্যা কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত গণিত বিষয়ৰ প্ৰতি আত্মবিশ্বাস বৃদ্ধি কৰে। তৃতীয় তথা অন্তিম দিনা পৰিৱেশ বিজ্ঞান বিষয়ত তথ্যসমৃদ্ধ কাৰিকৰী অধিৱেশন অনুষ্ঠিত হয়। গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয় (স্বায়ত্তশাসিত) ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° মথুৰা নাথ বৰাই 'Nano Inspired by Nature and origin of colour of bird's feather' শীৰ্ষক বক্তৃতাত প্ৰকৃতিৰ জৈৱিক ব্যৱস্থাৰ পৰা অনুপ্ৰাণিত নেন'প্ৰযুক্তিৰ বিভিন্ন দিশ আৰু ইয়াৰ বহুমুখী উন্নয়নত ভূমিকা ব্যাখ্যা কৰে। তিনিদিনীয়া কৰ্মশালাত ছাত্ৰ-ছাত্ৰীসকলে উৎসাহেৰে আলোচনা, প্ৰশ্নোত্তৰ আৰু বিভিন্ন পাৰস্পৰিক কাৰ্যসূচীত অংশ গ্ৰহণ কৰে। এই কৰ্মশালাই তেওঁলোকক অভিজ্ঞ শিক্ষাবিদ আৰু বিষয়বিশেষজ্ঞসকলৰ সৈতে মত-বিনিময় কৰাৰ এক উৎকৃষ্ট সুযোগ প্ৰদান কৰে, যাৰ ফলত বিজ্ঞান, গণিত আৰু পৰিৱেশ বিজ্ঞান সম্পৰ্কে তেওঁলোকৰ জ্ঞান আৰু বৈজ্ঞানিক দৃষ্টিভংগী অধিক সমৃদ্ধ হয়। উল্লেখযোগ্য যে, কৰ্মশালাৰ আটাইকেইটা কাৰিকৰী অনুষ্ঠান পৰিচালনা কৰে অসম বিজ্ঞান সমিতি ৰ গোলাঘাট শাখাৰ সম্পাদক ড° মৃদুল চেতিয়াই কৰ্মশালাৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণকাৰী সকলো ছাত্ৰ-ছাত্ৰীক অংশ গ্ৰহণৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। আয়োজকসকলে ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহ, শৃংখলাবদ্ধ অংশগ্ৰহণ আৰু সক্ৰিয় সহযোগিতাৰ শলাগ লয় আৰু ভৱিষ্যততো এনে শিক্ষামূলক কাৰ্যসূচী অব্যাহত ৰাখিবলৈ আশাবাদ ব্যক্ত কৰে। এই কৰ্মশালাত ৫৫ জনতকৈ অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। অংশ গ্ৰহণ কৰা শিক্ষানুষ্ঠানসমূহ হ'ল- শ্ৰী সত্য সাই বিদ্যা বিহাৰ, চান্দমাৰী উচ্চ বিদ্যালয়, শংকৰদেৱ শিশু নিকেতন, কুশল কোঁৱৰ বাল্য ভৱন আৰু গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়। কৰ্মশালাৰ সফল আয়োজনৰ বাবে অসম বিজ্ঞান সমিতি, গোলাঘাট শাখাই অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ (APCB), গুৱাহাটীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে অসম বিজ্ঞান সমিতি, গুৱাহাটীক নিৰন্তৰ সহযোগিতা আৰু দিক্-নিৰ্দেশনাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলৰ দ্বাৰা কৰ্মশালাখন বিশেষভাৱে প্ৰশংসিত হয় আৰু ই নতুন প্ৰজন্মৰ মাজত বৈজ্ঞানিক মনোভাৱ, পৰিৱেশ সচেতনতা আৰু গুণগত শিক্ষাৰ বিকাশত এক উল্লেখযোগ্য ভূমিকা পালন কৰে।

# নাজিৰা সমজিলাত কৃষি মন্ত্ৰী পীয়ুষ হাজৰিকাৰ উপস্থিতিত শেহতীয়া বান পৰিস্থিতিৰ সন্দৰ্ভত পৰ্যালোচনা সভা অনুষ্ঠিত



**অসম বাৰ্তা, নামতি, ৩১ জুলাই ঃ** সম চৰকাৰৰ কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মাননিয় মন্ত্ৰী শ্ৰী পীয়ুষ হাজৰিকাৰ সভাপতিত্বত আজি নাজিৰা সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত নাজিৰাৰ শেহতীয়া বান পৰিস্থিতিৰ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সভাত নাজিৰা বিধানসভা সমষ্টিৰ বিধায়ক ময়ূৰ বৰগোহাঁই, শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত মৃদুল যাদৱ, জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাপৰি চেতিয়া, নাজিৰা সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰাম, কৃষি বিভাগৰ সঞ্চালক, জিলা তথা সমজিলা প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকল, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল, চক্ৰ বিষয়াসকল আৰু খণ্ড উন্নয়ন বিষয়াসকল উপস্থিত থাকে। সভাত নাজিৰা সমজিলাৰ সামগ্ৰিক বান পৰিস্থিতিৰ বিস্তৃত পৰ্যালোচনা কৰাৰ লগতে উদ্ধাৰ আৰু সাহায্য কাৰ্য, বানপীড়িত লোকসকলৰ বাবে স্থাপন কৰা সাহায্য শিবিৰসমূহৰ ব্যৱস্থাপনা, বিশুদ্ধ খোৱাপানী, স্বাস্থ্যসেৱা, পশুধন সুৰক্ষা, ক্ষতিগ্ৰস্ত পথ-দলং আৰু ৰাজহুৱা আন্তঃগাঁথনিৰ পুনৰুদ্ধাৰ, কৃষি খণ্ডত হোৱা ক্ষয়-ক্ষতিৰ মূল্যায়ন আৰু প্ৰয়োজনীয় পুনৰ্স্থাপনমূলক ব্যৱস্থা সন্দৰ্ভতো বিশদভাৱে আলোচনা কৰা হয়। মাননিয় মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট বিভাগসমূহক আন্তঃবিভাগীয় সমন্বয় অধিক শক্তিশালী কৰি যুদ্ধকালীন তৎপৰতাৰে পুনৰুদ্ধাৰমূলক কাম-কাজ আগবঢ়াই নিয়াৰ লগতে বানপীড়িত লোকসকলক সময়মতে সকলো চৰকাৰী সহায়-সুবিধা নিশ্চিত কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। তেওঁ লগতে কৃষি খণ্ডত হোৱা ক্ষয়-ক্ষতিৰ সঠিক মূল্যায়ন কৰি ক্ষতিগ্ৰস্ত কৃষকসকলক প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰে।

### অবৈধ বিত্তীয় প্ৰতিষ্ঠান উৎখাত; এজনক আটক

# জুৱাৰ বিৰুদ্ধে দৌলাশাল আৰক্ষীৰ অভিযান

**অসম বাৰ্তা, দৌলাশাল, ৩১ জুলাই ঃ** নলবাৰী জিলাৰ দৌলাশাল আৰক্ষীয়ে জুৱাৰ বিৰুদ্ধে অভিযান চলাই বৃহৎ সফলতা লাভ কৰিছে। দৌলাশাল আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জ্যোতি কমল বনিয়াৰ নেতৃত্বত ২৯ জুলাইৰ নিশা মুকালমুৱা থানাৰ অন্তৰ্গত কাপলাবড়িত জুৱা খেলৰ বিৰুদ্ধে অভিযান চলায়। কাপলাবড়ি পাৰঘাটৰ সমীপত আৰক্ষীয়ে জুৱাৰ বিৰুদ্ধে অভিযান চলাওতেই আৰক্ষীক দেখি জুৱাৰীৰ দলটিৰ পলায়ন কৰে যদিও আৰক্ষীয়ে জুৱাস্থলীৰ পৰা জুৱাত ব্যৱহৃত সামগ্ৰী আৰু নগদ ধন জব্দ কৰিবলৈ সক্ষম হয়। অভিযানকাৰী আৰক্ষীৰ দলটিয়ে জুৱাৰ আড্ডাস্থলীৰ পৰা তাচপাতসহ জুৱাৰ সামগ্ৰী জব্দ কৰে। আৰক্ষীয়ে জুৱাৰীৰ দলটিৰ সন্ধানত নিশাই অভিযান চলাই জুৱা খেল অনুষ্ঠিত কৰা আতোৱাৰ ৰহমানক কাপলাবড়িৰ বাসগৃহৰ পৰা আটক কৰে। ধৃত আতোৱাৰৰ পৰা আৰক্ষীয়ে নগদ ১, ৬৭, ৯০০ টকা, তাচপাত, আপত্তিজনক আৰু সন্দেহজনক নথি, ১০০ টকীয়া ই-ষ্টাম্প (IN-AS37269643508443Y), এ.এছ-০২ এম ১৬৮১ নম্বৰ পঞ্জীয়নযুক্ত এখন বাহন জব্দ কৰে। আতোৱাৰ ৰহমানক জেৰা চলাই আতোৱাৰৰ স্বীকাৰোক্তিৰ ভিত্তিতেই ৩০ জুলাইত পুৱা কাপলাবড়িৰ কালাচান্দ আলীৰ বাসগৃহত অনুসন্ধান চলায়। কাপলাবড়িত জুৱা খেল অনুষ্ঠিত কৰা অন্যতম অভিযুক্ত কালাচান্দ আলী। কালাচান্দৰ বাসগৃহত আৰক্ষীয়ে অভিযান চলাই লাভ কৰে আন এক বৃহৎ সফলতা। আৰক্ষীয়ে উৎখাত কৰে কালাচান্দ আলীৰ অবৈধ বিত্তীয় প্ৰতিষ্ঠান। কালাচান্দ পলাতক হৈ থাকে যদিও আৰক্ষীয়ে কালাচান্দৰ বাসগৃহৰ পৰা নগদ ১, ৯০, ৮০০ টকা, এ.এছ-১৪কি.উ-৭২৫০, এ.এছ-১৪আৰ-৩৩৬৪, এ.এছ-০১জি.ই-৪২২৭ নম্বৰৰ তিনিখন মটৰ চাইকেলকে ধৰি অকৰ্তৃত্বশীল বিত্তীয় প্ৰতিষ্ঠানৰ নথিপত্ৰ। কালাচান্দ আলীয়ে ৰিজাৰ্ভ বেংকৰ অনুমতি অবিহনে চলাই থকা "মা বাবাৰ আশীৰ্বাদ" নামৰ বিত্তীয় প্ৰতিষ্ঠানটোৰ পাঁচ শতাধিকৰো অধিক পাছবুক জব্দ কৰে। উল্লেখযোগ্য যে কালাচান্দ আলীয়ে ধৃত আতোৱাৰ ৰহমানসহিতে জুৱাৰীক জুৱা খেলৰ বাবে অধিক সূদত টকা যোগান ধৰাৰ তথ্য আৰক্ষীৰ অনুসন্ধানত পোহৰলৈ আহে। কালাচান্দ আলী আৰু আতোৱাৰ ৰহমানে টকা সূদত দিয়াৰ বিনিময়ত জুৱাৰীসকলৰ পৰা দুচকীয়া আৰু চাৰিচকীয়া বাহন পৰ্যন্ত জব্দ কৰি ৰাখে। বাহন নথকা জুৱাৰীৰ পৰা কালাচান্দ আলী আৰু আতোৱাৰ ৰহমানে উকা ই-ষ্টাম্পত চহী কৰি ৰখাৰ তথ্য লাভ কৰে আৰক্ষীয়ে। আৰক্ষীৰ অনুসন্ধানত আন কেইবাটাও জুৱাৰীৰ তথ্য লাভ কৰিছে বুলি জানিবলৈ দিয়ে আৰক্ষীয়ে। ঘটনা সন্দৰ্ভত মুকালমুৱা থানাত ১০৮/২৬ ইড/এছ ৩১৮ (৪)/৬১ (২) (বি)/৩ (৫)/৩১৬ (২) বিএনএছ আৰ/ডব্লিউ ধাৰা ১৩/১৪ অসম গেম এণ্ড বেটিং এক্ট আৰু আৰ/ডব্লিউ ধাৰা ২১/২৩ BUDS আইনৰ অধীনত গোচৰ ৰুজু কৰে। সম্প্ৰতি কালাচান্দ আলীকে ধৰি কেইবাটাও জুৱাৰী পলাতক হৈ আছে যদিও দৌলাশাল আৰক্ষীয়ে জুৱাৰকেইটাক শীঘ্ৰেই গ্ৰেপ্তাৰ কৰিব পাৰিব বুলি জানিবলৈ দিয়ে।

### সাৰ বিতৰণ ব্যৱস্থাত স্বচ্ছতা আৰু ডিজিটেল ৰূপান্তৰক অধিক শক্তিশালী কৰাৰ লক্ষ্য

# কামৰূপত 'ফ্ৰেমৱৰ্ক ফৰ ফাৰ্টিলাইজাৰ চেল (FFS)' এপ্লিকেচনৰ শুভাৰম্ভ




**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৩১ জুলাই ঃ** সাৰ বিক্ৰী আৰু বিতৰণ ব্যৱস্থাত অধিক স্বচ্ছতা আৰু দক্ষতা নিশ্চিত কৰাৰ লক্ষ্যৰে শুক্ৰবাৰে কামৰূপ জিলাৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত 'ফ্ৰেমৱৰ্ক ফৰ ফাৰ্টিলাইজাৰ চেল (FFS)' এপ্লিকেচনৰ আনুষ্ঠানিক শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই কয় যে ডিজিটেল প্ৰযুক্তিভিত্তিক এই ব্যৱস্থাই সাৰ বিক্ৰী আৰু বিতৰণ প্ৰক্ৰিয়াক অধিক স্বচ্ছ, নিকা আৰু নিৰীক্ষণে কৃষক বান্ধৱ কৰি তুলিব। তেওঁ উল্লেখ কৰে যে এই পদক্ষেপৰ জৰিয়তে ইতিমধ্যে জিলাখনৰ ৩০০ৰো অধিক সাৰ বিক্ৰেতা আৰু প্ৰায় ৮০ হাজাৰ কৃষক এই ব্যৱস্থাৰ সৈতে সংযুক্ত হৈছে। এই এপ্লিকেচনে সাৰ বিতৰণ ব্যৱস্থাত এক আধুনিক, স্বচ্ছ আৰু প্ৰযুক্তিনিৰ্ভৰ ব্যৱস্থা গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলিও তেওঁ কয়। জিলা আয়ুক্তগৰাকীয়ে সংশ্লিষ্ট বিষয়াসকলক অধিক সংখ্যক কৃষকক FFS প্লেটফৰ্মত পঞ্জীয়ন কৰিবলৈ উৎসাহিত কৰাৰ নিৰ্দেশ দিয়ে, যাতে ভৱিষ্যতে অধিক সংখ্যক কৃষকে এই ডিজিটেল ব্যৱস্থাৰ সুবিধা লাভ কৰিব পাৰে। তেওঁ লগতে জনায় যে কৃষকসকলে এতিয়া FFS প্লেটফৰ্মৰ জৰিয়তে সহজেই QR Code সৃষ্টি কৰি সাৰ লাভ কৰিব পাৰিব। অনুষ্ঠানত তেওঁ QR Code-ভিত্তিক ডিজিটেল ব্যৱস্থাৰ জৰিয়তে কৃষকসকলৰ মাজত ইউৰিয়া আৰু অন্যান্য সাৰ বিতৰণ কৰি এই নতুন ব্যৱস্থাৰ কাৰ্যক্ষমতা প্ৰদৰ্শন কৰে। অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত দেৱাশিস গোস্বামী, জিলা কৃষি বিষয়া হিতেশ বেজবৰুৱা, জিলা ন'ডেল বিষয়া (সাৰ) শংকৰ দত্ত, কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰী, সাৰ বিক্ৰেতা আৰু জিলাখনৰ বিভিন্ন প্ৰান্তৰ কৃষকসকল উপস্থিত থাকে।

# তিনিচুকীয়াত নাৰ্কো সমন্বয় কেন্দ্ৰ প্ৰণালীৰ অধীনত জিলা পৰ্যায়ৰ সমিতিৰ বৈঠক

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৩১ জুলাই ঃ** নাৰ্কো সমন্বয় কেন্দ্ৰ (NCORD) প্ৰণালীৰ অধীনত জিলা পৰ্যায়ৰ সমিতিৰ বৈঠক আজি তিনিচুকীয়াৰ জিলা আয়ুক্ত সুমিত ছাত্তাৱানৰ অধ্যক্ষতাত অনুষ্ঠিত হয়। তিনিচুকীয়া জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত জিলাখনত ড্ৰাগছ, সুৰা তথা আন নিচাজাতীয় সামগ্ৰীৰ ব্যৱসায় তথা সৰবৰাহ ৰোধ কৰিবৰ বাবে ল'ব পৰা বিভিন্ন ব্যৱস্থাৰ বিষয়ে আলোচনা কৰা হয়। সভাত সমগ্ৰ জিলাতে নিচামুক্ত ভাৰত অভিযানৰ অধীনত চলাই থকা বিভিন্ন সজাগতামূলক কাৰ্যসূচীৰ ওপৰত বিতংভাৱে আলোচনা কৰা হয়। জিলা আয়ুক্তই সজাগতা কাৰ্যসূচীত পৰিয়ালৰ সদস্য সকলকো অন্তৰ্ভুক্ত কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। আনহাতে, জিলাখনৰ শিক্ষানুষ্ঠানসমূহৰ আশে পাশে থকা ব্যৱসায়িক প্ৰতিষ্ঠান সমূহত স্বাস্থ্যৰ বাবে হানিকাৰক চিগাৰেট, বিড়ি, চাধা, গুটখা আদিৰ বিক্ৰী বন্ধ কৰিবলৈ যাৱতীয় পদক্ষেপ গ্ৰহণৰ বাবে শিক্ষা বিভাগক নিৰ্দেশ দিয়ে। বিদ্যালয়ৰ সমীপত কোনো ব্যৱসায়িক প্ৰতিষ্ঠানে নিচা জাতীয় সমগ্ৰী বিক্ৰী কৰা কাৰ্য প্ৰশাসনৰ দৃষ্টিগোচৰ হলে কঠোৰ শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হব বুলি অৱগত কৰে। সভাত NDPS আইনৰ অধীনত জিলাখনত ড্ৰাগছৰ সৰবৰাহ আৰু বিতৰণৰ বিৰুদ্ধে অভিযান, ৰজু হোৱা গোচৰ আৰু গ্ৰেপ্তাৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। জিলাখনত নিচাজাতীয় সামগ্ৰীৰ সৰবৰাহ তথা বিক্ৰী ৰোধৰ ক্ষেত্ৰত সংশ্লিষ্ট বিভাগসমূহক অধিক চোকা দৃষ্টি ৰাখিবলৈয়ো জিলা আয়ুক্ত মহোদয়ে নিৰ্দেশ দিয়ে। ড্ৰাগছৰ বিৰুদ্ধে যুঁজঁত সমাজৰ সহযোগিতা অপৰিহাৰ্য বুলি উল্লেখ কৰি জিলাবাসীক ড্ৰাগছ সম্পৰ্কীয় যিকোনো তথ্য তাৎক্ষণিকভাৱে আৰক্ষীক জনাবলৈ আহ্বান জনায়। আজিৰ বৈঠকত জ্যেষ্ঠ আৰক্ষী অধীক্ষক মায়ংক কুমাৰ, অতিৰিক্ত জিলা আয়ুক্ত ড০ মন্দিৰা বৰুৱা, অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ শাখা) দিনেশ প্ৰতাপ সিং ৰাথোৰ, শদিয়া আৰক্ষী জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক অৰুনিমা ভূঞা প্ৰমুখ্যে শিক্ষা, স্বাস্থ্য, সমাজ কল্যাণ, বন আদি অন্যান্য সংশি-ষ্ট বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

# মৰিগাঁৱত প্ৰণালীগত সাৰ বিক্ৰী প্ৰক্ৰিয়াৰ আনুষ্ঠানিক শুভাৰম্ভ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৩১ জুলাই ঃ** মৰিগাঁও জিলা প্ৰশাসন আৰু জিলা কৃষি বিভাগৰ যৌথ উদ্যোগত আজি মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত প্ৰণালীগত সাৰ বিক্ৰী প্ৰক্ৰিয়া (Framework for Fertilizer Sale - FFS)-ৰ আনুষ্ঠানিক শুভাৰম্ভণি কৰা হয়। অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰে মৰিগাঁও জিলাৰ জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে। অনুষ্ঠানত প্ৰণালীগত সাৰ বিক্ৰী ব্যৱস্থাৰ উদ্দেশ্য আৰু প্ৰয়োজনীয়তাৰ বিষয়ে আলোকপাত কৰি কোৱা হয় যে এতিয়াৰ পৰা কৃষকে ৰাসায়নিক সাৰ ক্ৰয় কৰিবলৈ Framework for Fertilizer Sale (FFS) নামৰ মোবাইল এপৰ জৰিয়তে আবেদন কৰিব লাগিব। কৃষকৰ কৃষি ভূমি, খেতিৰ ধৰণ আৰু শস্যৰ প্ৰয়োজনীয়তাৰ ভিত্তিত মোবাইল এপটোৱে বৈজ্ঞানিকভাৱে সাৰৰ প্ৰয়োজনীয় পৰিমাণ নিৰ্ধাৰণ কৰিব। সেই অনুসৰিয়েই কৃষকে অনুমোদিত পৰিমাণৰ সাৰ ক্ৰয় কৰিব পাৰিব। এই ব্যৱস্থাই সাৰৰ সুষম আৰু বৈজ্ঞানিক ব্যৱহাৰ নিশ্চিত কৰাৰ লগতে অপচয় ৰোধ, মাটিৰ স্বাস্থ্য সংৰক্ষণ আৰু কৃষি উৎপাদন বৃদ্ধি কৰাত সহায়ক হ'ব। অনুষ্ঠানত নতুন ব্যৱস্থাৰ অধীনত কেইবাগৰাকী কৃষকক আনুষ্ঠানিকভাৱে সাৰ বিক্ৰী কৰি এই প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰা হয়। আজিৰ অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত ড° ময়ূৰপংখী বৰা, জিলা কৃষি বিষয়া দিলীপ কুমাৰ বৰা, মহকুমা কৃষি বিষয়া মেহেদী আৰিফ হুচেইন, মহকুমা কৃষি তথ্য বিষয়া গৌতম নাথ, কৃষি উন্নয়ন বিষয়া সকল, কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰী, কৃষক সকলৰ লগতে সাৰৰ খুচুৰা আৰু পাইকাৰী বিক্ৰেতাসকল উপস্থিত থাকে। জিলা কৃষি বিষয়া দিলীপ কুমাৰ বৰাই এই নতুন ব্যৱস্থাৰ জৰিয়তে কৃষকসকলক সাৰৰ বৈজ্ঞানিক আৰু প্ৰয়োজনভিত্তিক ব্যৱহাৰৰ বাবে আগবাঢ়ি আহিবলৈ কৃষক ৰাইজক আহ্বান জনায়।

# সাহপুৰ ৰাজঘাটত পদ্মশ্ৰী নুৰুদ্দিন আহমেদক সম্বৰ্ধনা; নটসূৰ্য ফণী শৰ্মা স্মৃতি দিৱস পালন

**অসম বাৰ্তা, চামতা, ৩১ জুলাই ঃ** পশ্চিম নলবাৰীৰ সাহপুৰ ৰাজঘাটস্থ ১০৬ বছৰীয়া ঐতিহ্যমণ্ডিত ধৰ্মপুৰ জ্ঞানদায়িনী নাট্য সমাজত শুক্ৰ বাৰে(আজি) নটসূৰ্য ফণী শৰ্মা স্মৃতি দিৱস পালন কৰা হয় আৰু ইয়াৰ লগত সংগতি ৰাখি সংগতি নাটক অকাডেমী বঁটা প্ৰাপক পদ্মশ্ৰী নুৰুদ্দিন আহমেদক সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে পুৱা ১০ বজাত নটসূৰ্য ফণী শৰ্মাৰ প্ৰতিচ্ছবি বন্তি প্ৰজ্বলন কৰে নাট্য সমাজৰ সভাপতি দীপক কুমাৰ শৰ্মাই। মাল্যাৰ্পণ আৰু পুষ্পাঞ্জলি প্ৰদান কৰে ক্ৰমে অমৰেন্দ্ৰ চক্ৰৱৰ্তী, প্ৰনৱ তালুকদাৰ, ভগৱান বৰ্মন, ৰতন শৰ্মা, নাৰায়ণ তালুকদাৰ আদিয়ে। নাট্য সমাজৰ সভাপতি দীপক কুমাৰ শৰ্মাৰ সভাপতিত্ব অনুষ্ঠিত সম্বৰ্ধনা সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে জ্যেষ্ঠ সাংবাদিক কমল কুমাৰী ভাগৱতী আৰু কামৰূপ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ডঃ ধ্ৰুৱজ্যোতি নাথে। অমৰেন্দ্ৰ চক্ৰৱৰ্তীয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। নাট্য সমাজৰ সম্পাদক ভগৱান বৰ্মন, সাংস্কৃতিক সম্পাদক ৰতন শৰ্মাই আতধৰা অনুষ্ঠানত সঙ্গীত নাটক অকাডেমী বঁটা প্ৰাপক পদ্মশ্ৰী নুৰুদ্দিন আহমেদক নাট্য সমাজে ফুলাম গামোচা, চেলেং, ফুলাম জাপি, দুখন গ্ৰন্থ, এটি মোমেণ্ট', এখন মানপত্ৰ প্ৰদান কৰি সম্বৰ্ধনা জনাই। এই অনুষ্ঠানতে ধৰ্মপুৰ জ্ঞানদায়িনী সভা, কুটুম্ব কৰণিয়ে আহমেদক ফুলাম গামোচা, মোমেণ্ট' আৰু মানপত্ৰ প্ৰদান কৰি সম্বৰ্ধনা জনাইছে। অনুষ্ঠানত কৃতি শিক্ষক নগেন্দ্ৰ নাথ শৰ্মা, সাংস্কৃতিক কৰ্মী বিপুল বৰ্মনকে ধৰি বহু লোকে আহমেদক ফুলাম গামোচা যে সম্বৰ্ধনা জনায়। এই সভাতে সৰ্বভাৰতীয় নীট পৰীক্ষাত উত্তীৰ্ণ হোৱা নদলাৰ মেধাৱী ছাত্ৰ অঙ্কুৰ কাকতিকো নাট্য সমাজে উষ্ণ অভিনন্দন জনায়। অনুষ্ঠানত সম্বৰ্ধিত নুৰুদ্দিন আহমেদে নিজৰ মনৰ ভাৱ ব্যক্ত কৰে।

# শিৱসাগৰৰ বান আক্ৰান্তৰ কাষত সদৌ অসম আৰক্ষী সন্থা

### সাহায্য বিতৰণ আৰু পৰিস্থিতিৰ বুজ

**অসম বাৰ্তা, গেলেকী, ৩১ জুলাই ঃ** প্ৰলয়ংকৰী বানত বিধ্বস্ত হৈ পৰিছে উজনি অসমৰ তিনিখনকৈ জিলা। ইয়াৰ ভিতৰত অন্যতম অধিক বানাক্ৰান্ত জিলা হিচাপে চিহ্নিত হৈছে ঐতিহাসিক শিৱসাগৰ জিলা। জিলাখনৰ বিভিন্ন প্ৰান্তত আজিও অব্যাহত আছে প্ৰকৃতিৰ তাণ্ডৱ লীলা। বানৰ বিভীষিকাত সৰ্বস্বান্ত হৈ পৰা বহু লোক আজিও নিজা ঘৰলৈ উভতি যাব পৰা নাই। ফলত বাধ্য হৈ তেওঁলোকে ৰাষ্ট্ৰীয় ঘাইপথ, ৰেলপথ আৰু আনুষঙ্গিক উচ্চ স্থানসমূহত আশ্ৰয় ল'বলগীয়া হৈছে। এই দুৰ্যোগপূৰ্ণ সময়ত বানাক্ৰান্তসকলক সহায়ৰ হাত আগবঢ়াবলৈ চৰকাৰৰ লগতে ৰাজ্যখনৰ বহু হৃদয়বান ব্যক্তি, বেচৰকাৰী সংস্থা আৰু জাতীয় সংগঠনসমূহৰ লগতে পিছপৰি ৰোৱা নাই আৰক্ষী বাহিনীৰ লোকসকল। আইন-শৃংখলা ৰক্ষাৰ ব্যস্ততাৰ মাজতো অসম আৰক্ষীত নিয়োজিত জোৱানসকলে নিজৰ সাধ্যানুসৰি বানপীড়িতসকলৰ কাষত থিয় দিছে। তাৰে অংশস্বৰূপে আজি সদৌ অসম আৰক্ষী সন্থাৰ তৰফৰ পৰা এটা বিশেষ বান সাহায্য দল শিৱসাগৰত উপস্থিত হয়। দলটোৱে শিৱসাগৰৰ বেতবাৰীৰ বিভিন্ন বানাক্ৰান্ত লোকসকলৰ মাজত জৰুৰীকালীন খাদ্য সামগ্ৰী বিতৰণ কৰাৰ লগতে তেওঁলোকৰ দুখ-দুৰ্দশা আৰু সামগ্ৰিক পৰিস্থিতিৰ বুজ লয়। আজিৰ এই সাহায্য বিতৰণ তথা পৰিদৰ্শন কাৰ্যসূচীত সদৌ অসম আৰক্ষী সন্থাৰ তৰফৰ পৰা কেন্দ্ৰীয় সমিতিৰ সম্পাদক উপেন্দ্ৰ সিং, কাৰ্যকৰী সভাপতি কুশল বৰুৱা, কাৰ্যালয় সম্পাদক মুনীন্দ্ৰ চক্ৰৱৰ্তী আৰু শিৱসাগৰ জিলাৰ প্ৰচাৰ সম্পাদক ইদুল হাজৰিকা উপস্থিত থাকি বানাক্ৰান্তসকলক সমবেদনা জ্ঞাপন কৰে। আৰক্ষী সন্থাৰ এই মানৱীয় পদক্ষেপে বানাক্ৰান্তসকলক কিছু পৰিমাণে হ'লেও সকাহ প্ৰদান কৰিছে।

# টংলা সাপ্তাহিক বজাৰৰ কদৰ্য ৰূপ; গেলা-পচা অতি কদৰ্যময় পথেৰে বজাৰত যাতায়াত ৰাইজৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৩১ জুলাই ঃ** সময় বাগৰি অহাৰ লগে লগে সকলোৱে পাহৰি গৈছে স্বচ্ছ ভাৰত মিছনৰ কথা। স্বচ্ছ ভাৰত মিছনৰ কোনো অভিলাষী আচনিয়ে ঢুকি পোৱা নাই টংলা সাপ্তাহিক বজাৰখনক। এজাক সাধাৰণ বৰষুণতে অতি কৰ্দয্য ৰূপ লয় বজাৰখনে। বজাৰখনৰ বাহিৰৰ আৰু ভিতৰৰ সকলোবোৰ পথে ইমানেই বেয়া অৱস্থা যে বজাৰ কৰিব অহা সৰ্বসাধৰণৰ ৰাইজে নিজৰ মন পছন্দৰ সামগ্ৰী ক্ৰয় কৰিবলৈ দহবাৰ ভাবিবলৈ বাধ্য হয়। প্ৰতি সপ্তাহৰ মঙ্গলবাৰ আৰু শুক্ৰবাৰে হোৱা বজাৰখনৰ ভিতৰত মাছ আৰু মাংসৰ দোকানত মাছ আৰু মাংস ক্ৰয় কৰাটো চিন্তনীয় বিষয় হৈছে। মাছ আৰু মাংসৰ দোকানৰ সন্মুখত অহা যোৱা কৰা পথবোৰ ইমানেই বোকা পানীৰে পৰিপূৰ্ণ আৰু লেতেৰা দুৰ্গন্ধময় অৱস্থা ভাবিব নোৱাৰা পৰিৱেশ। এনে লেতেৰা কৰ্দয পৰিৱেশতে মুকলিকৈ বিক্ৰী কৰা মাছ আৰু মাংস ক্ৰয় কৰিব বাধ্য হয় ৰাইজ। আনহাতে বজাৰখনৰ শাক পাচলি বিক্ৰী কৰা অঞ্চলটোৰ পথবোৰ যথেষ্ট কৰ্দযময় পৰিৱেশ। ৰাইজে উপায়ন্তৰ হৈ লেতেৰা বোকা পানী গচকি শাক পাচলি ক্ৰয় কৰিব বাধ্য হয়। উপযুক্ত নলা নদৰ্মা আৰু সুপৰিকল্পিত পথ নিৰ্মাণ নকৰাৰ ফলত সাধাৰণ এজাক বৰষুণতে বজাৰখনত ঠাই বিশেষে একাঁঠু পানী জমা হৈ পৰে। বজাৰখনৰ এনে লেতেৰা পৰিৱেশৰ বাবে দিনক দিনে গ্ৰাহকৰ সংখ্যা কমি অহাত বজাৰৰ দোকানী ব্যৱসায়ীসকলে আৰ্থিকভাৱে সমস্যাৰ সন্মুখীন হৈছে। টংলা পৌৰ সভাৰ পৰিচালনাত নিয়ন্ত্ৰিত এইখন সাপ্তাহিক বজাৰৰ পৰা মঙ্গলবাৰ আৰু শুক্ৰবাৰৰ বাবে পৌৰ সভাই বছৰে প্ৰায় ১৬ লাখ টকা মহলদাৰৰ পৰা আদায় কৰে যদিও বজাৰখনৰ এনে কৰ্দযৰূপে বিৰক্ত কৰিছে গ্ৰাহক ৰাইজৰ লগতে বিক্ৰেতা সকলকো। টংলাৰ ৰাইজে অতি শীঘ্ৰে বজাৰখন উন্নতমানৰ আৰু সুপৰিকল্পিত ভাৱে সজাই তুলিব আহ্বান জনাইছে। এই ক্ষেত্ৰত টংলা বিধান সভা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকাক টংলা সাপ্তাহিক বজাৰখনৰ উন্নয়নৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# গোলাঘাটত গ্ৰীষ্মকালীন কৰ্মশালাৰ সফল সামৰণি

### ৬০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৩১ জুলাই ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত গোলাঘাট জিলা প্ৰশাসনৰ সহযোগত তথা নাইট অৱ টুমৰ ফাউণ্ডেশ্যনৰ তত্বাবধানত ১৫ দিনীয়া কৰ্মশালাৰ আজি সফল সামৰণি পৰে। গোলাঘাট জিলাৰ দৈগ্ৰোং কেন্দুগুৰি ভাৰতী আৰ্ট এণ্ড ক্ৰাফ্ট একাডেমীত ১৫ জুলাইৰ পৰা আৰম্ভ হোৱা ১৫ দিনীয়া এই কৰ্মশালাত ছাত্ৰ-ছাত্ৰীসকলক টেৰাকটা, চিত্ৰাংকন আৰু নাট কৰ্মশালা প্ৰদান কৰা হয়। অঞ্চলটোৰ প্ৰায় ৬০ গৰকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই কৰ্মশালাৰ আজি সামৰণি অনুষ্ঠানত মুখ্য অতিথি গোলাঘাট জিলাৰ অতিৰিক্ত আয়োক্ত জিণ্টু বৰা, জিলা সাংস্কৃতিক বিষয়া শান্তনু চৌলিক আৰু সাংস্কৃতিককৰ্মী গোলাপ শইকীয়াই উপস্থিত থাকি ছাত্ৰ ছাত্ৰীসকলে প্ৰদৰ্শন কৰা নৃত্য গীত আদি উপভোগ কৰে। এই কৰ্মশালাত প্ৰশিক্ষক হিচাপে উপস্থিত থাকে মছিফ আহমেদ আৰু সুনীতা হাজৰিকাই।

# পাঁচ বছৰলৈ অব্যাহত পিএম-কিষাণ

বাবে মুঠ ৩.১৫ লাখ কোটি টকা ব্যয় কৰাৰো কেবিনেটে অনুমতি প্ৰদান কৰে। কেবিনেট বৈঠকৰ পাছত নতুন দিল্লীত সংবাদমেল সম্বোধন কৰি কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, পিএম-কিষাণ ভাৰত চৰকাৰৰ অন্যতম প্ৰধান কাৰ্যসূচী। এই কাৰ্যসূচীৰ অধীনত কৃষকসকলক শস্য ঋতু অনুসৰি আৰ্থিক সাহায্য প্ৰদান কৰা হয়। বছৰি কৃষকসকলে তিনিবাৰকৈ ২, ০০০ টকাকৈ মুঠ ৬, ০০০ টকা পোনপটীয়াকৈ নিজৰ বেংক একাউণ্টলৈ ডাইৰেক্ট বেনিফিট ট্ৰেন্সফাৰ (ডিবিটি) ব্যৱস্থাৰ জৰিয়তে লাভ কৰে। এই সাহায্যই প্ৰতিটো শস্য চক্ৰৰ আৰম্ভণিতে বীজ, সাৰ আৰু অন্যান্য কৃষি সামগ্ৰী ক্ৰয় কৰাত কৃষকসকলক সহায় কৰে। খাৰিফ শস্যৰ বীজ সিঁচাৰ পৰা চপোৱালৈকে আৰু ৰবি শস্যৰ প্ৰস্তুতি আৰু চপোৱাৰ সময়ছোৱাতো কৃষকসকল উপকৃত হয়। মন্ত্ৰী বৈষ্ণৱে লগতে কয় যে, আঁচনিখনৰ ম্যাদ বৃদ্ধি কৰা হৈছে আৰু ইয়াৰ প্ৰভাৱ সম্পৰ্কে কেইবাটাও অধ্যয়ন কৰা হৈছে। অধ্যয়নসমূহৰ মতে, এই কাৰ্যসূচীৰ বাবেই ৮৫ শতাংশ কৃষকে নিজৰ ঋণ হ্ৰাস কৰিবলৈ সক্ষম হৈছে। পিএম-কিষাণ আঁচনিৰ অধীনত পোনপটীয়া লাভ হস্তান্তৰ ব্যৱস্থাই সময়মতে আৰু স্বচ্ছভাৱে কৃষক পৰিয়াললৈ আয়ৰ সহায় আগবঢ়াইছে, যাৰ ফলত কৃষকসকলে কৃষিক্ষেত্ৰত বিনিয়োগ বৃদ্ধি কৰাৰ লগতে জীৱিকা সুদৃঢ় কৰিব পাৰিছে। উল্লেখ্য যে, ২০১৯ চনৰ ফেব্ৰুৱাৰী মাহত আৰম্ভ কৰা এই আঁচনিখনৰ অধীনত যোগ্য কৃষক পৰিয়ালসমূহে বছৰি ৬, ০০০ টকা তিনিটা সমান কিস্তিত লাভ কৰে। আধাৰ প্ৰমাণীকৰণ, ডিজিটেল পৰীক্ষণ আৰু শক্তিশালী ডিবিটি ব্যৱস্থাৰ জৰিয়তে এই আঁচনিখনে স্বচ্ছতা, দক্ষতা আৰু জবাবদিহিতাৰ এক উৎকৃষ্ট উদাহৰণ সৃষ্টি কৰিছে। পিএম-কিষাণ আঁচনিৰ পৰিসংখ্যাৰ ফালৰ পৰা চালে, এতিয়ালৈকে ১৯টা কিস্তিত মুঠ ৪.৪৭ লাখ কোটি টকাতকৈও অধিক ধন পোনপটীয়াকৈ কৃষকৰ বেংক একাউণ্টলৈ স্থানান্তৰ কৰা হৈছে। ২৩ সংখ্যক কিস্তিৰ অধীনত ৯.৪৯ কোটি টকাতকৈ অধিক কৃষকে ১৮, ৯৮৪ কোটি টকাৰো অধিক ধন লাভ কৰে। ক'ভিড-১৯ মহামাৰীৰ সময়তো কৃষকসকলক আৰ্থিক সাহায্যৰ বাবে ১.৭১ লাখ কোটি টকাতকৈও অধিক ধন বিতৰণ কৰা হৈছিল। ইয়াৰ উপৰিও মহিলা কৃষকসকলেও এই আঁচনিৰ অধীনত ১.০৬ লাখ কোটি টকাতকৈ অধিক ধন লাভ কৰিছে। প্ৰতি চাৰিজন হিতাধিকাৰীৰ বিপৰীতে প্ৰায় এগৰাকী মহিলা কৃষক এই আঁচনিৰ সুবিধাভোগী। পিএম-কিষাণৰ অধীনত লাভ কৰা সাহায্যই কৃষকসকলক বীজ, সাৰ, জলসিঞ্চন, কৃষি যন্ত্ৰপাতি আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় কৰাত সময়মতে বিনিয়োগ কৰিবলৈ সক্ষম কৰিছে। ইয়াৰ ফলত উৎপাদন ক্ষমতা বৃদ্ধি পাইছে, অনানুষ্ঠানিক ঋণৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস পাইছে আৰু গ্ৰাম্য পৰিয়ালৰ অৰ্থনৈতিক অৱস্থা শক্তিশালী হৈছে। নীতি আয়োগৰ উন্নয়ন নিৰীক্ষণ আৰু মূল্যায়ন কাৰ্যালয়ৰ (ডিএমইঅ') এক মূল্যায়ন অনুসৰি, ৯২ শতাংশতকৈ অধিক হিতাধিকাৰীয়ে লাভ কৰা আৰ্থিক সাহায্য কৃষি সম্পৰ্কীয় কাম-কাজ আৰু কৃষিত বিনিয়োগৰ বাবে ব্যৱহাৰ কৰিছে। প্ৰায় ৮৫ শতাংশ হিতাধিকাৰীয়ে কৃষি আয়ৰ উন্নতি আৰু অনানুষ্ঠানিক ঋণৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস পোৱাৰ কথাও নিশ্চিত কৰিছে। ২০২০-২১ চনৰ পৰা ২০২৫-২৬ চনলৈকে শস্যৰ উৎপাদন যথেষ্ট বৃদ্ধি হৈছে। এই সময়ছোৱাত খেতিপথাৰৰ পৰিমাপ প্ৰায় ৯.৬৫ শতাংশ, উৎপাদনশীলতা প্ৰায় ১০.৫৩ শতাংশ আৰু মুঠ শস্য উৎপাদন প্ৰায় ২১.১৮ শতাংশলৈ বৃদ্ধি পাইছে, যিয়ে পিএম-কিষাণ আঁচনিৰ অধীনত কৃষকসকলক প্ৰদান কৰা ব্যাপক সহায় আৰু কৃষি খণ্ডৰ ক্ৰমবৰ্ধমান সম্ভাৱনাক স্পষ্টভাৱে প্ৰতিফলিত কৰে। 'ডিজিটেল ইণ্ডিয়া'ৰ ফলপ্ৰসু ব্যৱহাৰৰ উৎকৃষ্ট উদাহৰণ পিএম-কিষাণ আঁচনি। আধাৰভিত্তিক প্ৰমাণীকৰণ, হিতাধিকাৰীৰ ডিজিটেল পৰীক্ষণ আৰু ডিবিটি ব্যৱস্থাৰ জৰিয়তে কৃষকসকললৈ প্ৰত্যক্ষ আৰ্থিক সাহায্য প্ৰেৰণ কৰা হৈছে। এই আঁচনিখনে কেৱল আৰ্থিক সাহায্য প্ৰদানেই কৰা নাই, বৰঞ্চ কৃষকৰ আত্মবিশ্বাস, আত্মনিৰ্ভৰশীলতা আৰু কৃষিত বিনিয়োগ কৰাৰ ক্ষমতা বৃদ্ধি কৰিছে। পিএম-কিষাণ আঁচনিৰ নিৰন্তৰ সম্প্ৰসাৰণে কৃষকসকলৰ কৃষিক্ষেত্ৰত বিনিয়োগ কৰাৰ ক্ষমতা বৃদ্ধি কৰাৰ লগতে উৎপাদনশীলতা বৃদ্ধি কৰিব আৰু কৃষি সম্পৰ্কীয় বিপদসমূহ লাঘৱ কৰিব। লগতে গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰাত সহায় কৰিব। চৰকাৰৰ কৃষককেন্দ্ৰিক নীতিৰ মূল স্তম্ভ হিচাপে পিএম-কিষাণ আঁচনিয়ে জাতিটোৰ কোটি কোটি কৃষকক সবলীকৰণ কৰাৰ লক্ষ্য আগত ৰাখিছে, যাৰ ফলত ভাৰতৰ 'বিকশিত ভাৰত' (উন্নত ভাৰত)ৰ যাত্ৰাত কৃষকসকলৰ ভূমিকা আৰু অধিক শক্তিশালী হ'ব বুলি আশা কৰা হৈছে।

# যন্তৰ-মন্তৰৰ ছাত্ৰ প্ৰতিবাদ

'ভিত্তিহীন আৰু অগ্ৰহণযোগ্য' বুলি আখ্যা দিয়ে। চিজেপিৰ মুখপাত্ৰ সৌৰভ দাসে কয় যে, যন্তৰ মন্তৰত অনুষ্ঠিত ছাত্ৰ প্ৰতিবাদ আছিল এক সুস্থ গণতান্ত্ৰিক আন্দোলন, য'ত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ সাংবিধানিক অধিকাৰ প্ৰয়োগ কৰি নীট প্ৰশ্নকাকত ফাদিল আৰু পৰীক্ষা ব্যৱস্থাত হোৱা অনিয়মৰ বিৰুদ্ধে প্ৰতিবাদ জনাইছিল। দাসে লগতে কয়, "ৰুচিকা শৰ্মাৰ বিৰুদ্ধে উত্থাপিত এফআইআৰ সম্পূৰ্ণ ভিত্তিহীন আৰু কোনোভাৱে গ্ৰহণযোগ্য নহয়। এই আন্দোলনত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবাদ কৰাৰ সাংবিধানিক অধিকাৰ ব্যৱহাৰ কৰিছিল।" উল্লেখ্য যে, যোৱা ৮ জুলাই যন্তৰ মন্তৰত প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে প্ৰতিবাদৰ সময়ত প্ৰধানমন্ত্ৰীগৰাকীক উদ্দেশ্যি গালি-গালাজ আৰু আপত্তিজনক মন্তব্য কৰা বুলি অধিবক্তা স্মৃতি সিঙে অভিযোগ উত্থাপন কৰাৰ পাছতে নয়ডা আৰক্ষীয়ে এক্সপ্ৰেছৱে থানাত 'জিৰ' এফআইআৰ ৰুজু কৰে। আৰক্ষীৰ মতে, অভিযোগকাৰীয়ে প্ৰথমে উত্তৰ প্ৰদেশৰ নয়ডাৰ এক্সপ্ৰেছৱে থানাত অভিযোগ দাখিল কৰে। পৰীক্ষণৰ সময়ত আৰক্ষীয়ে জানিব পাৰে যে ৰুচিকা শৰ্মাৰ নয়ডাত এটা ফ্লেট থাকিলেও বৰ্তমান তেওঁ হাৰিয়ানাৰ ফৰিদাবাদৰ উঞ্চা গাঁৱত বাস কৰে। অভিযোগত কোৱা হৈছে যে, শৰ্মাৰ মন্তব্যই প্ৰধানমন্ত্ৰীৰ সাংবিধানিক কাৰ্যালয়ৰ মৰ্যাদা হানি কৰিছে, ঘৃণা বিয়পাইছে আৰু ৰাজহুৱা শান্তি ভংগ কৰাৰ সম্ভাৱনা আছিল। এই অভিযোগৰ ভিত্তিত আৰক্ষীয়ে ভাৰতীয় ন্যায় সংহিতা (বিএনএছ)ৰ ধাৰা ৩৫২ (শান্তি ভংগৰ বাবে ইচ্ছাকৃতভাৱে অপমান), ৩৫৩(১) (জনসাধাৰণৰ মাজত বিশৃংখলা বা অনিষ্ট সৃষ্টি কৰা বক্তব্য), আৰু ৩৫৬ (1) (মানহানি)ৰ অধীনত গোচৰ ৰুজু কৰে। শচইয়াৰ আগতে ভাৰতীয় দণ্ডবিধি আইপিচিৰ ধাৰা ৫০৪, ৫০৫(১) আৰু ৪৯৯/৫০০ অনুসৰি এইবোৰ ধাৰা আছিল। ) অতিৰিক্ত আৰক্ষী উপ আয়ুক্ত (নয়ডা) মনীষা সিঙে এই গোচৰটো 'জিৰ' এফআইআৰ হিচাপে পঞ্জীয়ন কৰা বুলি নিশ্চিত কৰি কয়, "গাজিয়াবাদৰ এগৰাকী বাসিন্দাই ভাৰতৰ প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে যন্তৰ মন্তৰত গালি-গালাজ কৰা বুলি অভিযোগ উত্থাপন কৰি নয়ডাৰ ১৬৮ ছেক্টৰৰ বাসিন্দা ৰুচিকা শৰ্মাৰ বিৰুদ্ধে এফআইআৰ দাখিল কৰিছে। এয়া 'জিৰ' এফআইআৰ, ইয়াক অধিক তদন্তৰ বাবে নতুন দিল্লীলৈ স্থানান্তৰ কৰা হ'ব।" উল্লেখ্য যে, 'জিৰ' এফআইআৰৰ সুবিধা হ'ল-ঘটনাটো য'তেই সংঘটিত নহওক কিয়, যিকোনো আৰক্ষী থানাতেই গোচৰ পঞ্জীয়ন কৰিব পাৰি। পৰৱৰ্তী সময়ত এই গোচৰটো ঘটনাস্থলীৰ ন্যায়িক ক্ষেত্ৰ থকা থানালৈ হস্তান্তৰ কৰা হয়, যাতে বিচাৰ ক্ষমতাৰ সমস্যাৰ বাবে অভিযোগ পঞ্জীয়নত পলম নহয়। চিজেপিৰ মুখপাত্ৰ দাসে শেষত কয় যে, এই ধৰণৰ এফআইআৰে গণতান্ত্ৰিক প্ৰতিবাদৰ বাতাৱৰণক দমন কৰিবলৈ চেষ্টা কৰা হৈছে, যাৰ বিৰুদ্ধে দলটোৱে প্ৰয়োজনীয় আইনী আৰু ৰাজনৈতিক পদক্ষেপ গ্ৰহণ কৰিব।

# কুলশী বহুমুখী প্ৰকল্পৰ ডিপিআৰ অসম

বশিষ্ঠস্থিত ব'ৰ্ডৰ কাৰ্যালয়ত আয়োজিত অনুষ্ঠানত অসম শক্তি উৎপাদন কোম্পানী লিমিটেডৰ মুখ্য মহাপ্ৰবন্ধক সৌৰভ শইকীয়াৰ হাতত এই ডিপিআৰ প্ৰদান কৰে। ৫৫ মেগাৱাট ক্ষমতাসম্পন্ন এই বহুমুখী প্ৰকল্প নিৰ্মাণৰ দায়িত্ব এতিয়া অসম চৰকাৰৰ ওপৰত ন্যস্ত হ'ল। ডিপিআৰ অনুসৰি, ২০১৭ চনৰ জুন মাহৰ মূল্যস্তৰত প্ৰকল্পটোৰ আনুমানিক ব্যয় ধৰা হৈছে ৰ, ৪৫৪.৯৫ কোটি টকা। বিস্তৃত জৰীপ আৰু তদন্তৰ পাছত ব্ৰহ্মপুত্ৰ ব'ৰ্ডে এই ডিপিআৰ প্ৰস্তুত কৰিছিল। প্ৰকল্পটোৰ পৰিকল্পনা অনুসৰি, কুলশী নদীৰ ওপৰেৰে নিৰ্মিত হ'বলগীয়া এই বান্ধে প্ৰায় ২৬, ০০০ হেক্টৰ মুঠ নিয়ন্ত্ৰণ ক্ষেত্ৰত জলসিঞ্চনৰ সুবিধা প্ৰদান কৰাৰ লগতে আকস্মিক বান নিয়ন্ত্ৰণৰ সুবিধাও আগবঢ়াব। প্ৰধান লক্ষ্য হৈছে ৫৫ মেগাৱাট জলবিদ্যুৎ উৎপাদন কৰা। ইফালে, ডিপিআৰ হস্তান্তৰৰ পিছতেই স্থানীয় দল-সংগঠনসমূহে তীব্ৰ বিৰোধিতা প্ৰকাশ কৰি উঠিছে। শুকুৰবাৰে অসম-মেঘালয় কুলশী নদীবান্ধ বিৰোধী সংগ্ৰামী মঞ্চ, নিখিল ৰাভা জাতীয় পৰিষদৰ কামৰূপ জিলা সমিতি আৰু গাৰো জাতীয় পৰিষদৰ কামৰূপ জিলা সমিতিৰ যৌথ উদ্যোগত ছয়গাঁওস্থিত জংগম সাংস্কৃতিক ভৱনত এখন সংবাদমেল অনুষ্ঠিত হয়। সংবাদমেলত কুলশী নদীবান্ধ বিৰোধী সংগ্ৰামী মঞ্চৰ সভাপতি চবিন চন্দ্ৰ ৰাভা, সম্পাদক চেংজান এন চাংমা আৰু উপদেষ্টা দেৱজিৎ চৌধুৰীয়ে কয় যে, ১৮৯৭ চনৰ প্ৰবল ভূমিকম্পৰ ফলত সৃষ্টি হোৱা ঐতিহাসিক চানডুবি বিলৰ পৰা মাত্ৰ কিলোমিটাৰ উজনিত এই বান্ধ স্থাপন কৰাটো অত্যন্ত বিপজ্জনক। তেওঁলোকে সতৰ্কবাণী দিয়ে যে, বানপানী, ভূমিকম্প বা ডাৱৰ বিস্ফোৰণৰ ফলত বান্ধখন ভাঙি গ'লে দিখৌ বা ৰঙা নদীৰ দৰে এক প্ৰলয়ংকাৰী ধ্বংসলীলাৰ সৃষ্টি হোৱাটো নিশ্চিত। সংগ্ৰামী মঞ্চৰ নেতাসকলে লগতে উল্লেখ কৰে যে, এই প্ৰকল্প কাৰ্যকৰী হ'লে উকিয়ামকে ধৰি কুলশী নৈপৰীয়া অঞ্চলসমূহৰ কৃষি, পশুধন, জীৱন-জীৱিকা আৰু সংস্কৃতিৰ ব্যাপক ক্ষতি হ'ব। লগতে, জৈৱ বৈচিত্ৰ্যপূৰ্ণ চানডুবি বিল, ৰাষ্ট্ৰীয় জলচৰ প্ৰাণী নদীশিহুৰ বাসস্থান, দৰাবিলৰ জৈৱ বৈচিত্ৰ্য আৰু তাৰ ওপৰত নিৰ্ভৰশীল মৎস্যজীৱী আৰু মৃতশিল্পী লোকসকলৰ লগতে সমগ্ৰ দক্ষিণ কামৰূপৰ পাৰিপাৰ্শ্বিকতা আৰু ঐতিহ্যৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিব। সেয়ে উকিয়াম, চানডুবি, কুলশী, পাণ্টান, দৰাবিল, ছমৰীয়া আদি অঞ্চলৰ ৰাইজে এই প্ৰকল্প কোনো কাৰণতে মানি নলয় বুলি স্পষ্ট ঘোষণা কৰে। প্ৰয়োজনত তেওঁলোকে এক তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰো পৰিকৰ বুলি সদৰি কৰে। সংবাদমেলত সংগঠনসমূহে তিনিটা প্ৰধান দাবী উত্থাপন কৰে-প্ৰথমতে, প্ৰস্তাৱিত ৫৫ মেগাৱাট কুলশী বহুমুখী প্ৰকল্প অতি শীঘ্ৰে বাতিল কৰিব লাগে। দ্বিতীয়তে, কুলশী নদীপৰীয়া ৰাইজৰ কৃষি, জীৱন-জীৱিকা আৰু সংস্কৃতি ধ্বংস কৰিব নোৱাৰি। তৃতীয়তে, ভাৰতৰ ৰাষ্ট্ৰীয় জলচৰ প্ৰাণী নদীশিহুৰ বাসস্থান আৰু প্ৰজনন ক্ষেত্ৰ তথা চানডুবি আৰু দৰাবিল ৰক্ষা কৰিব লাগে। উল্লেখ্য যে, বৃহস্পতিবাৰে ডিপিআৰ হস্তান্তৰৰ পিছতেই এই বিৰোধীয়ে নতুন মাত্ৰা লাভ কৰিছে। অসম চৰকাৰে প্ৰকল্পটোৰ ভৱিষ্যত সন্দৰ্ভত কোন সিদ্ধান্ত গ্ৰহণ কৰে-তাৰ প্ৰতি সমগ্ৰ দক্ষিণ কামৰূপবাসীৰ দৃষ্টি নিবদ্ধ হৈ আছে।

# বান বিভীষিকাৰ মাজতেই আজিৰে পৰা

গ্ৰহণ কৰিছে, কিন্তু এই প্ৰতিযোগিতাখনৰ উদ্বোধনী অনুষ্ঠান অতি জাকজমকীয়াভাৱে অনুষ্ঠিত কৰিব নালাগে, কাৰণ অসমৰ বৰ্তমানৰ পৰিস্থিতি মনোৰঞ্জনধৰ্মী কাৰ্যসূচীৰ বাবে একেবাৰেই অনুকূল নহয়। প্ৰতিযোগিতাখন পিছুৱাই দিয়াটো সম্ভৱ নহয় বুলি তেওঁ স্পষ্ট কৰে। কাৰণ সকলো প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু ২৩ আগষ্টৰ পিছত এচিএৰ হাতত প্ৰতিযোগিতাখন পুনৰ নিৰ্ধাৰণ কৰাৰ বাবে কোনো উপযুক্ত সময় নাথাকে। শইকীয়াই লগতে কয় যে, যদি কাইলৈৰ পৰা ২৩ আগষ্টলৈ এই প্ৰতিযোগিতাখন অনুষ্ঠিত নকৰে, তেন্তে পৰৱৰ্তী আঠ মাহৰ বাবে কোনো সময় খালী নাথাকিব। কাৰণ এই প্ৰতিযোগিতাৰ পিছতেই ঘৰুৱা ক্ৰিকেট বৰ্ষ আৰম্ভ হ'ব আৰু ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ (আইপিএল)ৰ সৈতে ২০২৭ চনৰ মে' মাহলৈকে কাৰ্যসূচী অব্যাহত থাকিব। আয়োজকে সম্প্ৰচাৰ চুক্তিৰ কথাও উল্লেখ কৰি তেওঁ কয় যে, বাণিজ্যিক দায়বদ্ধতা উলংঘন কৰাৰ কোনো সুযোগ নাই, সেয়েহে বৰ্তমানৰ দুৰ্যোগপূৰ্ণ পৰিস্থিতিৰ মাজতো প্ৰতিযোগিতাখন আগবঢ়াবলগীয়া হৈছে। ইয়াৰ লগতে দেৱজিৎ শইকীয়াই অসমৰ বানপীড়িত ৰাইজক সহায়ৰ হাত বঢ়োৱাৰ বাবে অসম ক্ৰিকেট সন্থাৰ প্ৰশংসা কৰে। তেওঁ উল্লেখ কৰে যে, সন্থাই ইতিমধ্যে ২৪ জুলাইত বান সাহায্য পুঁজিৰ বাবে ৫০ লাখ টকা দান কৰিছিল, যি সংকটৰ সময়ত এক উল্লেখযোগ্য সামাজিক দায়বদ্ধতা। অসম প্ৰিমিয়াৰ লীগৰ এইআয়োজনে ক্ৰিকেটপ্ৰেমীসকলৰ মাজত যেনেকৈ উত্তেজনা সৃষ্টি কৰিছে, তেনেকৈ বানপীড়িত ৰাইজৰ প্ৰতি সংবেদনশীলতা ৰক্ষা কৰি অনুষ্ঠানটো সৰল ৰূপত সম্পন্ন কৰিবলৈ আয়োজকক আহ্বান জনোৱা হৈছে।

# অসমৰ বান পৰিস্থিতিৰ বিষয়ে

বানপানীয়ে সৃষ্টি কৰা বিধ্বংসী পৰিস্থিতিৰ বিৱৰণী দাঙি ধৰে। বৈঠকখনত সাংসদসকলে গৃহমন্ত্ৰীক জনায় যে, বানপানীৰ ফলত ৰাজ্যখনৰ বহু অঞ্চলত ব্যাপক ক্ষয়ক্ষতি হৈছে আৰু সাধাৰণ ৰাইজে চৰম দুৰ্যোগৰ সন্মুখীন হৈছে। বিশেষকৈ কৃষকসকল বিপুলসংখ্যক ফচল হেৰুৱাই আৰ্থিকভাৱে চৰম সংকটত পৰিছে। সেয়ে তেওঁলোকে গৃহমন্ত্ৰী শ্বাহৰ ওচৰত ক্ষতিগ্ৰস্ত কৃষকসকলক বিকশিত ভাৰত-মিছন ফৰ এমপ্লয়মেণ্ট এণ্ড লিভলিহুডছ গ্যাৰাণ্টী (গ্ৰামীন) (VB-GRAM) আইনৰ অধীনত ১০০ দিনৰ মজুৰি আগতীয়াকৈ প্ৰদান কৰি সংকট মোকাবিলাত সহায় কৰাৰ বাবে আহ্বান জনায়। ইফালে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰতিনিধি দলটোক কেন্দ্ৰীয় চৰকাৰৰ পৰা সম্ভৱপৰ সকলো প্ৰকাৰৰ সহায় প্ৰদান কৰাৰ সম্পূৰ্ণ আশ্বাস দিয়ে। তেওঁ লগতে কয় যে, বান পৰিস্থিতিৰ বিষয়ে তেওঁ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে অহৰহ যোগাযোগ কৰি আছে আৰু সময়োপযোগী সাহায্য নিশ্চিত কৰাৰ বাবে ব্যক্তিগতভাৱে বান সাহায্য অভিযানসমূহ নিৰীক্ষণ কৰি আছে। আনহাতে, ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ শেহতীয়া পৰিসংখ্যা অনুসৰি অসমত বানপানীৰ ফলত এতিয়ালৈকে মুঠ মৃত্যুৰ সংখ্যা ৮০ লৈ বৃদ্ধি পাইছে। বানপানীয়ে ৮টা ৰাজহ চক্ৰ আৰু ৫৫১খন গাঁও ক্ষতিগ্ৰস্ত কৰাৰ উপৰিও মুঠ ৩, ০০, ০৩১জন লোক এই দুৰ্যোগত পীড়িত হৈছে। বানপানীৰ ফলত ক্ষতিগ্ৰস্ত জিলাসমূহৰ প্ৰায় ২১, ৫২৩.০৮ হেক্টৰ শস্যৰ পূৰ্ণ ক্ষতি হৈছে। উল্লেখনীয় যে, বৰ্তমানলৈকে তিনি জিলাত সংঘটিত এই বিধ্বংসী বানপানীৰ প্ৰকৃত কাৰণ সম্পৰ্কে কোনো স্পষ্ট তথ্য পোহৰলৈ অহা নাই। কিন্তু বতৰ বিজ্ঞানীসকলে সন্দেহ প্ৰকাশ কৰিছে যে, ১৯ জুলাইত নাগালেণ্ডত স্বাভাৱিকতকৈ ১৮১ শতাংশ আৰু মোককচাঙত স্বাভাৱিকতকৈ ৪৯৩ শতাংশ অধিক বৰষুণ হোৱাৰ লগতে চৰাইদেউ আৰু শিৱসাগৰ অঞ্চলতো স্বাভাৱিকতকৈ অধিক বৰষুণ হোৱাৰ ফলতে বানপানীয়ে ভয়ংকৰ ৰূপ লাভ কৰিছে। এই বৈঠকে অসমৰ বানপীড়িত ৰাইজৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা অতিৰিক্ত সাহায্য আৰু উদ্ধাৰ কাৰ্য্য ত্বৰান্বিত কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

# আজমলৰ দুই কোটিৰ বিনিময়ত অসমীয়া

বাঘ, হাতী, হৰিনা পহু, বনৰীয়া ম'হ ইত্যাদি সকলো জীৱ জন্তু একেলগে জীৱন বচাবৰ বাবে সহবাস কৰে। এনেবোৰ প্ৰাকৃতিক কাৰণতে জাতি, ভেদ নেওচি মানুহ মানুহৰ কাষত বিপদৰ সময়ত থিয় হোৱা এক বিষয়ক লৈ এটি প্ৰেছ বিবৃতি প্ৰকাশ পাইছে। এই বিবৃতিত উজনি অসমৰ শেহতীয়া বানত আক্ৰান্তসকলৰ বাবে বদৰুদ্দিন আজমলে আগবঢ়োৱা দুই কোটি টকাৰ সাহায্যক লৈ একধৰণৰ আত্মঘাতী উদাৰসিকতা প্ৰদৰ্শন কৰাৰ প্ৰসংগত ৰাষ্ট্ৰবাদী সংগঠন হিন্দু সুৰক্ষা সেনা, অসম নামৰ সংগঠন টিয়ে এক প্ৰেছ বিবৃতি দ্বাৰা তেওঁ লোকৰ স্পষ্ট স্থিতি জানিবলৈ দিছে। বিবৃতিটোৰ জৰিয়তে সংগঠনটোৱে আজমলৰ দুই কোটি টকাত অসমীয়া জাতি সস্তা বিক্ৰী নকৰিবৰ বাবে আহ্বান জনায়। সংগঠনৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি কাঞ্চন নাথ আৰু সম্পাদক মিথুন দাসে এক প্ৰেছ বিবৃতিত কয় যে এই প্ৰলয়ংকৰী বানত পীড়িতসকলৰ বাবে কেৱল আজমলেই নহয়, লাখ লাখ লোকে নিজৰ সাধ্য অনুসৰি সাহায্য আগবঢ়াইছে আৰু প্ৰত্যেক সাহায্যৰ মানৱিক মূল্য একেই। আজমল হাজাৰ হাজাৰ কোটি টকাৰ মালিক হোৱাৰ বাবে দুই কোটি টকা তেওঁৰ বাবে সৰু পৰিমাণ। আনহাতে সংসদৰ ফালৰ পৰাও মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ দুই কোটি টকা আগবঢ়োৱা হৈছে আৰু বিশিষ্ট ব্যৱসায়ী অনিল দাসেও একেই পৰিমাণৰ টকা দিছে বুলি বিবৃতিত উল্লেখ কৰে। কিন্তু কেৱল আজমলৰ বদান্যক লৈহে সকলো উদাৰসিক হৈ উঠিছে-এই পৰিস্থিতিয়ে ভয়াবহ ভৱিষ্যতৰ ইংগিত দিয়ে বুলি সংগঠন টোৰ তৰফৰ পৰা সতৰ্ক কৰিব বিচাৰিছে বুলি উল্লেখ কৰে। বিবৃতিত আৰু কোৱা হৈছে যে আজমলে দুই কোটি কিয়, দুহেজাৰ কোটি টকা দিলেও অসমত খিলঞ্জীয়াৰ বিৰুদ্ধে মুছলমানৰ শতাব্দীজোৰা আগ্ৰাসনৰ বাস্তৱতা নোহোৱা হৈ নাযায়। তথাপি বহুতে আজমলৰ ধনৰ চিকমিকনিত ভোল গৈ সেই বাস্তৱতাক অস্বীকাৰ কৰিবলৈ উঠিপৰি লাগিছে। যদি এই প্ৰক্ৰিয়া অব্যাহত থাকে, তেন্তে অদূৰ ভৱিষ্যতে অসমত আজমলৰ সাহায্য ল'বলৈকো কোনো খিলঞ্জীয়া বা হিন্দু জীয়াই নাথাকিব আৰু কাশ্মীৰী পণ্ডিতৰ দৰে দিহিঙে-দিপাঙে ঘূৰি ফুৰিবলৈ বাধ্য হোৱা প্ৰজন্মই আমাক লোভী, অদূৰদৰ্শী আৰু দুৰ্বল জনসমষ্টি হিচাপে মনত ৰাখিব বুলি সংগঠনটোৰ তৰফৰ পৰা সতৰ্কবাণী দিছে। হিন্দু সুৰক্ষা সেনাই সকলোকে এই আহ্বান জনাইছে যে আজমলৰ দুই কোটি টকাৰ সাহায্যক লৈ অসমীয়া জাতিৰ স্বাৰ্থ আৰু অস্তিত্বক বিক্ৰী নকৰিব। এতিয়া কথা হ'ল বিবৃতিত প্ৰকাশ কৰা মতে মানুহৰ বিপদৰ সময়ত মানুহৰ মৰমৰ মাজতো লুকাই থাকে নেকি কিছু দীৰ্ঘ ম্যাদী অদৃশ্য কাৰ্যক্ৰমনিকা সেয়া সময়ৰ হাততহে নিবদ্ধ এক স্পৰ্শকাতৰ বিষয়।

# ২ আগষ্টৰ পৰা ৰাজ্যত

সঞ্চালক বিশ্বজিৎ পেগুৱে স্পষ্টভাৱে জানিবলৈ দিয়ে। উল্লেখনীয় যে, কাইলৈ অৰ্থাৎ পহিলা আগষ্টত লোকপিয়ল ২০২৭ৰ প্ৰথম পৰ্যায়ৰ বিভিন্ন দিশ সন্দৰ্ভত দিছপুৰত এখন সংবাদমেলৰ আয়োজন কৰা হৈছে। তাত সঞ্চালকগৰাকীয়ে আধিকাৰিকভাৱে সকলো তথ্য আগবঢ়াব। ইতিমধ্যে প্ৰশিক্ষণ কাৰ্যসূচী আৰু প্ৰয়োজনীয় ব্যৱস্থাপনা সম্পূৰ্ণ কৰি ৰাজ্যিক লোকপিয়ল সঞ্চালকালয় ২ আগষ্টৰ পৰা কাম আৰম্ভ কৰিবলৈ সাজু হৈ উঠিছে। এইবাৰৰ লোকপিয়লৰ বাবে অসমত মুঠ ৮৫ হাজাৰ গণনাকাৰী বিষয়াক নিযুক্তি দিয়া হৈছে। তেওঁলোকক প্ৰশিক্ষণ দিয়াৰ কামো ইতিমধ্যে শেষ কৰা হৈছে। ২ আগষ্টৰ পৰা প্ৰথম পৰ্যায়ৰ কাম আৰম্ভ হ'ব আৰু ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকল ঘৰে ঘৰে গৈ তথ্য সংগ্ৰহত নামি পৰিব। প্ৰথম পৰ্যায়ত গৃহ গণনাৰ কাম ১৫ ছেপ্তেম্বৰৰ ভিতৰত সম্পন্ন কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। বিষয়াসকলৰ দলবোৰে ঘৰে ঘৰি গৈ নাগৰিকসকলৰ পৰা প্ৰয়োজনীয় তথ্য লিপিবদ্ধ কৰিব। ৰাজ্যখনত লোকপিয়লৰ কাম দুটা পৰ্যায়ত সম্পন্ন কৰা হ'ব। প্ৰথম পৰ্যায়ৰ পাছত দ্বিতীয় পৰ্যায় হিচাপে ফেব্ৰুৱাৰী মাহৰ পৰা জাতিগত গণনাৰ কাম আৰম্ভ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। উল্লেখ্য যে, দেশৰ অন্যান্য প্ৰান্তত পহিলা এপ্ৰিলৰ পৰাই লোকপিয়ল আৰম্ভ হৈছিল যদিও অসমত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত এই কাম পলমকৈ আৰম্ভ কৰা হৈছে। এইবাৰ কেৱল জনসংখ্যা গণনাই নহয়, সামাজিক অৱস্থা, জাতিগত গণনা আৰু গৃহ পিয়লো অন্তৰ্ভুক্ত কৰা হৈছে। সবাতোকৈ গুৰুত্বপূৰ্ণ কথা হ'ল, এইবাৰ প্ৰথমবাৰৰ বাবে লোকপিয়লৰ কাম সম্পূৰ্ণৰূপে ডিজিটেল প্ৰক্ৰিয়াত সম্পন্ন কৰা হ'ব। অহা ৮ আগষ্টত মোবাইল প'ৰ্টেল মুকলি হোৱাৰ লগে লগে জনসাধাৰণে নিজেই প'ৰ্টেলত লগ ইন কৰি নিজৰ পৰিয়ালৰ সদস্য, ঘৰ, শিক্ষা, জীৱিকা আদিৰ তথ্য পোনপটীয়াকৈ দাখিল কৰিব পাৰিব। এই স্ব-গণনা প্ৰক্ৰিয়া পোন্ধৰ দিন ধৰি চলিব। তাৰ পিছত ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকল ঘৰে ঘৰে গৈ উক্ত তথ্যসমূহ পৰীক্ষা-নিৰীক্ষা কৰিব, যি কাৰ্য ১৫ ছেপ্তেম্বৰলৈ চলি থাকিব। ইয়াৰ উপৰিও এইবাৰ প্ৰতিটো বাসগৃহৰ জিঅ' টেগিং কৰি পৰিচয়সূচক নম্বৰ প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

# ৯ আগষ্টৰ পৰাহে বানাক্ৰান্ত অঞ্চলত খোল

বৈঠক কৰি ঋণৰ সময়সীমা বৃদ্ধি কৰা হৈছে। তাৎপৰ্যপূৰ্ণভাৱে, ৫ আগষ্টত অ-বিত্তীয় প্ৰতিষ্ঠান এনবিএফচিৰ লগত বৈঠক কৰি বানপীড়িতসকলক ঋণ সম্পৰ্কীয় সকাহ দিয়াৰো ব্যৱস্থা কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে ঘোষণা কৰে যে, বানত ক্ষতিগ্ৰস্ত লোকসকলে দুই-তিনি দিনৰ ভিতৰতে চৰকাৰে ঘোষণা কৰা ১৫ হাজাৰ টকাকৈ সাহায্য লাভ কৰিব। শিক্ষাৰ্থীসকলৰ ইউনিফৰ্মৰ বাবে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা সমগ্ৰ শিক্ষা বিভাগলৈ কাইলৈ ৮ কোটি টকা মোকলাই দিয়া হ'ব। ইতিমধ্যে পাঠ্যপুথি প্ৰেৰণ কৰা হৈছে আৰু শিক্ষাৰ্থীসকলৰ হোৱা ক্ষয়ক্ষতিৰ হিচাপ চলাই থকা হৈছে। ক্ষয়ক্ষতিৰ সঠিক মূল্যাঙ্কনৰ বাবে ৭ আগষ্টৰ পৰা দুৰ্যোগ প্ৰশমন বিভাগ আৰু ৰাজহ বিভাগৰ সহযোগত বানাক্ৰান্ত অঞ্চলসমূহত মুঠ ক্ষতিৰ জৰীপ আৰম্ভ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে, এই জৰীপ ৰপ্ত দিনৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে আৰু আজিৰ পৰাই মন্ত্ৰীসকল পুনৰ বানাক্ৰান্ত অঞ্চললৈ গৈ পৰিস্থিতি পৰ্যবেক্ষণ কৰিব। আগষ্ট মাহৰ ভিতৰত ক্ষতিপূৰণ প্ৰদান কৰাৰো লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। শিক্ষাখণ্ডৰ পুনৰুজ্জীৱনৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে, বানত শিৱসাগৰত ৫৫০খন আৰু চৰাইদেউ জিলাত বহু বিদ্যালয় ক্ষতিগ্ৰস্ত হৈছে আৰু এই বিদ্যালয়সমূহ বোকাত বুৰ গৈ আছে। অহা ৫-৬ আগষ্টৰ ভিতৰত ক্ষতিগ্ৰস্ত বিদ্যালয়সমূহক ৮ লাখ টকাকৈ সাহায্য প্ৰদান কৰা হ'ব। লগতে অহা ৯ আগষ্টৰ পৰা বানাক্ৰান্ত অঞ্চলসমূহৰ বিদ্যালয়সমূহ পুনৰ খোলাৰ লক্ষ্য স্থিৰ কৰা হৈছে। বানত নষ্ট হোৱা ৰাস্তা-ঘাট, দলং, মথাউৰি আদিৰ মেৰামতিৰ কাম অহা ৰ ছেপ্টেম্বৰৰ পৰা আৰম্ভ কৰাৰ সিদ্ধান্ত লোৱা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, আন্তঃগাঁথনিৰ বাবে যথেষ্ট পুঁজিৰ প্ৰয়োজন হ'ব, বিশেষকৈ শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ যাতায়াত ব্যৱস্থা আৰু ৰাস্তা-ঘাট নিৰ্মাণৰ বাবে চৰকাৰে বিশেষ পুঁজি প্ৰদান কৰিব। বানাক্ৰান্তসকলৰ মাজত ইতিমধ্যে পৰ্যাপ্ত বান সাহায্য প্ৰেৰণ কৰা হৈছে। অৰুণোদয় আঁচনিৰ অধীনত যোৰহাট, চৰাইদেউ, শিৱসাগৰ আৰু গোলাঘাট জিলাৰ বানপীড়িত লোকসকলে কাইলৈ অৰ্থাৎ শনিবাৰে ২৫০০ টকাকৈ লাভ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। বৈঠকত লোৱা আন কেইটামান গুৰুত্বপূৰ্ণ সিদ্ধান্ত সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয় যে, অসমত বায়'গেছৰ প্ৰচুৰ সম্ভাৱনাক মূলধন কৰি আছাম কম্প্ৰেছ বায়'গেছ পলিচী-২০২৬ কেবিনেটত অনুমোদন জনোৱা হৈছে। বৰপেটাৰ কলগাছিয়াত নেপিয়াৰ ঘাঁহৰ জৰিয়তে কম্প্ৰেছ বায়'গেছ প্ৰস্তুত কৰাৰ প্ৰকল্প ইতিমধ্যে সফলভাৱে চলি আছে আৰু গুৱাহাটী আৰু তিনিচুকীয়াত ন-কৈ বায়'গেছ প্লাণ্ট নিৰ্মাণৰ কাম আৰম্ভ হ'ব। ইয়াৰ উপৰিও পশু চিকিৎসা বিভাগত ভেটেৰিনেৰী ফিল্ড এচিষ্টেণ্ট (VFA) পদত নিযুক্তিৰ প্ৰক্ৰিয়াত সালসলনি ঘটোৱা হৈছে। এতিয়াৰ পৰা কেৱল মৌখিক পৰীক্ষাতে নহয়, প্ৰাৰ্থীসকলে লিখিত আৰু মৌখিক দুয়োটা পৰীক্ষাতে উত্তীৰ্ণ হ'ব লাগিব। আনহাতে, গোৱালপাৰাৰ প্ৰস্তাৱিত ৰাক্ষসিনী আৰু থাৰ্কোনলবাৰী সংৰক্ষিত বনাঞ্চলক আনুষ্ঠানিকভাৱে সংৰক্ষিত বনাঞ্চল হিচাপে স্বীকৃতি প্ৰদান কৰে কেবিনেটে।

# কুলগামত সন্ত্ৰাসবাদীৰ গুলীচালনা

পৰ্যায়তে আছে। ঘটনাৰ পিছতে সমগ্ৰ দক্ষিণ কাশ্মীৰত নিৰাপত্তা বাহিনীসমূহক সতৰ্ক অৱস্থাত ৰখা হৈছে। সেনা, জম্মু-কাশ্মীৰ আৰক্ষী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ অতিৰিক্ত দল ঘটনাস্থলীত উপস্থিত হৈ কেলাম অঞ্চল সম্পূৰ্ণৰূপে ঘেৰাও কৰে। সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰিবলৈ চলা অনুসন্ধান অভিযান এতিয়াও অব্যাহত আছে। জিলাখনৰ প্ৰতিটো প্ৰৱেশ পথতে তালাচী চলোৱা হৈছে, লগতে পথেৰে যাতায়াত কৰা বাহনসমূহক কঠোৰভাৱে পৰীক্ষা কৰি থকা হৈছে। উল্লেখ্য যে, দক্ষিণ কাশ্মীৰত নিৰাপত্তা বাহিনীসমূহে সন্ত্ৰাসবাদ বিৰোধী অভিযান তীব্ৰতৰ কৰি তোলাৰ প্ৰেক্ষাপটতে এই আক্ৰমণ ঘটিছে। ইয়াৰ কিছুদিন পূৰ্বে, ৮ জুলাইত শ্ব'পিয়ানত শ্ব'পিয়ান আৰক্ষীৰ বিশেষ অভিযান গোট, ভাৰতীয় সেনাৰ ৰাষ্ট্ৰীয় ৰাইফলছ আৰু চি.আৰ.পি.এফ.ৰ যৌথ অভিযানত লস্কৰ-ই-তৈবাৰ এজন সন্ত্ৰাসবাদীক হত্যা কৰা হৈছিল। ইয়াৰোপৰি, ২৯ জুলাইত কুলগাম জিলাতে চলোৱা এক যৌথ অভিযানত নিৰাপত্তা বাহিনীয়ে বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ, গুলী-বাৰুদ আৰু বিস্ফোৰক সামগ্ৰী জব্দ কৰিছিল। কিন্তু এই সামগ্ৰীসমূহৰ সঠিক প্ৰকাৰ আৰু পৰিমাণ সম্পৰ্কে এতিয়ালৈকে কোনো চৰকাৰী ঘোষণা প্ৰকাশ পোৱা নাই। নিৰাপত্তা বাহিনীৰ মতে, অঞ্চলটোৰ শান্তি-শৃংখলা বজাই ৰাখিবলৈ সময়ে সময়ে এনে অভিযান অব্যাহত থাকে। সন্ত্ৰাসবাদীৰ এই গুলীচালনাৰ ঘটনাই নিৰাপত্তা বাহিনীৰ বাবে এক নতুন প্ৰত্যাহ্বান হিচাপে দেখা দিছে। এলাকাত অভিযান চলি থকাৰ মাজতে, উদ্ধাৰকাৰী আৰু গোয়েন্দা বিভাগে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। ছত্তীশগড়ৰ পৰা অহা এই শ্ৰমিক দুজনৰ এই ট্ৰাজিক মৃত্যু আৰু আঘাতে উপত্যকাটোত কাম কৰা বহিৰাগত শ্ৰমিকসকলৰ মাজত নতুনকৈ আশংকাৰ সৃষ্টি কৰিছে।

# প্ৰধানমন্ত্ৰী আহিলে অসুবিধাহে সৃষ্টি

উত্তৰ দি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "প্ৰধানমন্ত্ৰী চৰাইদেউ আৰু শিৱসাগৰ ভ্ৰমণত আহিলে জিলা প্ৰশাসনসমূহ তিনিদিন আগৰে পৰা ব্যস্ত হৈ পৰিব লাগিব। এনে অৱস্থাত এই ভ্ৰমণে বান সাহায্য প্ৰদানত সহায় কৰিব নে অসুবিধা সৃষ্টি কৰিব-সেয়া ভাবিবলগীয়া বিষয়।" বিভিন্ন ৰাজনৈতিক দল আৰু ছাত্ৰ সংগঠনে প্ৰধানমন্ত্ৰী অসমলৈ নহাক লৈ কৰা সমালোচনাৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়, "কালি ৰাজ্যপাল যোৱাৰ পাছত বহুলোকে সমালোচনা কৰিছে যে ডিচি ৰাজ্যপালৰ লগত ব্যস্ত হৈ থাকিবলগীয়া হৈছে। এইখিনি সময়ত হাইপ্ৰফাইল ভ্ৰমণৰ বিপৰীতে প্ৰধানমন্ত্ৰীয়ে আমাক সকলো প্ৰকাৰে সহায় কৰি আছে। তেওঁ মোক সাহস আৰু শক্তি প্ৰদান কৰিছে, বানত সকলোধৰণৰ সহায় আগবঢ়াবলৈ। আমি অবিৰতভাৱে প্ৰধানমন্ত্ৰীৰ সংযোগত আছোঁ।" মুখ্যমন্ত্ৰীগৰাকীয়ে পুনৰ্বাৰ কয়, "প্ৰধানমন্ত্ৰী আহিলে সাহায্য প্ৰক্ৰিয়াত সহায় হ'ব জানো? মই নিজেই সাত-আঠদিন ধৰি যোৱা নাই। মই গ'লেও বহু লোক ব্যস্ত হৈ পৰিব, ফলত সমালোচনা আহিব। আনকি কিছুমান ছাত্ৰ সংগঠনে এস্কৰ্ট-পাইলট লৈ নহাৰ বাবে মোক সকীয়াই দিছে। গতিকে সিদ্ধান্ত ল'ব লাগে-প্ৰধানমন্ত্ৰী আহিব লাগে নে প্ৰধানমন্ত্ৰীৰ সহযোগিতা লাগে? সহযোগ আমি সম্পূৰ্ণ লাভ কৰিছোঁ। প্ৰধানমন্ত্ৰীয়ে ৰাজ্য চৰকাৰক পূৰ্ণ শক্তি প্ৰদান কৰি আহিছে।" প্ৰধানমন্ত্ৰীৰ সৈতে থকা নিয়মীয়া যোগাযোগৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, "প্ৰধানমন্ত্ৰী মোৰ লগত প্ৰায়ে সংযোগত আছে। তেওঁ সাহস নিদিলে মই একোৱে কৰিব নোৱাৰিলোহেঁতেন। প্ৰধানমন্ত্ৰীয়ে সকলো ক্ষেত্ৰতে মোক সাহস দি গৈছে। কেতিয়া আহিব লাগে সেইটো তেওঁ নিজে ক'ব। অসমৰ মানুহে বিশ্বাস ৰখা উচিত যে তেখেতে অসমক কেতিয়াও বিপদত পৰিব নিদিয়ে।" বানৰ সৈতে মোকাবিলা কৰাৰ এই সংকটময় সময়ত ৰাজনীতিৰ পৰা আঁতৰি থকাৰ আহ্বান দি মুখ্যমন্ত্ৰীয়ে কয়, "আজিৰ দিনটোত পলিটিকেল একো ক'ব খোজা নাই। এটাই কম যে প্ৰধানমন্ত্ৰীৰ পৰা আমি অফুৰন্ত সহায় পাই আছোঁ আৰু ক'তো ত্ৰুটি হোৱা নাই। প্ৰধানমন্ত্ৰীৰ সাহসতে মই ক্ষতিপূৰণ, আন্তঃগাঁথনি নিৰ্মাণ আদি কথা কৈ আছোঁ।" উজনিৰ বানৰ বাবে নাগালেণ্ডৰ লগত আলোচনা কৰাৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়, "নাগালেণ্ড নিজেও বানত ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হৈছে। বৰ্তমান এই বিষয়বোৰ আলোচনা কৰাৰ সময় নহয়। এইটো এটা প্ৰাকৃতিক দুৰ্যোগ, মানুহ সৃষ্ট নহয়। নাগালেণ্ড বৰ্তমান বানৰ কবলত আছে। পৰিস্থিতিৰ অৱসান ঘটাৰ পাছতহে আলোচনা কৰিব পৰা যাব। বৰ্তমান আমি বানৰ সৈতে যুঁজ দি আছোঁ।" বান সাহায্যৰ মাজতে কৰা কিছুমান নিৰ্বাচিত সমালোচনাৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্ৰীয়ে কয়, "আমাৰ তিনিজন মন্ত্ৰী জিলা তিনিখনত ১৮ জুলাইৰ পৰা আছে। কিন্তু একাংশই কেৱল এজন ব্যক্তিক কেন্দ্ৰ কৰি ৰীল বনাই আছে। ৰীল বনোৱা মানুহবোৰে আজমলক দেখা পাই আছে কিন্তু সুশান্তক দেখা নাই। তিনিজন মন্ত্ৰীক দেখা নাই, কিন্তু হাজাৰ হাজাৰ মানুহে তাতে কাম কৰি আছে। বাহিৰৰ পৰা আহিও কাম কৰি আছে। এতিয়া বিভেদ নহয়, একতা অনাৰ সময়।" উদ্ধাৰকাৰী বাহিনীৰ অক্লান্ত পৰিশ্ৰমৰ কথাও উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, "এনডিআৰএফ আৰু এছডিআৰএফৰ ল'ৰাবোৰে কেনেকৈ কষ্ট কৰি মানুহক উদ্ধাৰ কৰিছে তাৰ ফটো, ভিডিঅ' আছে। কিন্তু কোনেও তেওঁলোকৰ নামেই লোৱা নাই। কামটো ৰাইজ আৰু চৰকাৰে মিলি কৰি আছে। এতিয়া বেলেগ বেলেগ কথা কোৱাৰ প্ৰয়োজন নাই। একেলগে কাম কৰাৰ সময়।"

# লোকসভাত বিতৰ্কবিহীনভাৱে

জন্ম-মৃত্যুৰ পঞ্জীয়ন বিধেয়ক ২০২৬ বিতৰ্কবিহীনভাৱে গৃহীত কৰে। দুপৰীয়া সদন পুনৰ মিলিত হোৱাৰ পাছতে বিজেপিৰ সাংসদ দিলীপ শইকীয়াৰ অধ্যক্ষতাত এই বিধেয়ক বিবেচনা আৰু গৃহীত কৰাৰ বাবে উত্থাপন কৰা হয়। বিৰোধী সদস্যসকলে সদনত শ্লোগান দি প্ৰতিবাদ প্ৰকাশ কৰি থাকে। তেওঁলোকৰ মাজতে কেইবাজনেও গৃহমন্ত্ৰী অমিত শ্বাহৰ সদনত উপস্থিতি দাবী কৰি ধৰ্ণা প্ৰদৰ্শন কৰে। এই প্ৰতিবাদৰ মাজতো ধ্বনি ভোটৰ জৰিয়তে বিধেয়কখন গৃহীত কৰা হয়। বিধেয়ক গৃহীত হোৱাৰ পাছত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে অসন্তুষ্টি প্ৰকাশ কৰি কয়, "চৰকাৰে গুৰুত্বপূৰ্ণ বিধেয়কখনৰ ওপৰত বিস্তৃত আলোচনা বিচাৰিছিল। কিন্তু বিৰোধীয়ে তাত অংশগ্ৰহণ নকৰাটো অতি দুৰ্ভাগ্যজনক। অনুগ্ৰহ কৰি ভৱিষ্যতে এই ঘটনাৰ পুনৰাবৃত্তি নকৰিব। আপোনাক সংসদলৈ পঠোৱা জনতাই আপোনাৰ পৰা উত্তৰ বিচাৰিব।" অধ্যক্ষ দিলীপ শইকীয়াইও সহযোগিতা অবিহনে বিধেয়কখন গৃহীত কৰিবলগীয়া হোৱাটোক 'দুৰ্ভাগ্যজনক' বুলি অভিহিত কৰে। ইয়াৰোপৰি, এই কাৰ্যবিধিৰ সময়তে সংবিধান (১৩০ সংশোধনী) বিধেয়ক, ২০২৫ পৰীক্ষা কৰা যুটীয়া সংসদীয় সমিতিৰ অধ্যক্ষ তথা বিজেপিৰ সাংসদ অপৰাজিতা সাৰংগীক শীতকালীন অধিবেশনৰ শেষ সপ্তাহৰ প্ৰথম দিনটোলৈ পেনেলৰ প্ৰতিবেদন দাখিলৰ সময়সীমা বৃদ্ধিৰ অনুমতি প্ৰদান কৰা হয়। ইফালে, লোকসভাই গৃহীত কৰা ৰাজহুৱা পৰীক্ষা (অনিয়ম প্ৰতিৰোধ) সংশোধনী বিধেয়ক, ২০২৬ ক আদৰণি জনাইছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। বৃহস্পতিবাৰে নিশা এক নতুন ভিডিঅ' বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে, এই বিধেয়কে দেশৰ পৰীক্ষা ব্যৱস্থাক "অধিক শক্তিশালী" কৰি তুলিব। তেওঁ লগতে উল্লেখ কৰে যে বিধেয়কখনে যিকোনো পৰীক্ষাৰ কাকত ফাদিল কৰাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাটো নিশ্চিত কৰিব।

# ১৫ আগষ্টৰ ভিতৰত নিৰ্মাণ সম্পূৰ্ণ

বৰ্ণনা কৰে। মন্ত্ৰীগৰাকীয়ে কয়, "দিখৌৰ উৎপত্তিস্থল নাগিনীজানৰ পৰাই পানীৰ ধল বৈ আহিছিল। অতিপাত বৰষুণৰ ফলত পানীৰ ধাৰাটো আছিল তীব্ৰ আৰু অদ্ভুত প্ৰকাৰৰ। যাৰ বাবে ঔগুৰি জান, নেপালী খুঁটি, বিহুবৰ, চন্তক আদি অঞ্চলত দিখৌয়ে ব্যাপক বিধ্বংসী ৰূপ ধাৰণ কৰে।" তেওঁ লগতে কয় যে, বানপানীয়ে ঘৰ-দুৱাৰ, কৃষি পথাৰ, পশুধন আদি উটুৱাই নিছে। এতিয়া সেই অঞ্চলবোৰ পলসৰে ভৰি পৰিছে, বালি-মাটিৰ স্তূপ জমা হৈছে আৰু আগৰ আকৃতি সম্পূৰ্ণৰূপে সলনি হৈ গৈছে। বহু লোকৰ মৃত্যুও হৈছে বুলি তেওঁ উল্লেখ কৰে। প্ৰথম অৱস্থাত ৰাস্তা-পদূলি মুকলি কৰাৰ কাম সম্পন্ন কৰা হৈছে, যাৰ ফলত এতিয়া ৰাস্তাৰে গাড়ী চলাচল সম্ভৱ হৈছে। বানপীড়িত অঞ্চলসমূহলৈ প্ৰেৰিত সাহায্য সঠিকভাৱে উপযুক্ত লোকে পাইছে বুলিও মন্ত্ৰীয়ে সন্তোষ প্ৰকাশ কৰে। বানপীড়িত লোকসকল এতিয়াও অস্থায়ীভাৱে বিভিন্ন ঠাইত বসবাস কৰিবলগীয়া হৈছে। তেওঁলোকক ঘৰলৈ ঘূৰাই অনাৰ বাবে চৰকাৰে চেষ্টা চলাই আছে। মন্ত্ৰী মহন্তই কয়, "দুদিনমানৰ ভিতৰতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পুনৰ উজনিৰ বানপীড়িত অঞ্চল পৰিদৰ্শন কৰিব। খৰতকীয়া পৰিকল্পনা গ্ৰহণ কৰি অহা ৭ আগষ্টৰ পৰা সম্পূৰ্ণ চাৰ্ভে আৰম্ভ কৰিম।" এককালীন সাহায্য সন্দৰ্ভত তেওঁ কয়, "যি সাহায্য প্ৰদান কৰা হৈছে, তাৰ জৰিয়তে প্ৰথমে ঘৰ-দুৱাৰ চাফা কৰি লোকসকলে নিজা ঘৰলৈ যাব পাৰিব। যাৰ ঘৰ সম্পূৰ্ণৰূপে নষ্ট হৈছে তেওঁলোকৰ বাবে পৃথক ব্যৱস্থা থাকিব। দুই-তিনি দিনৰ ভিতৰতে এই সাহায্য তেওঁলোকে লাভ কৰিব।" কেন্দ্ৰীয় প্ৰতিনিধি দলে বানৰ ভয়াবহ দৃশ্য প্ৰত্যক্ষ কৰি গৈছে। তেওঁলোকে কৰা প্ৰাথমিক মূল্যায়নে ভৱিষ্যতে ক্ষয়ক্ষতিৰ সঠিক হিচাপ দিয়াত যথেষ্ট সহায় কৰিব বুলি মন্ত্ৰীয়ে মত প্ৰকাশ কৰে। যোৰহাট জিলাত মুঠ ৮টা মাথাউৰি ছিগিছে। এই ছিগা অংশসমূহৰ ভিতৰত সৰু-সুৰা অংশবোৰ ৰপ্ত আগষ্টৰ আগতেই নিৰ্মাণ সম্পূৰ্ণ কৰা হ'ব বুলি মন্ত্ৰী কেশৱ মহন্তই স্পষ্টভাৱে ঘোষণা কৰে।

# GEN Zৰ কণ্ঠ দমনৰ অভিযোগত

প্ৰত্যাহ্বান দিছে। ছ'চিয়েল মিডিয়াত শ্বেয়াৰ কৰা এক পোষ্টত ৰাহুল গান্ধীয়ে লিখে, "প্ৰধানমন্ত্ৰী মোদী আৰু অমিত শ্বাহ, আপুনি GEN Z ক মাত নামাতিবলৈ ভাবুকি দিব নোৱাৰে। প্ৰথমে আপোলাকে তেওঁলোকৰ হাড় ভাঙি পেলালে। এতিয়া, আপুনি গোচৰ দাখিল কৰি তেওঁলোকৰ একাউণ্ট বন্ধ কৰি দিছে। আপুনি ভাৰতৰ অতীত। সাৱধান হওক, আপুনি ভাৰতৰ ভৱিষ্যতক কেনেদৰে ব্যৱহাৰ কৰে।" ৰাহুল গান্ধীয়ে প্ৰতিবাদকাৰীৰ বিৰুদ্ধে আৰক্ষীৰ ব্যৱস্থা লোৱা এটা ভিডিঅ'ও শ্বেয়াৰ কৰে। সেই ভিডিঅ'ত আৰক্ষীয়ে প্ৰতিবাদকাৰীক লাঠীচাৰ্জ কৰা আৰু এজন অসামৰিক পোছাক পৰিহিত ব্যক্তিয়ে ৰাষ্ট্ৰীয় পতাকা লৈ থকা এজন ছাত্ৰ প্ৰতিবাদকাৰীক বলপূৰ্বকভাৱে পথত প্ৰহাৰ কৰা দৃশ্য দেখা যায়। উল্লেখনীয় যে, ছাত্ৰ প্ৰতিবাদকাৰীৰ বিৰুদ্ধে আৰক্ষীয়ে গ্ৰহণ কৰা অভিযোগ আৰু অযোধ্যাৰ ৰাম মন্দিৰৰ বাবে সংগৃহীত অনুদানৰ অপব্যৱহাৰৰ অভিযোগত বিৰোধী দলৰ সাংসদসকলে বৃহস্পতিবাৰে সংসদ কমপ্লেক্সত প্ৰতিবাদ সাব্যস্ত কৰাৰ সময়তে ৰাহুল গান্ধীয়ে এই দাবী উত্থাপন কৰে। ইফালে, NEET প্ৰশ্নকাকত ফাদিলৰ ঘটনাৰ পিছত আৰক্ষীৰ তদন্ত শীৰ্ষ স্তৰত উপনীত হৈছে আৰু এই বিষয়টোৱে ৰাজনৈতিক মেৰপাকো সৃষ্টি কৰিছে। ৰাহুল গান্ধীয়ে চৰকাৰক ছাত্ৰৰ কণ্ঠ দমন কৰা আৰু দমনমূলক নীতি গ্ৰহণ কৰাৰ অভিযোগ উত্থাপন কৰি এই প্ৰত্যাহ্বান দিয়ে।

# ডিমৌৰ কঠীয়াতলিত কঠীয়া সিঁচিলে পীযুষ

ঘূৰাই অনাৰ বাবে সম্পূৰ্ণ প্ৰতিশ্ৰুতিবদ্ধ। বানপীড়িত অঞ্চলসমূহত স্থাপন কৰা সমূহীয়া নাৰ্চাৰীসমূহৰ জৰিয়তে কৃষকসকলে সময়োপযোগী উন্নত মানৰ কঠীয়া লাভ কৰিব আৰু পুনৰায় খেতি-বাতি আৰম্ভ কৰিব পাৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ইয়াৰ পাছত মন্ত্ৰীগৰাকীয়ে শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী বিমল বৰাৰ সৈতে নাজিৰা পৰিদৰ্শন কৰি সম-জিলা আয়ুক্তৰ কাৰ্যালয়ত বান পৰিস্থিতি সম্পৰ্কে এখন পৰ্যালোচনা বৈঠকত সভাপতিত্ব কৰে। এই বৈঠকত নাজিৰা সমষ্টিৰ বিধায়ক ময়ূৰ বৰগোহাঁই, কৃষি বিভাগৰ সঞ্চালক, শিৱসাগৰৰ জিলা আয়ুক্ত, নাজিৰা সম-জিলা প্ৰশাসনৰ বিষয়াবৰ্গ, কৃষি বিভাগ আৰু অন্যান্য বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। বৈঠকত মন্ত্ৰীগৰাকীয়ে সামগ্ৰিক বান পৰিস্থিতি, উদ্ধাৰ আৰু সাহায্য কাৰ্যৰ বৰ্তমান অগ্ৰগতি, লগতে বানাক্ৰান্ত লোকসকলৰ পুনৰ সংস্থাপনৰ বাবে লোৱা ব্যৱস্থাসমূহ বিস্তাৰিতভাৱে পৰ্যালোচনা কৰে। পুনৰ সংস্থাপনক চৰকাৰৰ সৰ্বোচ্চঅগ্ৰাধিকাৰ বুলি ঘোষণা কৰি তেওঁ বানত ক্ষতিগ্ৰস্ত বা সম্পূৰ্ণৰূপে ধ্বংস হোৱা গৃহসমূহ পুনৰ নিৰ্মাণৰ কাম যাতে অতি শীঘ্ৰে আৰম্ভ কৰিব পাৰি, তাৰ বাবে সংশ্লিষ্ট বিষয়াসকলক কঠোৰ নিৰ্দেশ প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে স্পষ্টভাৱে কয় যে, ক্ষতিগ্ৰস্ত পৰিয়ালসমূহে যাতে সোনকালে নিজৰ ঘৰ পুনৰ নিৰ্মাণ কৰিব পাৰে, তাৰ বাবে বাঁহ, চি.জি.আই. টিন আদি প্ৰয়োজনীয় সামগ্ৰীসমূহ সময়মতে যোগান ধৰাটো নিশ্চিত কৰা হ'ব। ইয়াৰ লগতে বানপীড়িত অঞ্চলসমূহত যাতে সোনকালে স্বাভাৱিক পৰিস্থিতি ঘূৰাই অনা যায় আৰু সকলো ক্ষতিগ্ৰস্ত লোকলৈ সময়োপযোগী সহায় প্ৰেৰণ কৰা হয়-তাৰ ওপৰত তেওঁ বিশেষ গুৰুত্ব আৰোপ কৰে। আনহাতে, বানাক্ৰান্ত অঞ্চলসমূহত স্বাস্থ্য আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগক সচেতন আৰু সক্ৰিয়ভাৱে কাম কৰিবলৈ মন্ত্ৰীগৰাকীয়ে সুনিৰ্দিষ্ট নিৰ্দেশ দিয়ে। মন্ত্ৰী পীযুষ হাজৰীকাই উল্লেখ কৰে যে, শেহতীয়া বানপানীৰ প্ৰকোপত নাজিৰা বিধানসভা সমষ্টি আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। সেয়ে এই সমষ্টিত পুনৰ সংস্থাপন কাৰ্যক সৰ্বোচ্চঅগ্ৰাধিকাৰ দিয়া হ'ব। বানত গৃহহীন হোৱা লোকসকলৰ বাবে ঘৰ পুনৰ নিৰ্মাণ, স্বাস্থ্য সুনিশ্চিত কৰা, অনাময় আৰু খোৱাপানীৰ সুব্যৱস্থা কৰা-এইবোৰ চৰকাৰৰ তাৎক্ষণিক লক্ষ্য হ'ব বুলি তেওঁ দৃঢ়তাৰে কয়। লগতে, বিদ্যালয় গৃহসমূহ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰাৰ দায়িত্বও জিলা প্ৰশাসনৰ তৎক্ষণাৎ কৰ্তব্য বুলি মন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰে। অন্যান্য বিভাগসমূহৰ কাম-কাজৰও পৰ্যালোচনা কৰি আৱশ্যকীয় নিৰ্দেশসমূহ প্ৰদান কৰে। ইয়াৰ লগতে, বানৰ পিছত কৃষি কাৰ্য পুনৰুজ্জীৱিত কৰাৰ বাবে কৃষি বিভাগে গ্ৰহণ কৰা প্ৰস্তুতি, সমূহীয়া নাৰ্চাৰীৰ জৰিয়তে ধানৰ কঠীয়া যোগানৰ ব্যৱস্থা, শস্য ক্ষয়-ক্ষতিৰ মূল্যায়ন, আৰু বানপীড়িত কৃষকসকললৈ সহায় প্ৰেৰণৰ বিভিন্ন আঁচনি-এই সকলো দিশ বৈঠকত বিস্তাৰিতভাৱে পৰ্যালোচনা কৰা হয়। মন্ত্ৰী হাজৰিকাই ঘোষণা কৰে যে, তেওঁ অহা সপ্তাহজুৰি শিৱসাগৰ জিলাতে অৱস্থান কৰি কৃষি বিভাগৰ পদক্ষেপসমূহ আৰু পুনৰ সংস্থাপন কাৰ্যৰ অগ্ৰগতি নিবিড়ভাৱে নিৰীক্ষণ কৰিব। যাৰ ফলত বানপীড়িত প্ৰতিটো পৰিয়ালে সময়মতে প্ৰয়োজনীয় সাহায্য আৰু সেৱা লাভ কৰিব পাৰিব বুলি তেওঁ আশ্বাস প্ৰদান কৰে।

# বিএছএফত কৰ্মৰত টিপংলাল পাহাৰ গাঁৱৰ নিবাসী জোৱান শ্যামল শইকীয়াৰ শেষকৃত্য সম্পন্ন



**অসম বাৰ্তা বিশেষ, জাগুন, ৩১ জুলাই ঃ** তিনিচুকীয়া জিলাৰ টিপং লাল পাহাৰ গাঁৱৰ বি, এছ, এফৰ জোৱান শ্যামল শইকীয়াৰ নশ্বৰ দেহ বৃহস্পতি বাৰে বিয়লি ভাগত স্বগৃহলৈ অনা হয়। ২০১৪ চনত সীমা সুৰক্ষা বল সেনাবাহিনীত যোগদান কৰিছিল জোৱান গৰাকীয়ে। ১৫৬নং বেটেলিয়ন, ৰাণীনগৰ জলপাইগুড়িত কৰ্মৰত আছিল শ্যামল শইকীয়া। কৰ্মস্থলীত কৰ্মৰত অৱস্থাত অসুস্থ হৈ পৰাত জোৱান গৰাকীক বি, এছ, এফৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে উত্তৰ বংগ নিউৰো চেণ্টাৰলৈ স্থানান্তৰ কৰা হয়। পৰবৰ্তী সময়ত ২৭ জুলাই তাৰিখে চিকিৎসাধীন অৱস্থাত মৃত্যুবৰণ কৰে জোৱান গৰাকীয়ে। টিপং লালপাহাৰ অঞ্চলৰ নিবাসী জোৱান গৰাকীৰ নশ্বৰ দেহ স্বগৃহলৈ অনাৰ পিছতে এক শোকাকুল পৰিৱেশে বিৰাজ কৰা দেখা যায়। সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে জোৱান গৰাকীৰ শেষকৃত্য সম্পন্ন কৰা হয়।

# পশ্চিম দৰঙৰ বিভিন্ন স্থানত ধাৰাবাহিকভাৱে সংঘটিত চুৰিজনিত ঘটনা

**অসম বাৰ্তা, পাথৰিঘাট, ৩১ জুলাই ঃ** পশ্চিম দৰঙৰ বুঢ়া আৰক্ষীৰ অন্তৰ্গত বিভিন্ন স্থানত উদ্বেগজনকভাবে বৃদ্ধি পাই আছে অসামাজিক কাৰ্যকলাপ। আৰক্ষীৰ নিৰুদ্বেগ ভূমিকাৰ বাবে দুনীৰ ভেৰুৱাত যোৱা নিশা সংঘটিত হয় চুৰিকাণ্ড। যতীন্দ্ৰ শৰ্মাৰ ঘৰত সংঘটিত হয় এই চুৰিকাণ্ড। চোৰে দৰ্জা ভাঙি, আলমিৰাৰ তলা ভাঙি চোৰে লুটি লৈ যায় প্ৰায় চাৰি লক্ষাধিক টকা মূল্যৰ সোণৰ আ-অলংকাৰ। স্প্ৰে জাতীয় দ্ৰব্য প্ৰয়োগ কৰি পৰিয়ালক অচেতন কৰি চুৰি কাৰ্য সংঘটিত কৰাৰ সন্দেহ ঘনিভূত হৈছে। উল্লেখ্য যে সমগ্ৰ পশ্চিম দৰঙত উন্মোচিত হৈ আহিছে অসামাজিক কাৰ্যকলাপ। যোৱা ২৮ জুনত আজাৰা আৰক্ষীয়ে বুঢ়া আৰক্ষীৰ সহযোগত বাহাদুৰ নামৰ এখন দোকানৰ পৰা উদ্ধাৰ কৰে প্ৰায় বিশ লক্ষাধিক মূল্যৰ সামগ্ৰী। বিশাল ম'লৰ বাবে গাড়ীৰে লৈ যোৱা সামগ্ৰী সমূহ ট্ৰাকৰ ড্ৰাইভাৰৰ সহায়ত চুৰি কৰি আনি মজুট কৰিছিল বিষ্ণুপুৰত। আজাৰাৰ আৰক্ষীয়ে চলিত মাহতে হালধাৰ পৰাও উদ্ধাৰ কৰে কেছট্ৰল কোম্পানীৰ ৩৫ লাখ মূল্যৰ মবিল আদি। এনে ঘটনাই বুঢ়া আৰক্ষী এলেকা অপৰাধীৰ ঘাটিত পৰিনত হোৱাৰ অভিযোগ উঠিছে।

# নামখলা (বজাৰ) স্থায়ী ব্যৱসায়ী সন্থাৰ উদ্যোগত আমন্ত্ৰণ জনোৱা আবাহন থিয়েটাৰৰ টিকট উন্মোচনী সভা সম্পন্ন

**অসম বাৰ্তা, খৈৰাবাৰী, ৩১ জুলাই ঃ** যোৱা ৩০ জুলাই বৃহস্পতিবাৰে নামখলা স্থায়ী ব্যৱসায়ী সন্থাৰ কাৰ্য্যালয় প্ৰাঙ্গণত অসমৰ আগশাৰীৰ ভ্ৰাম্যমান থিয়েটাৰ হেঙুলৰ টিকট উন্মোচন আৰু অস্থায়ী কাৰ্যালয় গৃহ মুকলি সভা অনুষ্ঠিত হৈ যায়। উক্ত সভাত অৱসৰী কৃতী শিক্ষক কুলেন ডেকাৰ বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভণী কৰে। সভা সঞ্চালনা কৰে নামখলা বজাৰ স্থায়ী ব্যৱসায়ী সন্থাৰ সভাপতি ভূপেন চহৰীয়াই। অক্টোবৰ মাহৰ ৪ আৰু ৫ তাৰিখত দুদিনীয়াকৈ অনুষ্ঠিত হবলগীয়া আবাহন থিয়েটাৰৰ অস্থায়ী কাৰ্যালয় মুকলি কৰে অৱসৰী কৃতী শিক্ষক অতুল চহৰীয়াই। অন্যহাতে সভাত বিশেষ আমন্ত্ৰণী পত্ৰ উন্মোচন কৰে অৱসী শিক্ষক দেবেন্দ্ৰ নাথ বৰুৱাই। আবাহন চাৰ্কোল উন্মোচন কৰে পূৱ চমতীয়াপাৰা প্ৰথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক উদয় ডেকাই। দুজনীয়া সাময়িক টিকট উন্মোচন কৰে দিগন্ত চহৰীয়া সঞ্চালক ব্ৰাইট আইটি কম্পপিউটেক। এজনীয়া সাময়িক টিকট উন্মোচন কৰে নামখলা গাঁও পঞ্চায়তৰ সভানেত্ৰী নিকুমণি শইকীয়াই। ভিআইপি টিকট উন্মোচন কৰে জলসিঞ্চন বিভাগৰ অৱসৰী কৰ্মচাৰী হৰেন্দ্ৰ নাথ কলিতাই। নামখলা বজাৰ চ'ক ব্যবসায়ী সন্থাৰ উদ্যোগত আমন্ত্ৰণ জনোৱা আবাহন থিয়েটাৰৰ পৰিচালনা সমিতিৰ সভাপতি মুকুট নাথ আৰু সম্পাদক সুদৰ্শন কলিতাই কাইলৈৰ পৰা নামখলা অস্থায়ী কাৰ্যালয়ত আবাহন থিয়েটাৰৰ আগতীয়াকৈ টিকটৰ বাবে যোগাযোগ কৰিব পাৰিব বুলি সাংবাদিকক জানিবলৈ দিয়ে। সভাৰ অন্তত ভাষণ প্ৰসঙ্গত তেওঁলোকে কয় থিয়েটাৰৰ এখন ভাল নাটকৰ যোগেদি সমাজৰ বহুল পৰিবৰ্তন সাধন কৰিব পাৰে। সমাজ গঠনত বিভিন্ন ধৰণৰ অনুষ্ঠান প্ৰতিষ্ঠানৰ যথেষ্ট অৰিহণা আছে যদিও অসমৰ জাতি জনগোষ্ঠীৰ মাজত একটাৰ বান্ধোনেৰে বান্ধ খাই থকাত থিয়েটাৰৰ ভূমিকা অন্যতম।

# বিশ্বনাথ জিলাতো লোকপিয়ল-২০২৭ অনুষ্ঠিত হ'ব দুটা পৰ্যায়ত

**অসম বাৰ্তা, জিনজিয়া, ৩১ জুলাই ঃ** দেশৰ ১৬ সংখ্যক এই লোকপিয়লত বিশ্বনাথ জিলাৰ প্ৰস্তুতি সন্দৰ্ভত আজি জিলা আয়ুক্তৰ সন্মিলন কক্ষত এখন সংবাদমেল সম্বোধন কৰে বিশ্বনাথৰ জিলা আয়ুক্ত কৰবী শইকীয়া কৰণে। উল্লেখ্য যে, যোৱা ২০ জুলাই তাৰিখৰ পৰা লোকপিয়লত জড়িত কৰ্মচাৰী সকলৰ প্ৰশিক্ষণ চলি আছে। জিলাখনৰ বিশ্বনাথ ৰাজহ চক্ৰত জড়িত গণনাকাৰীৰ সংখ্যা হৈছে ৮২৯ গৰাকী আৰু পৰিদৰ্শক ১৩৯ গৰাকী। হেলেম ৰাজহ চক্ৰত গণনাকাৰী হৈছে ৩৮৫ গৰাকী আৰু পৰিদৰ্শক ৬৫ গৰাকী। গহপুৰত গণনাকাৰী হৈছে ৩৫৪ গৰাকী আৰু পৰিদৰ্শক ৬১ গৰাকী। নদুৱাৰ ৰাজহ চক্ৰৰ এটা অংশত গণনাকাৰীৰ সংখ্যা ২৪৮ গৰাকী আৰু পৰিদৰ্শকৰ সংখ্যা ৪৭ গৰাকী। আনহাতে, বিশ্বনাথ পৌৰসভাত গণনাকাৰীৰ সংখ্যা ৪৭ গৰাকী আৰু পৰিদৰ্শকৰ সংখ্যা ৮ গৰাকী। গহপুৰ পৌৰসভাত গণনাকাৰী ৩০ গৰাকী আৰু পৰিদৰ্শক ৪ গৰাকী। চতিয়া পৌৰসভাত গণনাকাৰীৰ সংখ্যা ১৬ গৰাকী আৰু পৰিদৰ্শকৰ সংখ্যা ৪ গৰাকী।

# শিৱসাগৰৰ বানপীড়িত পৰিয়ালসমূহৰ মাজত সাহায্য সামগ্ৰী বিতৰণ



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৩১ জুলাই ঃ** শিৱসাগৰ জিলাৰ বানপীড়িত পৰিয়ালসমূহক সহায় কৰাৰ উদ্দেশ্যে উৰ্জা ফাউণ্ডেচনে অসম দৃষ্টি নিউজৰ সহযোগত জিলাখনৰ বিভিন্ন প্লাবিত আৰু দুৰ্গম গাঁৱত প্ৰায় ২.৫০ লাখ টকাৰ সাহায্য সামগ্ৰী বিতৰণ কৰে। দুৰ্গম আৰু সম্প্ৰতি পানীৰ তলত থকা অঞ্চলসমূহলৈ যাতায়াতৰ নানা অসুবিধাৰ মাজতো দলটো গৈ প্ৰয়োজনীয় সামগ্ৰীসমূহ বানাক্ৰান্ত লোকসকলৰ হাতত তুলি দিবলৈ সক্ষম হয়। এই সাহায্য বিতৰণ কাৰ্যসূচীত শিৱসাগৰৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মইনুল ইছলাম, জয় মাতা দি গ্ৰুপ, এছ.পি. এছ. পাৰ্চেল, নেশ্যনেল স্মল ছেভিংছ এজেণ্টছ এছ'চিয়েশ্যন অৱ ইণ্ডিয়া আৰু তিনিচুকীয়া স্পৰ্টছ ক্লাব এণ্ড কালচাৰেল ফাউণ্ডেচনে সহযোগিতা আগবঢ়ায়। কেইবাখনো গাঁৱত স্থানীয় বাসিন্দাসকলে স্বেচ্ছাসেৱক সকলক কৃতজ্ঞতাৰ নিদৰ্শনস্বৰূপে চৰবত আগবঢ়াই আদৰণি জনায়, যিয়ে দুৰ্যোগৰ মাজতো তেওঁলোকৰ মানৱীয় মূল্যবোধ আৰু দৃঢ় মনোবলৰ পৰিচয় বহন কৰিছে। আয়োজকসকলে তিনিচুকীয়াৰ দাতা আৰু স্বেচ্ছাসেৱকসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছে। এই সাহায্য অভিযানত উৰ্জা ফাউণ্ডেচনৰ সভাপতি সূৰ্য্য ভট্টাচাৰ্য, সম্পাদক সন্তোষ শ্ৰীবাস্তৱ, কোষাধ্যক্ষ অৰ্জুন মিশ্ৰ আৰু আন সদস্যসকলে নেতৃত্ব দি সাহায্য সামগ্ৰীৰ সুশৃংখল বিতৰণ নিশ্চিত কৰে। উৰ্জা ফাউণ্ডেচন আৰু অসম দৃষ্টি নিউজে ভৱিষ্যতেও প্ৰয়োজনৰ সময়ত এনে মানৱীয় সহায় আগবঢ়াই যোৱাৰ প্ৰতিশ্ৰুতি ব্যক্ত কৰে।

**নাগালেণ্ডৰ পৰা সৃষ্টি হোৱা বান সমস্যাৰ স্থায়ী সমাধান আৰু বিশেষ পেকেজৰ দাবী**

# বানপীড়িত শিক্ষাৰ্থী আৰু দুৰ্যোগপীড়িত ৰাইজৰ কাষত তিনিচুকীয়া জিলা সাংবাদিক সন্থা

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৩১ জুলাই ঃ** সামাজিক দায়বদ্ধতাৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰি তিনিচুকীয়া জিলা সাংবাদিক সন্থাই বানবিধ্বস্ত শিৱসাগৰ জিলাৰ বিভিন্ন অঞ্চলত উপস্থিত হৈ বানপীড়িত শিক্ষাৰ্থী আৰু দুৰ্যোগপীড়িত পৰিয়ালসমূহৰ মাজত শৈক্ষিক সামগ্ৰী, নিত্য প্ৰয়োজনীয় সামগ্ৰী, খোৱাপানী আৰু ঔষধ-পত্ৰ বিতৰণ কৰে। সাহায্য সামগ্ৰী বিতৰণৰ সমান্তৰালভাৱে সন্থাই নাগালেণ্ডৰ পৰা বৈ অহা পানীৰ ফলত উজনি অসমত সৃষ্টি হোৱা ভয়ংকৰ বান সমস্যাৰ স্থায়ী সমাধানৰ বাবে বৈজ্ঞানিক পদ্ধতিৰে ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে বানবিধবস্ত জিলাসমূহৰ বাবে বিশেষ আৰ্থিক পেকেজ ঘোষণা কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰক দাবী জনায়। শুক্ৰবাৰে তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সভাপতি ৰাণাজ্যোতি নেওগ, সাধাৰণ সম্পাদক বিপ্লৱ চেতিয়া আৰু কোষাধ্যক্ষ দীনেশ গোয়েলৰ নেতৃত্বত সন্থাৰ প্ৰায় ২০ জনীয়া এটি দলে শিৱসাগৰ জিলাৰ কেইবাটাও বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰি ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ অৱস্থাৰ বুজ লয়। দলটোৱে বানপীড়িত লোকসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ দৈনন্দিন জীৱনত সৃষ্টি হোৱা সমস্যাসমূহৰ বিষয়ে জানিবলৈ চেষ্টা কৰে। বানৰ ফলত বহু পৰিয়াল গৃহহীন হৈ পৰাৰ লগতে শিক্ষাৰ্থীসকলৰ পাঠদান ব্যৱস্থা ব্যাহত হোৱাৰ বিষয়েও দলটোৱে প্ৰত্যক্ষভাৱে অৱগত হয়। ইয়াৰ পিছতে সন্থাৰ উদ্যোগত বানপীড়িত পৰিয়ালৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰীৰ মাজত স্কুল বেগ, বহী, কলম, ৰবৰ, কাঠপেঞ্চিল, স্কেল, ছাটি আদি বিভিন্ন শৈক্ষিক সামগ্ৰী বিতৰণ কৰা হয়। বানৰ ফলত বহু শিক্ষাৰ্থীৰ শিকণ সামগ্ৰী নষ্ট হোৱাত পুনৰ শিক্ষা জীৱন স্বাভাৱিক কৰি তোলাৰ লক্ষ্যৰে এই সহায় আগবঢ়োৱা হৈছে বুলি সন্থাৰ বিষয়ববীয়াসকলে জানিবলৈ দিয়ে। শিক্ষাৰ্থী আৰু অভিভাৱকসকলেও এই পদক্ষেপৰ শলাগ লয়। ইয়াৰ উপৰিও কেইবাশতাধিক বানাক্ৰান্ত লোকৰ মাজত বিছনা চাদৰ, কেৰাহী, বিস্কুট, খোৱাপানীৰ বটল, ঔষধ-পাতি আৰু আন নিত্য প্ৰয়োজনীয় সামগ্ৰীও বিতৰণ কৰা হয়। বহু পৰিয়াল এতিয়াও অস্থায়ী আশ্ৰয় শিবিৰত দিন কটাবলগীয়া হোৱা পৰিপ্ৰেক্ষিতত এই সামগ্ৰীসমূহে তেওঁলোকৰ কিছু সঁকাহ দিব বুলি আশা প্ৰকাশ কৰা হৈছে। শদিয়া প্ৰেছ ক্লাবৰ উদ্যোগত যোৱা চিকিৎসা কৰ্মীৰ এটি দলে বানাক্ৰান্ত অঞ্চলত উপস্থিত হৈ বহু লোকৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে জ্বৰ, ছালৰ ৰোগ, ডায়েৰিয়া আদি বানৰ পিছত দেখা দিয়া বিভিন্ন স্বাস্থ্যজনিত সমস্যাৰ বাবে প্ৰয়োজনীয় ঔষধ-পত্ৰ বিতৰণ কৰে। চিকিৎসকসকলে বানপীড়িত লোকসকলক বিশুদ্ধ খোৱাপানী ব্যৱহাৰ, পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখা আৰু বিভিন্ন সংক্ৰামক ৰোগৰ পৰা সাৱধান হ'বলৈও পৰামৰ্শ আগবঢ়ায়। এই সাহায্য কাৰ্যসূচী সফল ৰূপায়ণত তিনিচুকীয়া, ডুমডুমা, মাৰ্ঘেৰিটা, শদিয়া, জাগুন, ছৈখোৱা আৰু কাকপথাৰ প্ৰেছ ক্লাবে সক্ৰিয় সহযোগিতা আগবঢ়ায়। ইয়াৰ লগতে তিনিচুকীয়া জিলা স্বাস্থ্য বিভাগ, লিডু কেন্দ্ৰীয় নামঘৰ আৰু হায়দৰাবাদত কৰ্মৰত একাংশ শুভাকাঙ্ক্ষীয়ে আৰ্থিক আৰু অন্যান্য সহযোগিতাৰে এই মানৱীয় কাৰ্যসূচীক সফল কৰি তোলে। বিভিন্ন ব্যক্তি আৰু সংগঠনৰ স্বতঃস্ফূৰ্ত সহযোগিতাৰ ফলত বৃহৎ পৰিসৰত সাহায্য বিতৰণ সম্ভৱ হোৱা বুলি সন্থাই উল্লেখ কৰে। এই উপলক্ষে সন্থাৰ সভাপতি ৰাণাজ্যোতি নেওগে কয় যে নাগালেণ্ডৰ পৰা নামি অহা পানীৰ ফলত উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ, ডিব্ৰুগড়, তিনিচুকীয়াসহ কেইবাখনো জিলাত ভয়াবহ ক্ষতি সংঘটিত হৈছে। কৃষি, শিক্ষা, যোগাযোগ ব্যৱস্থা আৰু সাধাৰণ জনজীৱনৰ ওপৰত ইয়াৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ পৰিছে। সেয়ে ক্ষতিগ্ৰস্ত আটাইকেইখন জিলাৰ ৰাইজৰ পুনৰ সংস্থাপন, ক্ষতিপূৰণ আৰু আন্তঃগাঁথনি পুনৰ নিৰ্মাণৰ বাবে ভাৰত চৰকাৰে অতি শীঘ্ৰে বিশেষ আৰ্থিক পেকেজ ঘোষণা কৰা উচিত বুলি তেওঁ দাবী জনায়। আনহাতে, সন্থাৰ সাধাৰণ সম্পাদক বিপ্লৱ চেতিয়াই কয় যে নাগালেণ্ডৰ পৰা কি পৰিস্থিতিত বৃহৎ পৰিমাণৰ পানী বৈ আহি উজনি অসমৰ বিস্তীৰ্ণ অঞ্চলত ধ্বংসযজ্ঞ চলাইছে, তাৰ উচ্চ পৰ্যায়ৰ নিৰপেক্ষ তদন্ত হ'ব লাগে। তেওঁ কয়, সমস্যাটোৰ মূল কাৰণ চিনাক্ত কৰি বিশেষজ্ঞৰ পৰামৰ্শৰ ভিত্তিত বৈজ্ঞানিক সমীক্ষা চলাই স্থায়ী নিৰাময় ব্যৱস্থা গ্ৰহণ নকৰালৈকে এই সমস্যা অব্যাহত থাকিব। সেয়ে অসম আৰু নাগালেণ্ড চৰকাৰৰ লগতে কেন্দ্ৰীয় চৰকাৰে সমন্বয়ৰে দীৰ্ঘম্যাদী পৰিকল্পনা গ্ৰহণ কৰা উচিত বুলিও তেওঁ মন্তব্য কৰে। সাহায্য বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰা সাংবাদিকসকলে কয় যে সংবাদ পৰিবেশন কৰাৰ লগতে দুৰ্যোগৰ সময়ত অসহায় লোকসকলৰ কাষত থিয় দিয়া সাংবাদিক সমাজৰ এক সামাজিক আৰু নৈতিক দায়িত্ব। ভৱিষ্যতেও প্ৰয়োজন অনুসৰি বানপীড়িত আৰু দুৰ্যোগপীড়িত লোকসকলৰ সহায়ত এনে মানৱীয় কাৰ্যসূচী অব্যাহত ৰখা হ'ব বুলি তিনিচুকীয়া জিলা সাংবাদিক সন্থাই জানিবলৈ দিয়ে।

# ডিব্ৰুগড়ত গুৰু পূৰ্ণিমাত বিজেপিৰ মধ্য মণ্ডলৰ উদ্যোগত শিক্ষাগুৰুলৈ শ্ৰদ্ধা নিবেদন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৩১ জুলাই ঃ** গুৰু ব্ৰহ্মা, গুৰু বিষ্ণু, গুৰুদেৱ মহেশ্বৰ গুৰু সাক্ষাৎ পৰম ব্ৰহ্ম তস্মৈ শ্ৰীগুৰুৱে নমঃ প্ৰাচীন এই ভাৰতীয় গুৰু শিষ্য পৰম্পৰা আৰু হিন্দু শাস্ত্ৰ অনুসৰি গুৰুক যি সন্মান আৰু প্ৰাধান্য দিয়া হয়, সেই প্ৰাধান্যক সন্মান জনাবলৈ গুৰু পূৰ্ণিমা পালন কৰি আহিছে যুগ যুগ ধৰি হিন্দু সনাতনী লোক সকলে। গুৰুক ভাগৱানৰ অৱতাৰৰ লগত তুলনা কৰি এই বিশেষ দিনটোক শিক্ষা গুৰুসকলৰ বাবে উৎসৰ্গিত কৰি আহিছে। এই গুৰু পূৰ্ণিমা লগত সংগতি ৰাখি ভাৰতীয় জনতা পাৰ্টিৰ ডিব্ৰুগড় সমষ্টিৰ মধ্য মণ্ডলৰ উদ্যোগত সমষ্টিৰ অন্তৰ্গত শিক্ষা গুৰু, তথা মন্দিৰ পুৰোহিত সকলৰ ঘৰে-ঘৰে গৈ তেখেত সকলক শ্ৰদ্ধা ভক্তি জনাই -আৰ্শীবাদ গ্ৰহণ কৰে। এই উদ্দেশ্যে ডিব্ৰূগড়ৰ লক্ষ্মীনগৰত বৃহস্পতিবাৰে সন্ধিয়া দেখা গ'ল গুৰু শিষ্য পৰম্পৰা এক দুল্লৰ্ভ দৃশ্য। ডিব্ৰূগড় বিধানসভা সমষ্টিৰ মধ্য মণ্ডলৰ সভাপতি ৰাজু বাৰাইক, সাধাৰণ সম্পাদকদ্বয় মনোজ সোণোৱাল, পুনেশ্বৰ বৰা, সম্পাদক চন্দন দত্ত, যুৱ মৰ্চাৰ সভাপতি আকাশ কুমাৰ দাসৰ নেতৃত্বত ভক্তিময় পৰিৱেশত-ক্ৰমে অৱসৰপ্ৰাপ্ত শিক্ষক বোপাৰাম শইকীয়া, লক্ষ্মীনাথ দত্ত, পৰশুৰাম বাউৰী, বিজু শৰ্মাকে ধৰি -শিক্ষাগুৰু সকলৰ চৰণ চুই আৰ্শীবাদ গ্ৰহণ কৰি আগন্তুক দিনত ৰাইজৰ হৈ অধিক সেৱা মনোভাবেৰে কৰ্ম কৰিবলৈ শক্তি পাব বুলি উদ্যোক্তা সকলে জানিবলৈ দিয়ে।

**বানপীড়িতৰ তাৎক্ষণিক সকাহ, ক্ষতিপূৰণ আৰু পুনৰ সংস্থাপনৰ দাবী; ৭ দফীয়া দাবী উত্থাপন সংগঠনটোৰ**

# শিৱসাগৰ-যোৰহাটৰ বান পৰিস্থিতিক লৈ বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ গভীৰ উদ্বেগ

**অসম বাৰ্তা, বৰডুমচা, ৩১ জুলাই ঃ** শিৱসাগৰ আৰু যোৰহাট জিলাৰ ভয়াবহ বান পৰিস্থিতিক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে বৃহত্তৰ অসমীয়া যুৱ মঞ্চই। সংগঠনটোৰ সম্পাদক মানস জ্যোতি বৰুৱাই জাৰি কৰা এক প্ৰেছ বিবৃতিত বানপীড়িত লোকসকলৰ তাৎক্ষণিক সকাহ, উপযুক্ত ক্ষতিপূৰণ আৰু স্থায়ী পুনৰ সংস্থাপনৰ বাবে ৰাজ্য চৰকাৰক অতি শীঘ্ৰে ফলপ্ৰসূ পদক্ষেপ গ্ৰহণৰ আহ্বান জনায়। বিবৃতিত কোৱা হৈছে যে, বানৰ ফলত হাজাৰ হাজাৰ পৰিয়ালে ঘৰ-বাৰী, খেতি-পথাৰ, পশুধন, ব্যৱসায়-বাণিজ্য আৰু জীৱিকাৰ সম্বল হেৰুৱাই অমানৱীয় কষ্টৰ মাজেৰে দিন কটাবলগীয়া হৈছে। লগতে এই দুৰ্যোগত প্ৰাণ হেৰুওৱা লোকসকললৈ গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰে সংগঠনটোৱে। সংগঠনটোৱে চৰকাৰৰ ওচৰত ৭ দফীয়া দাবী উত্থাপন কৰি বানত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ ঋণ সুদমুক্তভাৱে স্থগিতকৰণ, সম্পূৰ্ণ ক্ষতিগ্ৰস্ত পৰিয়ালক ১০ লাখ টকাৰ বিশেষ আৰ্থিক সাহায্য, বানত মৃত্যুবৰণ কৰা ব্যক্তিৰ পৰিয়ালক ২৫ লাখ টকাৰ ক্ষতিপূৰণ আৰু এজন যোগ্য সদস্যক চৰকাৰী চাকৰি, স্থায়ী গৃহ নিৰ্মাণ, কৃষি আৰু পশুধনৰ ক্ষতিপূৰণ, পৰ্যাপ্ত ত্ৰাণ আৰু চিকিৎসা সেৱা নিশ্চিত কৰাৰ লগতে ভৱিষ্যতে বান নিয়ন্ত্ৰণৰ বাবে স্থায়ী ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। সম্পাদক মানস জ্যোতি বৰুৱাই কয়, বানপীড়িত লোকসকলৰ স্বাৰ্থত চৰকাৰে এই দাবীসমূহ অতি শীঘ্ৰে কাৰ্যকৰী কৰিব লাগে। অন্যথা বৃহত্তৰ অসমীয়া যুৱ মঞ্চই গণতান্ত্ৰিক পদ্ধতিৰে বৃহত্তৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি তেওঁ সকীয়াই দিয়ে।

# প্ৰশাসনৰ কঠোৰ পদক্ষেপৰ ফলশ্ৰুতি; নগাঁৱত হ্ৰাস পাইছে পথ-দুৰ্ঘটনাৰ সংখ্যা

**অসম বাৰ্তা, পুৰণিগুদাম, ৩১ জুলাই ঃ** নগাঁও জিলা প্ৰশাসনে যান-বাহনৰ অবৈধ পাৰ্কিংৰ বিৰুদ্ধে পাৰ্কিং লক লগোৱাকে ধৰি কেতবোৰ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ সমান্তৰালভাৱে সজাগতামূলক অভিযান তীব্ৰতৰ কৰি তোলাৰ ফলস্বৰূপে আজি সামৰণি পৰা জুলাই মাহটোত যোৱা মাহৰ তুলনাত দুৰ্ঘটনাৰ সংখ্যা যথেষ্ট হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। আজি জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা জিলা পথ সুৰক্ষা সমিতিৰ মাহেকীয়া বৈঠকত প্ৰকাশিত তথ্য অনুসৰি যোৱা জুন মাহত জিলাখনত সংঘটিত ১১৮টা দুৰ্ঘটনাৰ পৰিৱৰ্তে জুলাই মাহটোত সংঘটিত হৈছে ৮৪টা দুৰ্ঘটনা। এই দুৰ্ঘটনাত নিহত আৰু আহত লোকৰ পৰিসংখ্যা জুন মাহৰ ২২ আৰু ১৫৮ ৰ পৰা চলিত মাহটোত কমি হৈছেগৈ যথাক্ৰমে ১৩ আৰু ৯২ জন। জিলা আয়ুক্ত দেৱাশিস শৰ্মাই সভাত এই প্ৰগতিত সন্তুষ্টি প্ৰকাশ কৰিও কয় যে, দুৰ্ঘটনাত এজন লোকৰো প্ৰাণহানি হোৱাটো অত্যন্ত দুৰ্ভাগ্যজনক। সেয়ে আমাৰ লক্ষ্য হ'ব লাগিব জিলাখনক সম্পূৰ্ণ দুৰ্ঘটনামুক্ত অথবা ন্যূনতম দুৰ্ঘটনা সংঘটিত জিলালৈ উন্নীত কৰিব পৰাটো। তাৰ বাবে তেওঁ পৰিবহণ বিভাগক যান-বাহন আইন মানি চলাৰ সম্পৰ্কত সজাগতা অভিযান চলোৱাৰ সমান্তৰালভাৱে আইন অমান্যকাৰীৰ বিৰুদ্ধে সময়ে সময়ে অভিযান তীব্ৰতৰ কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ ৰাষ্ট্ৰীয় ঘাই পথ আন্তঃগাঁথনি উন্নয়ন নিগম আৰু লোক নিৰ্মাণ বিভাগৰ ৰাষ্ট্ৰীয় ঘাই কৰ্তৃপক্ষক ইয়াৰ সঠিক মেৰামতি, পদচিহ্ন দিয়া, যথাস্থানত প্ৰতিফলক লগোৱা আদি সুৰক্ষা মূলক ব্যৱস্থা সঠিকভাৱে গ্ৰহণ কৰাৰ বাবে নিৰ্দেশ দিয়ে। ৰাষ্ট্ৰীয় ঘাইপথত ৰখাই থোৱা ট্ৰাক আদি ডাঙৰ ব্যৱসায়িক গাড়ীৰ বিৰুদ্ধে যানবাহন আৰক্ষীক অধিক তৎপৰ হোৱাৰো তেওঁ পৰামৰ্শ আগবঢ়ায়। সভাত যোৱা মাহটোত জিলাখনত সংঘটিত প্ৰতিটো দুৰ্ঘটনাৰ কাৰণসমূহ বিশ্লেষণ কৰা হয় আৰু এই ক্ষেত্ৰত পালনীয় কৰ্তব্যৰ বিষয়েও আলোচনা কৰা হয়, যাতে ভৱিষ্যতে তাৰ পুনৰাবৃত্তি হোৱাৰ আশংকা হ্ৰাস পায়। সভাত জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাৰ্থপ্ৰতিম দাস, অতিৰিক্ত আৰক্ষী অধীক্ষক আবুতানি পেগু, জিলা পৰিবহণ বিষয়া সীমান্ত বৰাৰ উপৰিও লোক নিৰ্মাণ পথ সংমণ্ডলসমূহৰ কাৰ্যবাহী অভিযন্তাসকল, ৰাষ্ট্ৰীয় ঘাই আন্তঃ গাঁথনি উন্নয়ন নিগমৰ প্ৰতিনিধি, নিৰ্মাণৰত ঠিকাদাৰী প্ৰতিষ্ঠানৰ প্ৰতিনিধি আদিও উপস্থিত থাকে।

# চিআৰপিএফৰ ১৪২ নং বেটালিয়নৰ দ্বাৰা বৰ্ডাৰ ইউথ স্কিল ডেভেলপমেণ্ট, কেৰিয়াৰ গাইডেন্স আৰু কম্পিউটাৰ লিটাৰেচি প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৩১ জুলাই ঃ** সীমান্তৱৰ্তী আৰু বিবাদিত অঞ্চল (Disputed Area Belt-DAB)ৰ যুৱ সমাজক আত্মনিৰ্ভৰশীল, প্ৰযুক্তিগতভাৱে দক্ষ আৰু প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুত কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী (চিআৰপিএফ)ৰ ১৪২ নং বেটালিয়নৰ দ্বাৰা সিভিক একচন প্ৰোগ্ৰাম-২০২৬ৰ অন্তৰ্গত "বৰ্ডাৰ ইউথ স্কিল ডেভেলপমেণ্ট, কেৰিয়াৰ গাইডেন্স আৰু কম্পিউটাৰ লিটাৰেচি প্ৰশিক্ষণ কাৰ্যসূচী"ৰ কালি উৰিয়ামঘাটত শুভাৰম্ভ কৰা হয়। এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে মোহিন্দৰ কুমাৰ, কমাণ্ডেণ্ট, ১৪২ নং বেটালিয়ন, চিআৰপিএফে। এই উপলক্ষে দ্বিতীয় কমাণ্ড অধিকাৰী সম্বিল কুমাৰ, উপ-কমাণ্ডেণ্ট বিজয় কুমাৰ সিং, সহায়ক কমাণ্ডেণ্ট তথা চেক্টৰ কমাণ্ডাৰ (চি চেক্টৰ) গৌতম দাস, সহায়ক কমাণ্ডেণ্ট কুনাল যাদৱ, সৰুপথাৰৰ সীমান্ত দণ্ডাধীশ প্ৰিয়ব্ৰত হাজাৰিকা, দেৱবৰীয়া গাঁৱৰ গাঁওবুঢ়া, সংবাদ মাধ্যমৰ প্ৰতিনিধি, স্থানীয় গণ্যমান্য ব্যক্তি আৰু চিআৰপিএফৰ বিষয়া, অধীনস্থ বিষয়া আৰু জোৱানসকল উপস্থিত থাকে। এই কাৰ্যসূচীত উৰিয়ামঘাট আৰু সৰুপানী অঞ্চলৰ প্ৰায় ১২০জন ছাত্ৰ-ছাত্ৰীয়ে উৎসাহেৰে অংশ গ্ৰহণ কৰে। এই উপলক্ষে ১৮ বছৰৰ উৰ্ধ্ব বয়সৰ যুৱক-যুৱতীৰ বাবে ১২ দিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ আনুষ্ঠানিক শুভাৰম্ভ কৰা হয়। প্ৰশিক্ষণটো প্ৰতিদিনে দুই ঘণ্টাকৈ বি/১৪২ বেটালিয়ন, হুৰুপানী আৰু চি/১৪২ বেটালিয়ন, উৰিয়ামঘাটত অনুষ্ঠিত কৰা হ'ব। ইয়াত অংশগ্ৰহণকাৰীসকলক কম্পিউটাৰ জ্ঞান, কেৰিয়াৰ গাইডেন্স, শাৰীৰিক প্ৰশিক্ষণ, ব্যক্তিত্ব বিকাশ আৰু বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষা তথা চিআৰপিএফ পূৰ্ব-ভৰ্তি প্ৰশিক্ষণ সম্পৰ্কীয় বিষয়সমূহত অভিজ্ঞ প্ৰশিক্ষকসকলৰ দ্বাৰা প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। এই কাৰ্যসূচী সফল কৰাৰ ক্ষেত্ৰত বি/১৪২ আৰু চি/১৪২ বেটালিয়নৰ বিষয়া, অধীনস্থ বিষয়া আৰু জোৱানসকলে সক্ৰিয় ভূমিকা পালন কৰিছে। নিজ বক্তব্যত কমাণ্ডেণ্ট মোহিন্দৰ কুমাৰে সীমান্তৱৰ্তী অঞ্চলৰ যুৱ সমাজক এই সুযোগৰ পূৰ্ণ সদ্ব্যৱহাৰ কৰি ৰাষ্ট্ৰ গঠণত সক্ৰিয় ভূমিকা ল'বলৈ আহ্বান জনায়। অংশগ্ৰহণকাৰীসকলৰ বাবে জলপান আৰু মধ্যাহ্নভোজনৰ ব্যৱস্থা কৰা হৈছে, যাতে তেওঁলোকে পূৰ্ণ উৎসাহ আৰু একাগ্ৰতাৰে প্ৰশিক্ষণত অংশ গ্ৰহণ কৰিব পাৰে। এই প্ৰশিক্ষণ কাৰ্যসূচীৰ সমাপ্তি অহা ১৩ আগষ্ট তাৰিখে চি/১৪২ বেটালিয়ন, চি চেক্টৰ, উৰিয়ামঘাটত অনুষ্ঠিত সমাপন অনুষ্ঠানত সকলো অংশগ্ৰহণকাৰীক প্ৰমাণ-পত্ৰ প্ৰদান কৰা হ'ব। চিআৰপিএফৰ এই উদ্যোগ সীমান্তৱৰ্তী আৰু বিবাদিত অঞ্চলৰ যুৱসমাজক শিক্ষা, দক্ষতা, আত্মবিশ্বাস আৰু কৰ্মসংস্থাপনমুখী সুযোগৰ সৈতে সংযোগ কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ।

# শিৱসাগৰ, যোৰহাটৰ বানাক্ৰান্তৰ মাজত সাহায্য সামগ্ৰী বিতৰণ স্বেচ্ছাসেৱী সংগঠন 'স্বৰাজ'ৰ

**অসম বাৰ্তা ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৩১ জুলাই ঃ** সম্প্ৰতি উজনি অসমৰ বিধ্বংসী বানত শিৱসাগৰ, চৰাইদেউ, যোৰহাট, জিলাৰ বিভিন্ন ঠাই বানপানীৰ কবলত পৰি বহুতো পৰিয়ালৰ গৃহহীন, আশ্ৰয়হীন হোৱাৰ লগতে এমুঠি খাদ্য বস্তুৰ বাবে হাহাকাৰ কৰি পানীত হাঁহ নচৰা অৱস্থা হৈছে। এনে এক কঠিন পৰিস্থিতিত বানাক্ৰান্ত পৰিয়ালৰ কাষত থিয় হৈ নিজাববীয়াকৈ সামান্য সহায়ৰ হাত আগবঢ়াই গোলাঘাটৰ স্বেচ্ছাসেৱী সংগঠন 'স্বৰাজে' মানবীয় পদক্ষেপ গ্ৰহণ কৰি আহিছে। সংগঠনটোৱে যোৱা ২৪ জুলাইত যোৰহাটৰ তিতাবৰ সম জিলাৰ কাকডোঙা নদীৰ বাঢ়নি পানীয়ে তচনচ কৰা ইয়াৰ দাঁতি-কাষৰীয়া ইকৰাণী পঞ্চায়তৰ নাওপেটা, কুমাৰভেটি, ৰাঙলীবাৰী গাঁৱৰ প্ৰায় তিনিশ পৰিয়ালৰ কাষত থিয় হৈ খাদ্য সামগ্ৰী, পানীৰ বটল, বিস্কুট আদি যোগান ধৰে। সংগঠনটোৱে ২৯ জুলাইতো চৰাইদেউ জিলাৰ নাজিৰাৰ বিহুবৰ, নেপালীখুটি, চণ্টক আদি অঞ্চলত বিধ্বংসী বানত গৃহহীন হোৱা প্ৰায় হাজাৰোধিক ব্যক্তিৰ কাষত থিয় তেওঁলোকৰ দুৰ্দিনৰ সমভাগী হৈ আঁঠুৱা, বিছনা চাদৰ, পিন্ধা কাপোৰ, খাদ্য সামগ্ৰী, চাবোন, টুথপেষ্ট, ব্ৰাচ আদি নিজ হাতেৰে প্ৰদান কৰি বানাক্ৰান্তসকলক সামান্য সকাহ দিয়াৰ প্ৰয়াস কৰে। এই সাহায্য বিতৰণ কাৰ্যসূচীত সংগঠনটোৰ সভাপতি পৰাগ বৰা, সম্পাদক প্ৰণামী শইকীয়াক কেইবাজনো ব্যক্তিয়ে সংগ দিয়ে।

# বিশ্বনাথৰ মোনাবাৰী সৎসঙ্গ বিহাৰত উখল-মাখল পৰিৱেশৰ মাজত উদ্‌যাপন পৰম আৰাধ্যা বৰমাৰ ১৩৩ তম্ জন্ম মহোৎসৱ

**অসম বাৰ্তা, জিনজিয়া, ৩১ জুলাই ঃ** আজি দিনযোৱা কাৰ্য্যসূচীৰে পৰম আৰাধ্যা বৰমাৰ জন্ম মহোৎসৱ পালন কৰা হয় প্ৰতি বছৰে বৰমাৰ জন্ম মহোৎসৱ ভাগ পালন কৰা হয় আৰু এইবেলিও মোনাবাৰী বাসী ৰাইজৰ সহযোগত দিনজোৱা কাৰ্যসূচীৰে পালন কৰা হল। উক্ত জন্ম মহোৎসৱ ভাগত গুৰুভাই সকলে নাম কীৰ্তন আৰু হৰি ধ্বনিৰে মুখৰিত কৰি সমগ্ৰ সৎসংগ মন্দিৰ প্ৰাংগণ। এইবেলি এই জন্ম মহোৎসৱ ভাগত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত আছিল বিশ্বনাথৰ জিলা আয়ুক্ত কৰৱী শইকীয়া কৰণ মহোদয়া লগতে যথেষ্ট মান্য গণ্য ব্যক্তি সকল। দিনযোৱা কাৰ্যসূচীত এক আধ্যাত্মিক পৰিৱেশৰ মাজত নামকীৰ্তন ইষ্ট আলোচনা আৰু প্ৰসাদ বিতৰণেৰে সফল সামৰণি হয় অনুষ্ঠানটিৰ।